सत्यमेव जयते

অসম চৰকাৰ

অসম বাজেট ২০২৩-২৪

# বাজেট ভাষণ

২০২৩-২৪


## শ্ৰীমতী অজন্তা নেওগ

**বিত্তমন্ত্ৰী, অসম চৰকাৰ**


১৬ মাৰ্চ, ২০২৩

অধ্যক্ষ মহোদয়,

মই আৰম্ভণিতে পৱিত্ৰ সদনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ২০২৩-২৪ বৰ্ষৰ পূৰ্ণাংগ বাজেটখন উত্থাপন কৰিবলৈ আগবাঢ়িছোঁ।

(১) মই বাজেটখন উত্থাপন কৰাৰ প্ৰাক্‌মুহূৰ্তত আমাৰ চৰকাৰৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে এগৰাকী বিখ্যাত অৰ্থনীতিবিদ Dudley Seersৰ সংজ্ঞাৰে আপোনালোকক অৱগত কৰিব বিচাৰিছোঁ। সেই সংজ্ঞাটো হ'ল— "Development is when a country experiences a reduction or elimination of Poverty, Inequality and Unemployment." অৰ্থাৎ উন্নয়ন হৈছে সেইটোৱেই যেতিয়া দৰিদ্ৰতা, অসমতা আৰু নিবনুৱা সমস্যা নাইকিয়া হয় বা নিম্নগামী হ'বলৈ আৰম্ভ কৰে। মই আজি উত্থাপন কৰিবলৈ লোৱা বাজেটখনত ইতিমধ্যে উল্লেখ কৰা সামগ্ৰিক উন্নয়নৰ যি সংজ্ঞা তাৰ উপযুক্ত প্ৰয়োগ সুস্পষ্ট ৰূপত দেখিবলৈ পাব বুলি মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ।

(২) ২০২১ চনৰ ১০ মে'ত শপতগ্ৰহণ কৰা দিনৰে পৰা আমাৰ চৰকাৰে এখন উজ্জীৱিত অসমৰ বাবে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আমাৰ এই প্ৰয়াসৰ এক অফুৰন্ত উৎস স্বৰূপ। মাননীয় প্ৰধান মন্ত্ৰী আমাৰ ৰাজ্যখন আৰু অঞ্চলৰ সামগ্ৰিক বিকাশত বিশ্বাসী। তেখেতে উত্তৰ-পূব ভাৰতক দেশৰ 'বিকাশৰ নতুন ইঞ্জিন' আৰু অসমক 'অষ্টলক্ষ্মী' বুলি অভিহিত কৰিছে। মাননীয় প্ৰধান মন্ত্ৰীৰ উজ্জ্বল স্বপ্নক আমাৰ ৰাজ্যখনৰ বিকাশ আৰু উন্নয়নৰ বাবে আগবঢ়াই নিবলৈ আমি বদ্ধপৰিকৰ।

(৩) মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই উত্তৰ-পূবত শান্তিৰ বাতাৱৰণ সৃষ্টি কৰা আৰু সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত লোৱা ভূমিকাৰ বাবেও মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তদুপৰি, যোৱা ২২ টা মাহত ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক কাঠামো সুদৃঢ় কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীৰ নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে তেখেতলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

(৪) আপোনালোক সকলোৰে জ্ঞাত যে দেশখনে অমৃত কালত প্ৰৱেশ কৰিছে। অমৃত কালৰ পুণ্য ব্ৰতক অনুসৰণ কৰি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমক বিকশিত ভাৰতৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে গঢ়াৰ সপোন ৰচনা কৰিছে। তেখেতৰ নেতৃত্বত আজি আৰম্ভ হোৱা কৰ্ম সংস্কৃতিৰ নতুন পৰিৱেশে এখন আত্মবিশ্বাসী অসমৰ ছবি উদ্ভাসিত কৰিছে। সকলো সময়তে ৰাইজৰ ইচ্ছাক সন্মান জনাই ৰাজ্যখনৰ সামগ্ৰিক বিকাশ আৰু প্ৰশাসনিক ব্যৱস্থাটোক শক্তিশালী আৰু অধিক গতিশীল কৰি তুলিবৰ বাবে নেতৃত্ব দিয়া অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

(৫) ৰাজ্যখনক আগুৱাই লৈ যোৱাৰ বাবে লোৱা আমাৰ চৰকাৰৰ উৎসৰ্গিত প্ৰচেষ্টাক আশিস প্ৰদান কৰা অসমৰ সমূহ জনগণক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আগন্তুক সময়তো অসমৰ জনগণৰ সহযোগিতা আৰু আশীৰ্বাদ কামনা কৰিছোঁ।

(৬) মই আমাৰ তৃতীয়খন বাজেট উত্থাপন কৰিবলৈ লৈ এই পৱিত্ৰ সদনৰ মাননীয় সদস্যসকলক কেতবোৰ গুৰুত্বপূৰ্ণ উন্নয়ন সাধনৰ কথা অৱগত কৰিব বিচাৰিছো। মই আপোনালোকক অৱগত কৰোঁ যে—

- মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জয়ন্তী স্থানীয় ভিত্তিৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত নতুন দিল্লীলৈকে মহাসমাৰোহেৰে আমি উদ্‌যাপন কৰিলোঁ। নতুন দিল্লীত সমাপ্ত হোৱা এই উদ্‌যাপনত মাননীয় প্ৰধান মন্ত্ৰী, মাননীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰু মাননীয় কেন্দ্ৰীয় বিত্ত মন্ত্ৰী উপস্থিত থাকি বীৰগৰাকীলৈ যথোচিত শ্ৰদ্ধাঞ্জলি প্ৰদৰ্শন কৰিলে।

- আমাৰ বাবে এটা গৌৰৱৰ বিষয় যে লাচিত বৰফুকনৰ বিষয়ে লিখা ৪২.৯৪ লাখ লিখনীয়ে 'হাতে লিখা ৰচনা শাখাত বৃহৎত্তম অনলাইন ফটো এলবাম'ৰ (Largest Online Photo Album of Handwritten Category) শিতানত গীনিজ বিশ্ব অভিলেখ স্থাপন

কৰিছে। এই সংক্ৰান্তত যোৱা ৯ মাৰ্চ, ২০২৩ গিনীজ ৱৰ্ল্ড ৰেকৰ্ড লিমিটেডে আমাৰ চৰকাৰক যাৱতীয় প্ৰমাণপত্ৰ প্ৰদান কৰিছে।

- আমাৰ চৰকাৰে চৰাইদেউ মৈদামক ইউনেস্ক'ৰ সন্মানীয় বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা প্ৰদানৰ বাবে সফল প্ৰচেষ্টা চলাইছে। অতি গৌৰৱ আৰু আনন্দৰ বিষয় যে ভাৰতবৰ্ষৰ এইবছৰৰ একমাত্ৰ মনোনয়ন হিচাপে চৰাইদেউ মৈদামে ইউনেস্ক'ৰ সচিবালয়ৰ সকলো কাৰিকৰী প্ৰয়োজনীয়তা পূৰণ কৰিছে। মই মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ পৰিচয় প্ৰদানৰ দিশত মনোনীত কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

- বিহু হ'ল বছৰৰ ঋতু অনুসৰি অনুষ্ঠিত হোৱা অসমৰ অতি গুৰুত্বপূৰ্ণ উৎসৱ। বিহুৰ লগত জড়িত গীত, বাদ্য আৰু নৃত্য বহু যুগৰ আগৰ পৰাই এক অনুপম সাংস্কৃতিক সম্পদ বুলি পৰিগণিত হৈ আহিছে।

- অসমৰ গৌৰৱ বিহুক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ উদ্দেশ্যে আৰু গীনিজ বিশ্ব অভিলেখ গঢ়াৰ বাবে অহা ১৪ এপ্ৰিলত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত ১০,০০০ তকৈও অধিক শিল্পীৰ অংশগ্ৰহণেৰে বৃহৎ বিহু নৃত্য প্ৰদৰ্শন অনুষ্ঠিত হ'ব। এই আড়ম্বৰপূৰ্ণ অনুষ্ঠানত মাননীয় প্ৰধান মন্ত্ৰীয়ে উপস্থিত থকাৰ বাবে ইতিমধ্যে সন্মতি প্ৰদান কৰিছে।

## এখন উজ্জীৱিত অসমৰ বাবে শক্তিশালী ভেটি নিৰ্মাণ

(৭) অধ্যক্ষ মহোদয়, আজি মই উত্থাপন কৰিবলৈ বিচৰা বাজেটখন এখন একত্ৰীকৰণ বিষয়ক বাজেট। লগতে এই বাজেটখন এখন সম্প্ৰসাৰণ বিষয়ক বাজেটো। যদিও এই শব্দ দুটাই সম্পূৰ্ণ বিপৰীত অৰ্থ বহন কৰে, তথাপি এইক্ষেত্ৰত ইয়াৰ এক অন্তৰ্নিহিত দৰ্শন আছে। 'একত্ৰিত' বা 'সুদৃঢ়' (Consolidation) শব্দটোৰ দ্বাৰা আমি গুৰুত্বপূৰ্ণ আঁচনিসমূহৰ সুফলসমূহ একত্ৰিত কৰাকে বুজাইছোঁ, যাতে এই সুফলসমূহ বাস্তৱিকতে কঠোৰভাৱে সুদৃঢ় কৰা হয়। একে সময়তে, বৃহৎ পৰিসৰত এই সুফলসমূহ

লাভ কৰাটো সুনিশ্চিত কৰিবলৈ কেতবোৰ আঁচনিৰ প্ৰধান বৈশিষ্ট্যসমূহ আমি সম্প্ৰসাৰণ কৰিবলৈও বিচাৰিছোঁ।

(৮) এখন পুনৰুজ্জীৱিত অসমৰ এক সবল ভেটি স্থাপন কৰি মই কেতবোৰ একত্ৰিত আঁচনিৰ বিষয়ে আলোকপাত কৰিব বিচাৰিছোঁ।

**আয়-ব্যয় সম্বন্ধীয় (Fiscal) একত্ৰীকৰণ**

(৯) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে ৰাজ্যখনৰ বিত্তীয় অৱস্থাৰ উল্লেখযোগ্যভাৱে উন্নতি ঘটিছে। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনে (GSDP) ৫.৫০ লাখ কোটি টকাৰ সীমা অতিক্ৰম কৰাৰ লগে লগে ২০২৩-২৪ বৰ্ষত এক নতুন ইতিহাস ৰচনা কৰিবলৈ সক্ষম হ'ব বুলি আমাৰ চৰকাৰ আত্মবিশ্বাসী। ২০২১-২২ বৰ্ষত এই জি এছ ডি পিৰ পৰিমাণ আছিল ৩.৯৩ লাখ কোটি টকা। ৰাজ্যখনৰ জনমুৰি আয়ো তদ্ৰূপ ধৰণে বৃদ্ধি পাইছে।

**বিত্তীয় একত্ৰীকৰণ**

(১০) অধ্যক্ষ মহোদয়, মুঠ ঘৰুৱা উৎপাদন (GDP) বৃদ্ধিয়ে আমাৰ অৰ্থনৈতিক আৰু বিত্তীয় বিকাশকে প্ৰতিফলিত কৰে। বৃদ্ধিৰ এই ধাৰাত বৰঙণি যোগোৱা অন্যতম কাৰককেইটা হ'ল— শেহতীয়া বৰ্ষসমূহত হোৱা বাজেট সম্বন্ধীয় ব্যয় আৰু বৰ্ধিত ব্যয়। ব্যয়ৰ ক্ষেত্ৰত বিগত বৰ্ষত আমি এক লাখ কোটি টকাৰ সীমা অতিক্ৰম কৰিছোঁ। এই বৰ্ষত অৰ্থাৎ ২০২২-২৩ বৰ্ষত আমি আৰু অধিক ব্যয় কৰিবলৈ সক্ষম হ'ম বুলি আৰু ব্যয়ৰ পৰিমাণ ১.২০ লাখ কোটি টকাত উপনীত হ'ম বুলি আশা কৰিছোঁ। অধ্যক্ষ মহোদয়, গুৰুত্বপূৰ্ণ খণ্ডসমূহত কৰা চৰকাৰী ব্যয়ে ৰাজ্যখনৰ অৰ্থনৈতিক দৃশ্যপটত বিপ্লৱৰ সূচনা কৰিছে।

(১১) বিভিন্ন খণ্ডলৈ আগবঢ়োৱা ঋণ সম্প্ৰসাৰণ বৃদ্ধি হৈ জমা আৰু ঋণৰ অনুপাতো ২০২০ চনৰ মাৰ্চৰ ৫০.৭ শতাংশৰ পৰা ২০২২ৰ ডিচেম্বৰত ৫৭.৫ শতাংশলৈ বৃদ্ধি পাইছে।

**কৃষি খণ্ডৰ একত্ৰীকৰণ**

(১২) ৰাজ্য চৰকাৰে ২০২১-২২ বৰ্ষত আৰম্ভ কৰা ধান ক্ৰয় অভিযানৰ পৰা ৰাজ্যখনৰ ৪৩,৯৭৮ গৰাকী কৃষক উপকৃত হৈছে আৰু তেওঁলোকে প্ৰায় ১,০৯৭ কোটি টকা উপাৰ্জন কৰিছে। এই বৰ্ষত প্ৰতি কুইণ্টলত ২০৪০ টকাৰ বৰ্দ্ধিত ন্যূনতম সমৰ্থন মূল্যৰে আমি এই খাৰিফ বতৰৰ শেষলৈ ১০ লাখ মেট্ৰিকটন ধান সংগ্ৰহৰ লক্ষ্য বান্ধি লৈছোঁ। ২০২২ চনৰ ১৫ মাৰ্চত সংগ্ৰহ হোৱা ৯৮,৩৩৫ মেট্ৰিকটন ধানৰ বিপৰীতে এইবাৰ কালিলৈকে ৩.৪৩ লাখ মেট্ৰিকটন ধান সংগৃহীত হৈছে।

**চৰকাৰত দৃশ্যমান ডিজিটেল ৰূপান্তৰ**

(১৩) অধ্যক্ষ মহোদয়, বিভিন্ন সময় নিৰ্দ্ধাৰিত আৰু স্বচ্ছ নাগৰিকমুখী আঁচনিৰ মান আৰু খৰতকীয়া ৰূপায়ণ নিশ্চিত কৰিবলৈ আমাৰ চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে।

(১৪) অসম সচিবালয়ত ২০২১ চনৰ ১০ মে'ৰ আগত দাখিল হোৱা আৰু বহুদিন ধৰি নিষ্পত্তি নোহোৱাকৈ থকা বিভিন্ন নথিৰ নিষ্পত্তিৰ বাবে আমাৰ চৰকাৰে 'সদ্ভাৱনা' অভিযান আৰম্ভ কৰিছে। ইয়াৰ উপৰি কাগজবিহীন প্ৰশাসনৰ আৰম্ভণিৰূপে সচিবালয়ত ই-অফিচ ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে।

(১৫) পৰিবহণ বিভাগে কনটেক্টলেছ সেৱা কিছুমান আৰম্ভ কৰিছে (তাৰে কেইটামান স্বয়ংক্ৰিয় অনুমোদন জনাব পৰা) যাৰ দ্বাৰা যান-বাহন বিক্ৰী প্ৰতিষ্ঠানে বাহনৰ পঞ্জীয়ন কৰা আৰু পঞ্জীয়ন প্ৰমাণপত্ৰ প্ৰদান কৰাৰ ক্ষমতা লাভ কৰিছে। e-GRAS ব্যৱহাৰৰ যোগেদি ৯৮ শতাংশ পৰ্যন্ত মুঠ চৰকাৰী প্ৰাপ্তি অনলাইন পদ্ধতিৰে সংগ্ৰহ কৰা হৈছে। EODB প'ৰ্টেলে মূল বিভাগসমূহক সামৰি অনলাইন আপত্তিবিহীনতাৰ প্ৰমাণপত্ৰ/অনুমতি ব্যৱহাৰকৰ্তাক সহায় কৰিছে। 'মিছন ভূমিপুত্ৰ'ৰ অধীনত সকলো জাতিগত আৰু জনজাতিৰ প্ৰমাণপত্ৰ আবেদনকাৰী শাৰীৰিকভাৱে উপস্থিত হ'বলগীয়া নোহোৱাকৈয়ে অনলাইনযোগে প্ৰদান কৰা হৈছে। এনেকুৱা কামৰ তালিকাখন আৰু দীঘলীয়া।

(১৬) অধ্যক্ষ মহোদয়, কাম কৰাৰ সুগমতা ( Ease of doing business) শিতানত হোৱা কামে ৰাজ্যখনক আকাংক্ষিত পৰ্যায়ত (Aspirers category) উপনীত কৰাইছে।

**আন্তঃগাঁথনি-সৃষ্ট বিকাশৰ একত্ৰীকৰণ**

(১৭) ২০২১ বৰ্ষৰ মে' মাহৰ পৰা অসমৰ অভিলাষী সংস্কাৰমূলক কাৰ্যসূচীসমূহে বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ ক্ষেত্ৰত এক নতুন গতি প্ৰদান কৰিছে যাৰ ফলত ৩১,১২৬ কোটি টকা ব্যয়সাপেক্ষ এনেকুৱা ১৫ টা প্ৰকল্পৰ কাৰ্যকৰীকৰণৰ কাম চলি আছে। বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ড যেনে বিত্ত, পৰিবহণ, ৰাজহুৱা সেৱা প্ৰদান, পথ আৰু দলং আন্তঃগাঁথনি, কৃষি, পৰিৱেশ আৰু বন, পানী যোগান আৰু পয়প্ৰণালী, শক্তি, দক্ষতা বিকাশ ইত্যাদিত এই প্ৰকল্পসমূহ উপলব্ধ হৈ আছে। তদুপৰি, ৰাজ্যখনৰ কল্যাণৰ বাবে ভাৰত চৰকাৰৰ পৰা পোৱা সহযোগিতা আৰু বিভিন্ন উন্নয়নমূলক প্ৰকল্পসমূহ সফল কৰাৰ ক্ষেত্ৰত চৰকাৰৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাক প্ৰতিফলিত কৰি ভাৰত চৰকাৰৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে (DEA) ১১ টা বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প ৰূপায়ণৰ বাবে ৩১,২১২ কোটি টকা অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে ৰাজ্যখনৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনত প্ৰচেষ্টা অব্যাহত হোৱাটোকে সূচাইছে।

(১৮) কেইটামান মূল বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প (EAP) এনেধৰণৰ—

- ৪৫১০ কোটি টকাৰ 'অসম আন্তঃৰাজ্যিক সংবহন উন্নীতকৰণ প্ৰকল্প'
- ডিমা হাচাও জিলাত ৩৮৭৫ কোটি টকাৰ 'অসম দুৰ্যোগ সহনশীল পাৰ্বত্য এলেকা পথ উন্নয়ন প্ৰকল্প'।
- প্ৰায় ৭৭০ কোটি টকাৰ 'অসম অন্তৰ্দেশীয় জল পৰিবহণ প্ৰকল্প'ৰ অধীনত গুৱাহাটীৰ গে'টৱে ঘাটত আৰু উত্তৰ গুৱাহাটীৰ পৰা উমানন্দ খণ্ডত আৰু মাজুলীৰ নিমাতীত যোৰহাটৰ পৰা অফলামুখ খণ্ডত ৪ টা টাৰ্মিনেল নিৰ্মাণ আৰু অন্যান্য বৃহৎ প্ৰকল্প।

- বেঁকী আৰু বুঢ়ীদিহিং নৈৰ পাৰ সুৰক্ষা আঁচনিৰ বাবে ১১২৩ কোটি টকাৰ 'অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা প্ৰকল্প'।
- ২১৯৭ কোটি টকাৰ প্ৰকল্প ব্যয়েৰে ১২০ মেগাৱাট নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প।
- ৩২৮৪ কোটি টকাৰ অসম বিতৰণ ব্যৱস্থাৰ উন্নীতকৰণ আৰু ক্ষতি হ্ৰাসকৰণ প্ৰকল্প।

**পৰ্যটন সম্ভাৱনা ঃ আমাৰ প্ৰকৃত সুযোগ আৰু ইয়াৰ ক্ৰমাগত একত্ৰীকৰণ**

(১৯) ৰাজ্যখনৰ পৰ্যটন খণ্ডই ২০২২-২৩ বৰ্ষত ঘৰুৱা আৰু বিদেশী পৰ্যটকৰ ক্ষেত্ৰত উল্লেখযোগ্য বিকাশ লাভ কৰিছে। ভৱিষ্যতলৈ এই খণ্ডৰ অধিক প্ৰসাৰৰ বাবে 'নতুন পৰ্যটন নীতি ২০২২' প্ৰস্তুত কৰা হৈছে। পৰ্যটন খণ্ডৰ বিভিন্ন স্থান যেনে কাজিৰঙা, মানাহ ইত্যাদিত ব্যক্তিগত বিনিয়োগক প্ৰসাৰ কৰিবলৈ চৰকাৰে বৃহৎ হস্পিটেলিটী প্ৰকল্পৰ বাবে প্ৰধান হস্পিটেলিটী গোটসমূহৰ সৈতে চুক্তি স্বাক্ষৰ কৰিবলৈ সন্মত হৈছে। পৰ্যটনক উদ্যোগৰ মৰ্যাদা প্ৰদান কৰা কেইখনমান ৰাজ্যৰ ভিতৰত অসমো এখন।

## চৰকাৰী চাকৰি আৰু আমাৰ প্ৰতিশ্ৰুতি

(২০) যুৱ প্ৰজন্মক চৰকাৰী খণ্ডত ১ লাখ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে আমাৰ চৰকাৰ শাসনলৈ আহিছিল। ২০২১ চনৰ ১০ মে'ৰ পৰা চৰকাৰী খণ্ডত ৪১,৯২০ গৰাকী প্ৰাৰ্থীৰ চৰকাৰে নিযুক্তি দিছে। ইয়াৰ উপৰি ৰাজ্য চৰকাৰে আৰু ৪০,০০০ হেজাৰ চাকৰি নিযুক্তিৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। এই পৰ্যায়ো শীঘ্ৰে সমাপ্ত হ'ব।

## অৰুণোদয় ঃ এক প্ৰকৃত সূৰ্যোদয়

(২১) ৰাজ্য চৰকাৰে আৰম্ভ কৰা অৰুণোদয় আঁচনিয়ে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজাত ৰাজ্যৰ কেইবা লাখ লোকক সহায় কৰিছে। এই আঁচনিৰ অধীনত মাহিলি আগবঢ়োৱা ধনৰ পৰিমাণ পূৰ্বৰ ১,০০০ টকাৰ পৰিৱৰ্তে ২০২২ চনৰ

অক্টোবৰৰ পৰা ১২৫০ টকা কৰা হৈছে আৰু ইয়াৰ জৰিয়তে ১৭ লাখ পৰিয়াল উপকৃত হৈছে। ৰাজ্য চৰকাৰে অধিক লোকক অন্তৰ্ভুক্তিৰ নিৰ্দেশনাৰে ২০২২ চনৰ ১৪ ডিচেম্বৰৰ পৰা অৰুণোদয়-২.০ আৰম্ভ কৰিছে। অৰুণোদয় আঁচনিখন বেংক একাউণ্টলৈ পোনপতীয়া ধন যোগানৰ জৰিয়তে ৰাইজক প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত দেশৰ এখন অন্যতম জনপ্ৰিয় আঁচনি হিচাপে পৰিগণিত হৈছে।

## মৌলিক প্ৰয়োজনসমূহ পূৰণ

(২২) ৰাজ্য চৰকাৰে ১৭,০৯,৬২৬ গৰাকী লোকলৈ প্ৰধান মন্ত্ৰী আবাস যোজনা-গ্ৰামীণ (PMAY-G) ৰ অনুমোদন দিছে আৰু ইয়াৰ ভিতৰত ৭,১৫,৬১৮ টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰি গৃহ লাভ কৰা লোকসকললৈ ৰাজ্য চৰকাৰে জলজীৱন অভিযানৰ অধীনত খোৱাপানী সংযোগ, সৌভাগ্য আঁচনিৰ অধীনত বিদ্যুৎ সংযোগ, উজ্জ্বলা আঁচনিৰ অধীনত ৰন্ধন গেছৰ সংযোগ আদিৰ অতিৰিক্ত সুবিধা প্ৰদান কৰিছে।

### সকলোৰে বাবে স্বাস্থ্য

(২৩) ৰাজ্য চৰকাৰে ২০২৬ চনৰ ভিতৰত অসমক উত্তৰ-পূৰ্বাঞ্চলৰ চিকিৎসা সেৱাৰ কেন্দ্ৰস্থলৰূপে গঢ়ি তোলাৰ লক্ষ্যৰে নতুন নতুন চিকিৎসালয়ৰ আন্তঃগাঁথনি গঢ়ি তুলি স্বাস্থ্য খণ্ডক এক বিশেষ গতি প্ৰদান কৰিছে। তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কাৰ্য প্ৰায় শেষ পৰ্যায়ত উপনীত হৈছে। চৰাইদেউ আৰু বিশ্বনাথত দুখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কাম আৰম্ভ হৈছে। গুৱাহাটীত প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্যয়ো যথেষ্ট অগ্ৰগতি লাভ কৰিছে। তদুপৰি, ধেমাজি, তামুলপুৰ, গোলাঘাট, বঙাইগাঁও আৰু মৰিগাঁৱত পাঁচখন নতুন চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰা হৈছে। ছখন চিকিৎসা মহাবিদ্যালয় আৰু জিলা চিকিৎসালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে ছুপাৰ স্পেচিয়েলিটী শাখা স্থাপন আৰু গুৱাহাটীত স্বাস্থ্য ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

**যাতায়াত ব্যৱস্থাৰ জৰিয়তে ৰূপান্তৰ**

(২৪) অসম মালা আঁচনিৰ জৰিয়তে আমাৰ চৰকাৰে ৰাজ্যখনৰ পথ সংযোগ ব্যৱস্থাক উন্নতৰ আৰু সবলতৰ কৰিবলৈ লৈছে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন (SOPD) উপাদানৰ অধীনত ৩৪৩ কিঃ মিঃ দৈৰ্ঘ্যৰ ১৮ টা পথৰ কাম হাতত লোৱা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী পি এছ চি দলঙৰ নিৰ্মাণ কাৰ্য ৬৬ শতাংশ সম্পন্ন হৈছে। পলাশবাৰী-শুৱালকুছি সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত আন এখন গুৰুত্বপূৰ্ণ বৃহৎ দলঙৰ বাবে ৩১৯৭.২০ কোটি টকা মঞ্জুৰ কৰা হৈছে আৰু অতি সোনকালে ইয়াৰ কাম আৰম্ভ হ'ব। গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা পথ আৰু মালিগাঁৱৰ এ টি ৰোডত নিৰ্মীয়মাণ ফ্লাই অভাৰৰ কাম যথাক্ৰমে ৪০ শতাংশ আৰু ৫৮ শতাংশ সম্পূৰ্ণ হৈছে। ইয়াৰ দ্বাৰা আমি আমাৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ 'যাতায়াত ব্যৱস্থাৰ জৰিয়তে ৰূপান্তৰ'ৰ সপোনক বাস্তৱ ৰূপ দিয়াত যথেষ্ট পৰিমাণে সফলতা আহিব।

**সকলোৰে বাবে শিক্ষা**

(২৫) ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ সৈতে সংগতি ৰক্ষা কৰি ৰাজ্য চৰকাৰে ২১৪ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে আৰু আন ৭১৬ খন বিদ্যালয়কো উচ্চতৰ মাধ্যমিকলৈ উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তিনি বছৰীয়া অংগনবাড়ী শিক্ষাক নিম্ন প্ৰাথমিক বিদ্যালয়ৰ দুবছৰীয়া পাঠক্ৰমৰ সৈতে সংমিশ্ৰিত কৰি পাঁচ শ্ৰেণীৰ বুনিয়াদী শিক্ষা হিচাপে নামকৰণ কৰাত চৰকাৰে অনুমোদন দিছে। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পিছত প্ৰথমবাৰলৈ ৰাজ্য চৰকাৰে ১১৯ খন আদৰ্শ বিদ্যালয় স্থাপনৰ বাবে ব্যৱস্থা হাতত লৈছে। ইয়াৰ ভিতৰত ৯৭ খন ২০২২-২৩ শৈক্ষিক বৰ্ষৰ পৰা কাৰ্যক্ষম হৈ পৰিছে আৰু মহামহিম ৰাষ্ট্ৰপতি মহোদয়ে ৰাজ্যৰ চাহ বাগিচাসমূহত আন ১০০ খন আদৰ্শ বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছে। আমি চলিত বৰ্ষৰ ১৮ জানুৱাৰীৰ পৰা ১৮ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত কৰিছোঁ। ইয়াত ৪৪,৫৩১ খন বিদ্যালয়ৰ ৪১,২৮,০৯১ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

(২৬) ২০২১-২২ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ৰাজ্য চৰকাৰে 'প্ৰজ্ঞান ভাৰতী আঁচনি'ৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৩,৫৭,৯০৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাচুল ৰেহাইৰ বাবে ৮,১৭১.৪৭ লাখ টকা মোকলাই দিছে। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি যোগান ধৰিবলৈ ৩,৫৪,২৪১ গৰাকী ছাত্ৰ-ছাত্ৰীক উপকৃত কৰি ৩,৫৪২.৪১ লাখ টকা মোকলাই দিয়া হৈছে।

(২৭) কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰখনত এক নতুন উদ্যম প্ৰদান কৰি বঙাইগাঁও, বিহালী, শুৱালকুছি, নলবাৰী, নগাঁও আৰু ওদালগুৰিত ৬ খন আভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ কামে দ্ৰুত অগ্ৰগতি লাভ কৰিছে। আন ৮ খন নতুন প'লিটেকনিক নিৰ্মাণৰ কামেও দ্ৰুত অগ্ৰগতি লাভ কৰিছে।

**সুদক্ষ অসম**

(২৮) উদ্যোগৰ বাবে সাজু সুদক্ষ কৰ্মী আৰু উদ্যোগী সৃষ্টিৰ লক্ষ্যৰে ৰাজ্যখনৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আই টি আই) আৰু প'লিটেকনিকসমূহক 'উৎকৰ্ষ সাধন কেন্দ্ৰ'লৈ ৰূপান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে টাটা টেকন'লজিচ প্ৰাইভেট লিমিটেডৰ সহযোগত কাম কৰি আছে। অসমৰ যুৱক-যুৱতীসকলক দক্ষ কৰি তোলাৰ উদ্দেশ্যে আই টি ই এডুকেশ্যন ছাৰ্ভিচেছ (আই টি ই ই এছ), ছিংগাপুৰৰ সহযোগত নৰ্থ ইষ্ট স্কিল চেণ্টাৰ স্থাপন কৰা হৈছে। তদুপৰি, মঙলদৈত ১০১৬ কোটি টকাৰ প্ৰকল্প ব্যয়েৰে প্ৰস্তাৱ কৰা দক্ষতা বিশ্ববিদ্যালয় কাম চলি আছে। যুৱক-যুৱতীসকলক দক্ষ কৰি তোলাৰ ফলত এখন আত্মনিৰ্ভৰশীল অসম গঢ়াৰ আমাৰ প্ৰচেষ্টাই নতুন গতি লাভ কৰিব।

**শান্তিৰ এক যুগৰ আমন্ত্ৰণ**

(২৯) যোৱা তিনি দশকজুৰি জাৰি হৈ থকা সেনাবাহিনীৰ (বিশেষ ক্ষমতা) আইন, ১৯৫৮ অসমৰ ২৪ খন জিলা আৰু এটা মহকুমাৰ পৰা ২০২২ চনৰ ১ এপ্ৰিলৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে। ই ৰাজ্যখনলৈ বিকাশ আৰু উন্নয়নৰ প্ৰত্যাৱৰ্তনকে সূচাইছে।

(৩০) আমাৰ যুৱক-যুৱতীসকলৰ ভৱিষ্যতক অন্ধকাৰৰ মুখলৈ ঠেলি দিয়া ড্ৰাগছৰ ভাবুকিৰ বিৰুদ্ধে আমাৰ চৰকাৰে এখন পূৰ্ণাংগ যুঁজ ঘোষণা কৰিছে।

২০২৩ বৰ্ষৰ ২ মাৰ্চলৈ এন ডি পি এছ (NDPS) আইনৰ অধীনত ৫,১৯১ টা গোচৰ ৰুজু কৰা হৈছে ২২১ কিলোগ্ৰাম হিৰোইন, ৬৭,৮৬৪ কিলোগ্ৰাম গাঞ্জা আৰু ৩,৩১৭ কিলোগ্ৰাম পপী ষ্ট্ৰ জব্দ কৰাৰ লগতে ৮,৬৩২ টা ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰা হৈছে। তদুপৰি, ২০২২ বৰ্ষৰ ৩১ ডিচেম্বৰলৈ মানৱ সৰবৰাহৰ ২০৩ টা গোচৰ ৰুজু কৰা হৈছে, ১৭৩ টা মানৱ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৩৫৮ গৰাকী পীড়িতক উদ্ধাৰ কৰা হৈছে।

(৩১) তদুপৰি, অসমৰ শেহতীয়া ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে ২০২২ বৰ্ষটোত এটাও গঁড় চোৰাং চিকাৰীৰ হাতত নিধন নোহোৱাৰ অভিলেখ স্থাপন হৈছে।

(৩২) আমাৰ ধ্বজাবাহী আঁচনিসমূহৰ বিষয়ে জনোৱাৰ পূৰ্বে আহক আমি ৰাজ্যখনৰ অৰ্থনৈতিক সম্ভাৱনা সন্দৰ্ভত চমুকৈ আলোকপাত কৰো।

**অৰ্থনৈতিক দৃশ্যপট**

(৩৩) অধ্যক্ষ মহোদয়, গোলকীয় বিকাশৰ হাৰ ২০২২ চনৰ প্ৰাক্কলিত ৩.৪ শতাংশৰ পৰা ২০২৩ চনত ২.৯ শতাংশলৈ অৱনমিত হ'ব বুলি আৰু তাৰ পিছত ২০২৪ চনত ৩.১ শতাংশলৈ বৃদ্ধি হ'ব বুলি প্ৰক্ষেপ কৰা হৈছে। মুদ্ৰাস্ফীতিৰ মোকাবিলা কৰিবলৈ চেণ্ট্ৰেল বেংকৰ নিৰিখসমূহত ঘটা বৃদ্ধি আৰু ইউক্ৰেইনত ৰাছিয়াই চলোৱা যুদ্ধই অৰ্থনৈতিক কাম-কাজক ভাৰাক্ৰান্ত কৰি ৰাখিছে। চীনত ক'ভিড-১৯ ৰ দ্ৰুত সংক্ৰমণে ২০২২ চনত বিকাশৰ হাৰ অৱনমিত কৰিছিল, কিন্তু শেহতীয়া পুনৰমুক্তকৰণ কাম-কাজে আশা কৰাতকৈ অধিক দ্ৰুততাৰে বিকাশৰ পথ প্ৰশস্ত কৰিছে। গোলকীয় মুদ্ৰাস্ফীতিৰ হাৰ ২০২২ চনৰ ৮.৮ শতাংশৰ পৰা ২০২৩ চনত ৬.৬ শতাংশলৈ আৰু ২০২৪ চনত ৪.৩ শতাংশলৈ অৱনমিত হ'ব বুলি আশা কৰা হৈছে।

**বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো পুনৰ উজ্জীৱিত ভাৰত**

(৩৪) অধ্যক্ষ মহোদয়, প্ৰবল গোলকীয় পশ্চাদমুখী প্ৰৱণতা আৰু কঠোৰ ঘৰুৱা মুদ্ৰানীতি সত্ত্বেও ভাৰতবৰ্ষই স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষত চলিত মূল্যত

আৰু বিদেশী মুদ্ৰা বিনিময় নিৰিখৰ ক্ষেত্ৰত বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতিৰূপে পৰিগণিত হৈছে। যথেষ্ট সাৱধানতাৰে আৰু যত্নসহকাৰে গ্ৰহণ কৰা নীতিসমূহৰ ফলস্বৰূপে এইটো সম্ভৱ হৈছে, যিয়ে মহামাৰীৰ পিছৰ সময়ছোৱাত এক সবল আৰু বহনক্ষম অৰ্থনীতিৰ পুনৰুদ্ধাৰক সুনিশ্চিত কৰিছে। World Economic Outlook (October 2022, IMF)ৰ প্ৰাক্কলন অনুসৰি ভাৰতীয় অৰ্থনীতি হৈছে ২০২২-২৩ বিত্তীয় বৰ্ষত দ্ৰুততম বিকাশশীল বৃহৎ অৰ্থনীতিসমূহৰ অন্যতম, যিটোৱে ভাৰতীয় অৰ্থনীতিৰ সবলতাক প্ৰতিফলিত কৰিছে। ৰাষ্ট্ৰীয় আয় ২০২২-২৩ ৰ প্ৰথম অগ্ৰিম প্ৰাক্কলন (First Advance Estimates) অনুসৰি, ২০২২-২৩ বিত্তীয় বৰ্ষত ভাৰতৰ ৰিয়েল জি ডি পি ৭ শতাংশলৈ বৃদ্ধি হ'ব।

## পুনৰ উজ্জীৱিত অসম

(৩৫) ২০১৭-১৮ বিত্তীয় বৰ্ষৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষৰ সময়ছোৱাত অসমে বৰ্তমানৰ মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) অনুসৰি ১০.২৫ শতাংশ বাৰ্ষিক গড় বিকাশৰ হাৰ অৰ্জন কৰিছে। সমগ্ৰ দেশ আৰু বিশ্বৰ লগতে অসমেও কোভিড-১৯ মহামাৰীৰ সন্মুখীন হৈছিল যদিও ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত ই অন্যতম খৰতকীয়া বিকাশ।

(৩৬) অধ্যক্ষ মহোদয়, এইটো অতি প্ৰশংসনীয় যে আমাৰ চৰকাৰৰ আমোলত মূলধনী ব্যয় যথেষ্ট বৃদ্ধি হৈছে। ২০১৫-১৬ বিত্তীয় বৰ্ষত ৰাজ্যৰ মূলধনী ব্যয় আছিল মাত্ৰ ২৯৫১ কোটি টকা, যিটো ২০২১-২২ বিত্তীয় বৰ্ষত ২০,২৯৯ কোটি টকালৈ বৃদ্ধি হৈছে। যোৱা ছবছৰত এই বৃদ্ধিৰ হাৰ হৈছে প্ৰায় সাত গুণ।

(৩৭) অধ্যক্ষ মহোদয়, স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰখনে বিত্তীয় খণ্ডত বহুতো সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজহ সংগ্ৰহ উল্লেখযোগ্যভাৱে বৃদ্ধি কৰাত এই পদক্ষেপসমূহে এক গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। আজি আমাৰ ৰাজহ সংগ্ৰহ প্ৰতি মাহত ৩৫০০ কোটি টকালৈ বৃদ্ধি পাইছে আৰু চৰকাৰী কৰ্মচাৰীসকলক নিজৰ পুঁজিৰ পৰা বেতন আগবঢ়োৱাৰ বাবে ই পৰ্যাপ্ত।

## অষ্টাদশ মুকুতাৰ উন্নয়নী মালা

(৩৮) অধ্যক্ষ মহোদয়, সকলোৱে এই বিষয়ে জ্ঞাত যে ২০১৭-১৮ বৰ্ষত আমি **'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা'** ধাৰণাটো আৰম্ভ কৰিছিলোঁ। আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা সেই সময়ৰ মাননীয় বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে ভাগৱত গীতাৰ ১৮ টা অধ্যায়ৰ দ্বাৰা অনুপ্ৰাণিত হৈ ১৮ খন আঁচনিৰ এই ধাৰণাটো আৰম্ভ কৰিছিল। এই ১৮ খন ধ্বজাবাহী আঁচনিয়ে আমাৰ চৰকাৰৰ এটা বৰ্ষৰ বিশেষ অগ্ৰাধিকাৰসমূহক প্ৰতিফলিত কৰে।

(৩৯) গুৰুত্ব আৰোপ কৰা কেইটামান ক্ষেত্ৰক চিনাক্ত কৰাৰ অন্তত প্ৰতিটো বিভাগৰ বাবে লক্ষ্য নিৰ্দিষ্ট কৰি আমি এক সংহতকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছো। আমাৰ আঁচনি আৰু আলোচনাসমূহ গভীৰভাৱে অধ্যয়ন কৰি আৰু মুখ্যমন্ত্ৰীৰ কনক্লেভ, মুখ্য সচিবৰ কনফাৰেন্স আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ত অনুষ্ঠিত 'চিন্তন শিবিৰ'ৰ পৰা লোৱা শিকনিৰ লগতে সামাজিক মাধ্যম আৰু তৃণমূল পৰ্যায়ত বহু আলোচনাৰ পৰা জনসাধাৰণ আৰু অন্যান্য অংশীদাৰসকলৰ পৰা সক্ৰিয়ভাৱে মতামত সংগ্ৰহ কৰি এই বৰ্ষত মই **অষ্টাদশ মুকুতাৰ উন্নয়নী মালা**ৰ অধীনত তলত দিয়া আঁচনিসমূহ ঘোষণা কৰিব বিচাৰিছোঁ।

### I. মুখ্যমন্ত্ৰীৰ স্ব-নিয়োজন অভিযান

(৪০) অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ যুৱক-যুৱতীসকলক চৰকাৰী খণ্ডত কৰ্মসংস্থাপন দিয়াৰ সমান্তৰালভাৱে ব্যক্তিগত খণ্ডতো আমাৰ চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু নিম্ন আয়ৰ পৰিয়ালৰ যুৱক-যুৱতীসকলৰ মাজত স্ব-নিয়োজনৰ সুবিধা সৃষ্টি কৰাৰ কাৰণে ক্ষুদ্ৰ উদ্যোগীৰ উন্নয়নৰ বাবে এখন আঁচনি ৰূপায়ণ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।

(৪১) বাণিজ্য, উৎপাদন খণ্ড, সেৱা, খাদ্য সংসাধন, হস্ততাঁত, হস্তশিল্প, কৃষি আৰু ইয়াৰ সহযোগী খণ্ড—পশুপালন, মীন আৰু দুগ্ধ উৎপাদন আদিৰ দৰে উপাৰ্জন সৃষ্টিকাৰী কাম-কাজসমূহত এই আঁচনিখনৰ অধীনত সাহায্য আগবঢ়োৱা হ'ব।

(৪২) অহা তিনি বছৰত ক্ষুদ্ৰ উদ্যোগ স্থাপনত সহায় কৰাৰ বাবে আমি এক লাখ যুৱক-যুৱতীক কিস্তি হিচাপত মুঠ ২ লাখ টকাকৈ এককালীন প্ৰাৰম্ভিক পুঁজি আগবঢ়োৱাৰ প্ৰস্তাৱ কৰিছোঁ। 'বেংক লিংকেজ'ৰ সহায়েৰে সম্ভৱপৰ ক্ষেত্ৰত এই সাহায্যৰ পৰিমাণ যথোপযুক্তভাৱে বৃদ্ধি কৰিব পৰা যাব। যিসকল উদ্যোগীয়ে ইতিমধ্যে 'স্বয়ম' (SVAYEM)ৰ অধীনত 'ক্ৰেডিট লিংকেজ'ৰ সুবিধা লাভ কৰিছে আৰু নিজ ব্যৱসায় সফলতাৰে চলাই আছে তেনে উদ্যোগীসকলক এই আঁচনিৰ অধীনত অগ্ৰাধিকাৰ দিয়া হ'ব।

(৪৩) অধ্যক্ষ মহোদয়, ইয়াৰ উপৰি আমাৰ চৰকাৰে আন এক লাখ উদ্যোগী যুৱক-যুৱতীক সামৰি লোৱাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই যুৱক-যুৱতীসকলক এম এছ এম ই আৰু আন খণ্ডৰ লগত জড়িত প্ৰকল্পৰ বাবে প্ৰকল্পভিত্তিক ৰাজসাহায্য আগবঢ়োৱা হ'ব।

(৪৪) এনেদৰে এই পদক্ষেপৰ অধীনত আগন্তুক তিনি বছৰত মুঠ বিনিয়োগৰ পৰিমাণ হ'ব ৫,০০০ কোটি টকা যিয়ে দুই লাখ নিবনুৱা যুৱক-যুৱতীক নিয়োগ সৃষ্টিকাৰীলৈ ৰূপান্তৰ কৰাৰ সম্ভাৱনীয়তা বহন কৰিব।

(৪৫) মই ইয়াৰ বাবে এই বাজেটত ১,০০০ কোটি টকাৰ আবণ্টন দিছোঁ।

## II. এক লাখ নিযুক্তি

(৪৬) অতি সন্তুষ্টিৰে মই এই পৱিত্ৰ সদনক জনাব বিচাৰিছো যে আমাৰ চৰকাৰে ইতিমধ্যে বিভিন্ন বিভাগত প্ৰায় ৪২,০০০ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰিছে। তদুপৰি, আমাৰ চৰকাৰৰ ২ বছৰ সম্পূৰ্ণ হোৱাৰ লগে লগে ২০২৩ বৰ্ষৰ ১০-২০ মে'ৰ ভিতৰত আন ৪০,০০০

প্ৰাৰ্থীৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব। বৰ্তমান প্ৰায় ১৮,০০০ পদ নিযুক্তিৰ বিভিন্ন পৰ্যায়ত আছে আৰু অতিশীঘ্ৰে এই নিযুক্তিৰ কাম সম্পূৰ্ণ কৰা হ'ব।

(৪৭) বৰ্তমানে থকা মানৱ সম্পদৰ সঠিক ব্যৱহাৰ সুনিশ্চিত কৰাৰ লগতে চৰকাৰী ব্যৱস্থাত পাৰদৰ্শিতা অনাৰ বাবে এটা বিভাগৰ পৰা আন এটা বিভাগলৈ চৰকাৰী কৰ্মচাৰী সালসলনি কৰিবলৈ আমাৰ চৰকাৰে চলিত বৰ্ষত এখন বিধেয়ক উত্থাপন কৰিব। যদিও কৰ্মচাৰীগৰাকীয়ে তেখেতৰ বিভাগটোৰ পে' ৰোলত থাকিব, তথাপিও বেলেগ বিভাগে তেখেতৰ সেৱাৰ সদব্যৱহাৰ কৰিব পাৰিব।

## III. অসম মাইক্ৰ'ফাইনেন্স উদ্‌গনি আৰু সকাহ আঁচনি (AMFIRS)

(৪৮) অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সবল নেতৃত্বত বৰ্তমান চৰকাৰখনে অসম মাইক্ৰ'ফাইনেন্স উদ্‌গনি আৰু সকাহ আঁচনি (AMFIRS), ২০২১ প্ৰবৰ্তন কৰিছিল।

(৪৯) মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছোঁ যে আঁচনিখনৰ শ্ৰেণী-১ আৰু ২ ৰ অধীনত প্ৰায় ১০ লাখ ঋণ লোৱা ব্যক্তিক ১,৭৮৯ কোটি টকাৰ সাহায্য প্ৰদান কৰি আমি আমাৰ প্ৰতিশ্ৰুতি পূৰণ কৰিছোঁ। তেওঁলোকৰ ঋণ বহনৰ যোগ্যতা উন্নত কৰাৰ ক্ষেত্ৰতো ই সহায় কৰিব।

(৫০) মহোদয়, ঋণ গ্ৰহণ কৰা দুৰ্দশাগ্ৰস্ত আৰু অভাৱগ্ৰস্ত মহিলা, যিসকলৰ একাউণ্ট ২০২১ বৰ্ষৰ ৩১ মাৰ্চৰ ভিতৰত বন্ধ হৈ গৈছে, তেওঁলোককো এই বাজেটত আমি সহায় আগবঢ়াব বিচাৰিছোঁ। ২৫,০০০ টকা পৰ্যন্ত ঋণ লোৱাসকলক আমাৰ চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিব। পিছৰ পৰ্যায়ত ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ ওপৰত ভিত্তি কৰি ২৫,০০০ টকাৰ ওপৰত ঋণ লোৱা লোকসকললৈও এই লাভালাভ সম্প্ৰসাৰণ কৰা হ'ব পাৰে।

(৫১) এই পদক্ষেপৰ বাবে মই ৫০০ কোটি টকা ধাৰ্য কৰিছোঁ।

## IV. দৰিদ্ৰতা নিবাৰণ

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ কাম-কাজসমূহে সদায় মহাত্মা গান্ধীৰ বাণীক প্ৰতিফলিত কৰি আহিছে, "যেতিয়াই তুমি দ্বিধাত থাকা, আটাইতকৈ দুখীয়া আৰু দুৰ্বল ব্যক্তিজনৰ মুখখনলৈ মনত পেলোৱা আৰু নিজকে সোধা তুমি লোৱা প্ৰচেষ্টাই ব্যক্তিজনৰ জীৱন আৰু ভাগ্য সলনি কৰিব পাৰিবনে!"

দৰিদ্ৰতা নিৰ্মূল কৰিবৰ বাবে আমি ৪ টা পন্থা গ্ৰহণ কৰিছোঁ—

### a. অৰুণোদয়

(৫২) অৰুণোদয় হৈছে আমাৰ এখন প্ৰধান মহিলাকেন্দ্ৰিক ধ্বজাবাহী আঁচনি। অৰুণোদয়ৰ অধীনত প্ৰতিশ্ৰুতি অনুযায়ী ১৭ লাখতকৈও অধিক ব্যক্তিলৈ প্ৰতিমাহৰ ১০ তাৰিখে ১,২৫০ টকাকৈ বৰ্তমানে প্ৰদান কৰি আহিছে।

(৫৩) মহোদয়, অৰুণোদয় আঁচনিখন সম্প্ৰসাৰণৰ বাবে দিয়া প্ৰতিশ্ৰুতিও আমাৰ চৰকাৰে পূৰণ কৰিবলৈ লৈছে আৰু অৰুণোদয় ২.০ ৰ অধীনত ইতিমধ্যে নতুনকৈ অন্তৰ্ভুক্ত কৰিবলৈ লোৱা ব্যক্তিসকলৰ নথি জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি (DLMC)ৰ দ্বাৰা পৰীক্ষণ প্ৰক্ৰিয়া চলি আছে। উপায়ুক্তসকলে নিৰ্ধাৰিত মাপকাঠীৰ অধীনত তেওঁলোকৰ যোগ্যতা সন্দৰ্ভত সকলো আবেদনকাৰীৰ শপতনামা সংগ্ৰহ কৰিব। সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱাৰ লগে লগে এই আঁচনিৰ অধীনত অতিৰিক্ত ১০ লাখতকৈও অধিক নতুন ব্যক্তিৰ সংযোজনেৰে ইয়াৰ মুঠ সংখ্যা ২৭.৫ লাখ স্পৰ্শ কৰিব।

(৫৪) ৰাজ্যখনৰ 'অন্ত্যোদয়া'ক উপকৃত কৰিবলৈ 'এটা পৰিয়াল-এখন আঁচনি' নীতি অনুসৰণ কৰি আমি 'ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনি' আৰু 'দীনদয়াল দিব্যাংগজন পেঞ্চন আঁচনি' দুখন অৰুণোদয়ত অন্তৰ্ভুক্ত কৰি আছোঁ।

(৫৫) মহোদয়, অৰুণোদয়ৰ অধীনত লাভ কৰা ধনৰ পৰিমাণ চলিত বিত্তীয় বৰ্ষৰ শেষৰফালে ১৫০ টকা বঢ়াই প্ৰতিগৰাকী মহিলালৈ আগবঢ়োৱা এই ধনৰাশিৰ পৰিমাণ মাহিলি ১,৪০০ টকালৈ বৃদ্ধি কৰাৰ বাবে আমাৰ চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

(৫৬) ইয়াৰ দ্বাৰা এই আঁচনিখনৰ বাবে মই ৩,৪২০ কোটি টকা ধাৰ্য কৰিছোঁ।

**b. মুখ্যমন্ত্ৰী আয়ুষ্মান অসম যোজনা**

(৫৭) প্ৰতিগৰাকী নাগৰিকে যাতে ব্যয়সাধ্য আৰু উন্নতমানৰ স্বাস্থ্যসেৱা লাভ কৰিব পাৰে, সেইটো নিশ্চিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা স্বাস্থ্য বীমা আঁচনিখন আমাৰ দীৰ্ঘম্যাদী লক্ষ্য সাধনৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। আমাৰ চৰকাৰৰ এই সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে অসমত আয়ুষ্মান ভাৰত প্ৰধান মন্ত্ৰী জন আৰোগ্য যোজনা ৰূপায়ণ কৰা হৈছে আৰু আৰ্থসামাজিক জাতিপিয়ল, ২০১১ৰ তথ্য অনুসৰি ৩০ লাখ পৰিয়ালক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে।

(৫৮) অৱশ্যে, কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শ অনুসৰি আমি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ তথ্য ভাণ্ডাৰক আধাৰ হিচাপে গ্ৰহণ কৰিছোঁ। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে ৰেচন কাৰ্ড থকা পৰিয়ালৰ ১০০ শতাংশকেই সামৰি লোৱাৰ উদ্দেশ্যে আমাৰ চৰকাৰে মুখ্যমন্ত্ৰী আয়ুষ্মান অসম যোজনা আৰম্ভ কৰি এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ২৭ লাখ অতিৰিক্ত পৰিয়ালক ৫ লাখকৈ টকাৰ নগদবিহীন চিকিৎসা সেৱা লাভৰ সুবিধা প্ৰদান কৰি এই আঁচনিয়ে দেশৰ ভিতৰতেই আটাইতকৈ বৃহৎ স্বাস্থ্যসেৱা আঁচনি হিচাপে পৰিগণিত হৈছে।

(৫৯) যি ক্ষেত্ৰত অটল অমৃত অভিযানে ব্যক্তিগতভাৱে স্বাস্থ্যসেৱাৰ নিশ্চিতি প্ৰদান কৰিছিল, মুখ্যমন্ত্ৰী আয়ুষ্মান অসম আঁচনিখনে সমগ্ৰ পৰিয়ালকেই সামৰি ল'ব।

(৬০) বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰতিটো যোগ্য পৰিয়ালক একোখনকৈ নগদবিহীন কাৰ্ড প্ৰদান কৰা হ'ব। নগদবিহীন কাৰ্ডখন পৰিয়ালৰ হাতত উপলব্ধ নোহোৱালৈকে এই আঁচনিৰ অন্তৰ্ভুক্ত চিকিৎসালয়সমূহত তেওঁলোকে ৰেচন কাৰ্ড দেখুৱাই আঁচনিখনৰ সুবিধা লাভ কৰিব পাৰিব।

(৬১) ইয়াৰ দ্বাৰা এই আঁচনিখনৰ বাবে মই ১৩৫ কোটি টকা ধাৰ্য কৰিছোঁ।

**c. খাদ্য সুৰক্ষাৰ নিশ্চিতি**

(৬২) ২০২২ চনৰ জুন মাহৰ পৰা অসম 'এক ৰাষ্ট্ৰ এক ৰেচন কাৰ্ড' আঁচনিৰ অন্তৰ্ভুক্ত হৈছে।

(৬৩) ২০২২ চনৰ ৭ ডিচেম্বৰত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত আৰু ৪০ লাখ ব্যক্তিক বাছনি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু সেই অনুসৰি তেওঁলোকক নতুন ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এইক্ষেত্ৰত সংশ্লিষ্ট জিলাসমূহক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে আৰু বাছনি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে।

(৬৪) এই বাজেটত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ বাবে মই ৪০৪.৯৪ কোটি টকা ধাৰ্য কৰিছোঁ।

**d. মুখ্যমন্ত্ৰী আৱাস যোজনা ঃ সকলোৰে বাবে গৃহ**

(৬৫) প্ৰধান মন্ত্ৰী আৱাস যোজনা হৈছে সমাজৰ অৰ্থনৈতিকভাৱে দুৰ্বল আৰু নিম্ন আয়ৰ লোকসকলক ব্যয়সাধ্য গৃহ নিৰ্মাণৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে গ্ৰহণ কৰা এখন অভিলাষী আঁচনি।

(৬৬) প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ অধীনত ইতিমধ্যে ২০ লাখতকৈ অধিক ঘৰ জিঅ' টেগ কৰা হৈছে। ইয়াৰ ভিতৰত ১৫.৫ লাখ পৰিয়াল যোগ্য হিচাপে বিবেচিত হৈছে। আমি ভাৰত চৰকাৰৰ পৰা এতিয়ালৈকে ৩.৩ লাখ ঘৰৰ অনুমোদন লাভ কৰিছোঁ আৰু ভৱিষ্যতে এই সংখ্যা অধিক বৃদ্ধি হ'ব বুলি আমি আশা কৰিছোঁ।

(৬৭) 'সকলোৰে বাবে গৃহ' হৈছে আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এক সপোন আৰু তেওঁৰ এই প্ৰচেষ্টাৰ পৰিপূৰক হিচাপে আমাৰ চৰকাৰে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ সম পৰিমাণৰ অৰ্থসাহায্য প্ৰদানেৰে মুখ্যমন্ত্ৰীৰ আৱাস যোজনাখন আৰম্ভ কৰিবলৈ লৈছে।

(৬৮) ২০২৩-২৪ বৰ্ষত এই আঁচনিৰ অধীনত ১ লাখ পৰিয়ালক সামৰি লোৱা হ'ব আৰু ইয়াৰ বাবে মই ৮০০ কোটি টকাৰ আবণ্টন দিছোঁ।

**V. প্ৰজ্ঞান ভাৰতী**

(৬৯) আমাৰ ৰাজ্যত কেইবা দশকৰ অন্তত প্ৰাদেশিকীকৰণৰ জৰিয়তে বহুসংখ্যক উচ্চ মাধ্যমিক বিদ্যালয়ক স্বীকৃতি প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰত বেছিসংখ্যক বিদ্যালয়তে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ পৰিলক্ষিত হৈছিল। বিদ্যালয়সমূহৰ অৱস্থা উন্নত কৰাৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু আজি আমি এই বিদ্যালয়সমূহৰ নিৰ্দিষ্ট মান লাভ কৰিবলৈ সমৰ্থ হৈছোঁ। পুনৰ উজ্জীৱিত অসমত শিক্ষাখণ্ডই প্ৰধান স্থান লাভ কৰিছে যদিও বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ উন্নয়ন আৰু আধুনিকীকৰণৰো প্ৰয়োজনীয়তা আছে।

(৭০) আমি প্ৰায় ৫০০ খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিখনতে ৫ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয় ভৱনৰ আন্তঃগাঁথনি উন্নীতকৰণৰ পৰিকল্পনা হাতত লৈছোঁ। আচবাব, স্মাৰ্ট শ্ৰেণী কোঠা, শিক্ষা-শিক্ষণ সামগ্ৰী আৰু ক্ৰীড়া আন্তঃগাঁথনিৰ বাবে ৫০০ খন উচ্চ মাধ্যমিক বিদ্যালয়লৈ ১ কোটি টকাকৈ যোগান ধৰিম। লক্ষ্য নিৰ্দ্ধাৰিত ৫০০ খন বিদ্যালয়ৰ ভিতৰত বৰ্তমানে থকা ৪০০খন বিদ্যালয়ৰ নৱীকৰণ আৰু আন ১০০ খন নতুন বিদ্যালয় অত্যাধুনিক আন্তঃগাঁথনিৰ সৈতে আদৰ্শ বিদ্যালয় হিচাপে (Model School) নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবে মই এই বাজেটত ২,৫০০ কোটি টকা ধাৰ্য কৰিছোঁ।

(৭১) মহোদয়, আমাৰ চাহ বাগিচা অঞ্চলত শিক্ষাৰ আন্তঃগাঁথনিৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰি চলিত বছৰত আন ১০০ খন নতুন চাহ বাগিচা উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ কাম হাতত লোৱা হ'ব।

(৭২) এই বিদ্যালয়সমূহ নিৰ্মাণৰ বাবে বিভিন্ন আঁচনি, যেনে— PM-DeVINE, RIDF, NESIDS আৰু ৰাজ্যিক বাজেটৰ ধনেৰে একত্ৰিত পুঁজি গঠন কৰা হ'ব।

(৭৩) নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগোৱা আৰু পৰামৰ্শদাতাৰ জৰিয়তে তেওঁলোকৰ মাজত কেৰিয়াৰ সম্বন্ধীয় সজাগতা সৃষ্টিৰ বাবে 'আৰোহণ' নামৰ আঁচনিৰ শুভাৰম্ভ কৰা হৈছে। চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটীৰ কেইবাখনো আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান পৰিদৰ্শন কৰাৰ লগতে মাননীয় মুখ্যমন্ত্ৰীৰ সৈতেও মত বিনিয়োগৰ সুযোগ লাভ কৰিছে। ধাৰাবাহিকতা ৰক্ষা কৰি এইবাৰো প্ৰথম স্থান লাভ কৰি নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীলৈ টেবলেট প্ৰদান কৰা হ'ব আৰু এই টেবলেটসমূহত শৈক্ষিক বিষয়বস্তু যোগানেৰে কেন্দ্ৰীয় এজেন্সী আৰু পৰামৰ্শদাতাৰ সৈতে যুক্ত কৰা হ'ব।

(৭৪) আমাৰ চৰকাৰে প্ৰজ্ঞান ভাৰতীৰ অধীনত বিগত বৰ্ষত গ্ৰহণ কৰা পদক্ষেপ এইবাৰো অধিক সক্ৰিয়তাৰে অব্যাহত ৰাখিব। ইয়াৰ ভিতৰত আছে—

i) চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া চাইকেল প্ৰদান

ii) বিনামূলীয়া পাঠ্যপুথি প্ৰদান

iii) স্নাতক পৰ্যায়লৈকে ছাত্ৰ-ছাত্ৰীসকললৈ পাঠ্যপুথিৰ বাবে সাহায্য প্ৰদান

iv) ডিগ্ৰী, চিকিৎসা বিজ্ঞান আৰু পলিটেকনিক শিক্ষানুষ্ঠানসমূহৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ প্ৰতিমাহে ঊৰ্ধ্বতম ২,০০০ টকালৈকে হোষ্টেল মাচুল ৰেহাই

v) উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা

মেধাৱী ল'ৰা-ছোৱালীলৈ স্কুটি প্ৰদান

vi) চিকিৎসা বিজ্ঞানৰ বাহিৰে অন্যান্য স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতি বছৰে ১০,০০০ টকাৰ যাতায়াতী অনুদান (Mobility Grant) প্ৰদান

vii) দৰিদ্ৰ সীমাৰেখাৰ তলৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মাচুল ৰেহাই

viii) হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীলৈ আনন্দৰাম বৰুৱা বঁটা প্ৰদান আৰু

ix) অনুসূচিত জাতি, অনুসূচিত জনজাতি, সংখ্যালঘু আৰু চাহ বাগিচা সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকললৈ জলপানি প্ৰদান।

x) অভিনন্দন আঁচনি—ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শৈক্ষিক ঋণৰ ক্ষেত্ৰত সাহায্য প্ৰদানৰ ব্যৱস্থা অব্যাহত ৰখা হ'ব।

(৭৫) আমি আইন প্ৰণয়নৰ জৰিয়তে শিৱসাগৰ মহাবিদ্যালয়, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, বঙাইগাঁও মহাবিদ্যালয়, যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়, উত্তৰ লখিমপুৰ মহাবিদ্যালয়, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয় আৰু শিলচৰৰ গুৰুচৰণ মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ উন্নীত কৰিম।

(৭৬) একে সময়তে, অসমৰ মহান মুক্তিযুঁজাৰুলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ চিনস্বৰূপে আৰু উত্তৰ অসমত উচ্চ শিক্ষাৰ মান উন্নত কৰাৰ লক্ষ্যৰে গহপুৰত কনকলতা ৰাজ্যিক বিশ্ববিদ্যালয় নামেৰে এখন নতুন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

(৭৭) ওদালগুৰিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ এটা উপগ্ৰহীয় চৌহদ স্থাপন কৰা হ'ব।

(৭৮) ভৱন আন্তঃগাঁথনিৰ বাবে ধাৰ্য কৰা ধনৰ ওপৰঞ্চি প্ৰজ্ঞান ভাৰতী আঁচনি শিতানত মুঠ ১,২০০ কোটি টকাৰ বাজেট ব্যৱস্থা ৰখা হৈছে।

## VI. অসম নগৰীয়া স্বাস্থ্য অভিযান (AUHM)

(৭৯) অধ্যক্ষ মহোদয়, বিগত বছৰসমূহত সমগ্ৰ ৰাজ্যখনতে গ্ৰামাঞ্চলৰ ওপৰত গুৰুত্ব প্ৰদান কৰি প্ৰাথমিক স্বাস্থ্যসেৱাত সু-ব্যৱস্থা গ্ৰহণেৰে আমি ৰাইজৰ বাবে তিনি তৰপীয়া স্বাস্থ্যসেৱা ব্যৱস্থাৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰিছোঁ। নগৰীয়া অঞ্চলৰ লোকসকলৰ স্বাস্থ্যসেৱাৰ আৱশ্যকতাসমূহ পূৰণ কৰিবলৈ নগৰ অঞ্চলতো প্ৰাথমিক স্বাস্থ্যসেৱাৰ দিশটো অধিক উন্নত কৰাৰ প্ৰয়োজনীয়তা আছে বুলি আমি অনুভৱ কৰোঁ। নগৰাঞ্চলৰ জনসাধাৰণৰ বাবে ব্যয়সাধ্য, সহজলভ্য আৰু মানসম্পন্ন স্বাস্থ্যসেৱা প্ৰদানৰ লক্ষ্যৰে অসম নগৰীয়া স্বাস্থ্য অভিযান (Assam Urban Health Mission) আৰম্ভ কৰিবলৈ মই প্ৰস্তাৱ কৰিছোঁ।

(৮০) এই অভিযানৰ প্ৰধান উপাদানসমূহে বৰ্তমানৰ ব্যৱধানসমূহ চিনাক্তকৰণ, নিৰ্দ্দিষ্ট এলেকা আৰু প্ৰয়োজন ভিত্তিক পদক্ষেপ, ছেকেণ্ডাৰী আৰু টাৰচিয়েৰী স্বাস্থ্যসেৱাৰ সু-সংযোজনেৰে প্ৰাথমিক স্বাস্থ্যসেৱাৰ সম্প্ৰসাৰণক সামৰি ল'ব।

(৮১) ব্যৱধানসমূহ চিনাক্ত কৰিবলৈ সকলো নগৰীয়া স্বাস্থ্যসেৱা সম্পৰ্কীয় সা-সুবিধাৰ বিতং ৰূপৰেখা প্ৰস্তুত কৰা হ'ব। নগৰীয়া অঞ্চলসমূহত প্ৰায় ১,০০০ আশা কৰ্মী সংযোজন কৰিবলৈ আৰু ২০ টা ফাৰ্ষ্ট ৰেফাৰেল ইউনিট গঠন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। ৰুগীয়া নৱজাতক আৰু জন্মতে কম ওজন থকা শিশুসকলক বিশেষ যত্ন ল'বলৈ এনেধৰণৰ প্ৰতিটো ফাৰ্ষ্ট ৰেফাৰেল ইউনিটত বিশেষ নৱজাতকৰ চিকিৎসা সেৱা গোট বা নৱজাতকৰ সুস্থিৰকৰণ গোট (New born Stabilization Unit) গঠন কৰা হ'ব।

(৮২) ছেকেণ্ডাৰী পৰ্যায়ত প্ৰসূতি বিদ্যা সম্পৰ্কীয় সা-সুবিধাৰ উন্নীতকৰণত গুৰুত্ব প্ৰদান কৰা হ'ব। টিকাকৰণ আৰু বিনামূলীয়া ৰোগ নিৰ্ণয়কাৰী সা-সুবিধাসমূহ উন্নত কৰা হ'ব। ৰোগ পৰীক্ষণ আৰু চিকিৎসা সেৱাৰ

ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ ওপৰত গুৰুত্ব প্ৰদানেৰে অসংক্ৰামক ৰোগ সম্পৰ্কীয় সেৱাসমূহ উন্নত কৰা হ'ব।

(৮৩) এই প্ৰস্তাৱিত মিছনে স্বাস্থ্যসেৱাৰ সহজলভ্যতা, ৰোগৰ আগতীয়া চিনাক্তকৰণ, নগৰাঞ্চলৰ লোকসকলৰ চিকিৎসা ব্যয়ৰ ফলপ্ৰসূ হ্ৰাসকৰণ আৰু অপ্ৰত্যাশিত চিকিৎসা ব্যয়ৰ ফলত চহৰৰ দুখীয়া লোকসকলক ঋণগ্ৰস্ততাৰ পৰা ৰক্ষা কৰাটো সুনিশ্চিত কৰিব।

## VII. অসমৰ চাহৰ ২০০ বছৰ

(৮৪) প্ৰায় দুটা শতিকাজুৰি চাহ খণ্ডটো আমাৰ অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে পৰিগণিত হৈছে। এইটো নক'লেও হয় যে নিয়োগ সৃষ্টিৰ ক্ষেত্ৰতো চাহ উদ্যোগৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। আমাৰ জনসংখ্যাৰ অধিকসংখ্যকে চাহৰ ওপৰত নিৰ্ভৰশীল। আনকি আজিও আমাৰ ৰপ্তানিৰ প্ৰায় ৯০ শতাংশ হৈছে চাহ।

(৮৫) আমাৰ চৰকাৰে ২০২৩ বৰ্ষটোত অসমৰ চাহৰ ২০০ বছৰীয়া জয়ন্তী উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ বিচাৰিছে। অসমৰ চাহক এটা ব্ৰেণ্ড হিচাপে প্ৰচাৰ কৰিবলৈ আৰু চাহ শ্ৰমিকসকলৰ চহকী সামাজিক-সাংস্কৃতিক ঐতিহ্যক প্ৰদৰ্শন কৰিবলৈ দেশৰ প্ৰধান মহানগৰসমূহৰ লগতে বিদেশতো আমি ৰ'ড শ্ব' আয়োজন কৰাৰ প্ৰস্তাৱ লৈছোঁ।

(৮৬) চাহ বাগিচাৰ ভূমিৰ সম্ভাৱনীয়তাসমূহ প্ৰয়োগ কৰাৰ বাবে মুকলি কৰা হৈছে আৰু কৃষি আৰু ইয়াৰ সহযোগী খণ্ডৰ বাবে ইয়াক ব্যৱহাৰ কৰা হ'ব।

(৮৭) অসমত অৰ্থডক্স চাহ আৰু বিশেষত্ব থকা চাহ (Specialty Tea)ৰ উৎপাদনক উদ্‌গনি যোগোৱাৰ অৰ্থে 'অসম চাহ উদ্যোগ বিশেষ উদ্‌গনিমূলক আঁচনি, ২০২০' (Assam Tea Industries Special Incentives Scheme, 2020)খন অধিক শক্তিশালী কৰা হ'ব। প্ৰতিশ্ৰুতি অনুসৰি অৰ্থডক্স আৰু বিশেষত্ব থকা চাহৰ উৎপাদন

ৰাজসাহায্যৰ পৰিমাণ প্ৰতিকিলো চাহৰ বিপৰীতে ৭ টকাৰ পৰা ১০ টকালৈ বৃদ্ধিৰ প্ৰক্ৰিয়া চলি আছে। অৱশ্যে অসমৰ চাহৰ ২০০ বছৰীয়া জয়ন্তী উদ্‌যাপন উপলক্ষে মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে ২০২৩-২৪ বিত্তীয় বৰ্ষত প্ৰতিকিলো চাহৰ বিপৰীতে এই উৎপাদন ৰাজসাহায্যৰ পৰিমাণ ১২ টকাকৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ বাবে ১০০ কোটি টকা ধাৰ্য কৰা হৈছে।

(৮৮) তদুপৰি, অহা তিনি বছৰলৈ কৃষি আয়কৰৰ ওপৰত মই কৰ ৰেহাই ব্যৱস্থাৰ সম্প্ৰসাৰণৰ প্ৰস্তাৱ কৰিছোঁ।

(৮৯) চাহ বাগিচাৰ লেবাৰ লাইন, বিশেষকৈ পথসমূহৰ আন্তঃগাঁথনিগত উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।

(৯০) এই বৰ্ষত চৰকাৰে বিশেষ সকাহ হিচাপে বাগিচাৰ লেবাৰ লাইনত বসবাস কৰি থকা চাহ শ্ৰমিকৰ পৰিয়ালসমূহৰ বকেয়া বিদ্যুতৰ বিলৰ ধনৰাশি এককালীন সাহায্য ব্যৱস্থা হিচাপে ৰেহাই দিব। ইয়াৰ বাবে মই ১৫০ কোটি টকা ধাৰ্য কৰিছোঁ।

(৯১) 'অসমৰ চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ বাবে মজুৰি ক্ষতিপূৰণ আঁচনি'ৰ অধীনত ক্ষতিপূৰণৰ পৰিমাণ বৰ্তমানৰ ১২,০০০ টকাৰ পৰা ১৫,০০০ টকালৈ বৃদ্ধি কৰা হ'ব।

(৯২) চাহ বাগিচাসমূহৰ প্ৰধান স্থানসমূহত ৫০০ টা 'মহাপ্ৰভু জগন্নাথ' সমূহীয়া প্ৰেক্ষাগৃহ তথা দক্ষতা কেন্দ্ৰ নিৰ্মাণৰ বাবে আমাৰ চৰকাৰে এই বৰ্ষৰ বাজেটত ২০০ কোটি টকা ধাৰ্য কৰিছে।

(৯৩) 'মুখ্যমন্ত্ৰী আৱাস যোজনা'ৰ অধীনত চাহ বাগিচাৰ লেবাৰ লাইনত ১০,০০০ টা গৃহ নিৰ্মাণ কৰা হ'ব।

(৯৪) অসম চাহ নিগম পৰিসীমিতৰ শ্ৰমিকসকলৰ বৃহত্তৰ স্বাৰ্থৰ কথা মনত ৰাখি ভৱিষ্যনিধিৰ ওপৰত হোৱা সুতৰ বকেয়া ধন পৰ্যায়ক্ৰমে পৰিশোধৰ বাবে আমাৰ চৰকাৰে এই নিগমলৈ সাহায্য অব্যাহত ৰাখিব। এই বছৰত মই ইয়াৰ বাবে ১০০ কোটি টকাৰ আবণ্টন দিছোঁ।

(৯৫) চাহ বাগিচা আৰু আদিবাসী সম্প্ৰদায়ক অন্যান্য পিছপৰা শ্ৰেণীৰ ভিতৰত এটা পৃথক উপ-শ্ৰেণী হিচাপে স্বীকৃতি প্ৰদান কৰা হ'ব। এইক্ষেত্ৰত আইনী চৰ্তাৱলী সাপেক্ষে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত অ' বি চি কোটাৰ ভিতৰত তেওঁলোকৰ বাবে ৩ শতাংশ সংৰক্ষণ ব্যৱস্থা বিবেচনা কৰা হ'ব।

## VIII. সাংস্কৃতিক পৰিচয়ৰ সন্ধান

(৯৬) মহোদয়, আমাৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা সংৰক্ষণ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। আমি আমাৰ পূৰ্বৱৰ্তী বাজেটসমূহত বহু পদক্ষেপ গ্ৰহণ কৰিছিলো। বটদ্ৰৱা থান আৰু নাৰায়ণপুৰস্থিত মাধৱদেৱৰ জন্মস্থানৰ সংৰক্ষণ তথা পৰিচালনাৰ বাবে আমি এটা প্ৰকল্প হাতত লৈছো। এই স্থানসমূহত নিৰ্মাণকাৰ্য এই বৰ্যতে সম্পূৰ্ণ হৈ উঠিব আৰু এই দুয়োটা স্থান কলা, সংস্কৃতি আৰু আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব।

(৯৭) এই বিত্তীয় বৰ্যত অসম দৰ্শন আঁচনিৰ অধীনত আমি ৮০০০ টা নতুন নামঘৰ সামৰি ল'বলৈ প্ৰস্তাৱ কৰিছো। আমি অধিকসংখ্যক পৰ্যটকৰ আগমন তথা সমূহীয়া উৎসৱ উদ্‌যাপন কৰা ধৰ্মীয় প্ৰতিষ্ঠানসমূহক ২.৫ লাখ টকাকৈ প্ৰদান কৰা হ'ব।

(৯৮) তদুপৰি পুনৰুজ্জীৱিত *অসম দৰ্শন* আঁচনিৰ অধীনত প্ৰাচীন ধৰ্মীয় অনুষ্ঠান— ১০০ বছৰতকৈ অধিক পুৰণি নামঘৰ, মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰৰ প্ৰতিটোলৈকে ১৫ লাখ টকাকৈ প্ৰদান কৰা হ'ব। এই আঁচনিৰ বাবে ১৮০ কোটি টকা আবণ্টন দিয়া হৈছে। ইয়াৰ পূৰ্বে ১৩০ খন ধৰ্মীয় অনুষ্ঠানলৈ ১০ লাখকৈ টকা আগবঢ়োৱা হৈছিল।

(৯৯) অধ্যক্ষ মহোদয়, গুৱাহাটীৰ প্ৰাচীন কামাখ্যা মন্দিৰ হৈছে ভাৰতৰ অন্যতম পৱিত্ৰ মন্দিৰ, য'ত প্ৰতিদিনে ১৫,০০০ ভক্তই মন্দিৰ দৰ্শন কৰে। অম্বুবাচী মেলাৰ সময়ছোৱাত প্ৰতিদিনে ইয়াত ২ লাখ লোকৰ সমাগম ঘটে। কাশী-বিশ্বনাথ কৰিড'ৰৰ পৰা অনুপ্ৰাণিত হৈ আমাৰ

চৰকাৰে কামাখ্যা ক'ৰিডৰৰ উন্নয়ন সাধন কৰিবলৈ বিচাৰিছে। ইয়ে ভক্তসকলৰ অহা-যোৱা সহজ কৰি তোলাৰ লগতে ব্ৰহ্মপুত্ৰৰ সৈতে সংযোগকৰণৰ দ্বাৰা পাৰিপাৰ্শ্বিক অৱস্থা উন্নত কৰিব।

(১০০) ৰংঘৰৰ ঐতিহাসিক গৌৰৱ সজীৱ কৰি ৰখাৰ অৰ্থে ৰংঘৰৰ সমীপৰ ৮৩ বিঘা ভূমিৰ এটা এলেকাত আমি পৰ্যটকৰ সা-সুবিধাৰ উন্নয়ন সাধনৰ কাম হাতত লৈছো। ভাৰতৰ প্ৰত্নতাত্ত্বিক জৰীপ বিভাগৰ নীতি-নিয়ম উলংঘা নকৰাকৈ এই কাম সম্পন্ন কৰা হ'ব। ইতিমধ্যে ভূমি অধিগ্ৰহণৰ ধন পৰিশোধৰ বাবে প্ৰায় ৩২ কোটি টকা মুকলি কৰি দিয়া হৈছে। ১০৭ টকা ব্যয়ত এই কাম এপ্ৰিল, ২০২৩ৰ পৰা আৰম্ভ কৰা হ'ব।

(১০১) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ লগত জড়িত গৱেষণা আৰু ডকুমেনটেচনক উদ্‌গনি যোগাবলৈ আমি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত এখন আসন প্ৰতিষ্ঠা কৰিম।

(১০২) গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰয়াত প্ৰতিমা বৰুৱা পাণ্ডেৰ মাটিয়াবাগ ৰাজহাউলী সংৰক্ষণৰ প্ৰয়াস হিচাপে আমাৰ চৰকাৰে উক্ত স্থান অধিগ্ৰহণ কৰি চমজি লৈছে। ইয়াক মেৰামতি কৰি এটা সংগ্ৰহালয় হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা চলি আছে। এইক্ষেত্ৰত কিছু আইনী বাধা আছে যদিও আমাৰ বিশ্বাস যে আমি ইয়াক অতিক্ৰম কৰি ইতিমধ্যে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিবলৈ সক্ষম হ'ম।

(১০৩) বীৰ লাচিত বৰফুকনৰ বীৰত্বৰ কাহিনী দেশৰ চুকে-কোণে প্ৰচাৰ কৰিবলৈ এই মহান অসমীয়া যোদ্ধাগৰাকীৰ বিষয়ে বিশাল আয়োজনেৰে এখন নাটক মঞ্চস্থ কৰাৰ আমি প্ৰস্তাৱ লৈছোঁ। ইয়াত ৫০০ গৰকীতকৈ অধিক বিশিষ্ট শিল্পীয়ে ছত্ৰপতি শিবাজী মহাৰাজৰ বাবে ৰচনা কৰা 'জান্তা ৰাজা' নাটকৰ আলমত নাট মঞ্চস্থ কৰিব। লাচিত বৰফুকনৰ বীৰত্বৰ প্ৰতি জনোৱা শ্ৰদ্ধাঞ্জলি হিচাপে এই নাটকখন সমগ্ৰ দেশতে ব্যাপক ৰূপত প্ৰদৰ্শিত কৰা হ'ব।

(১০৪) এম এল এ এল এ ডি (MLALAD) আৰু শিথিল আঁচনি (Untied Scheme) ৰূপায়ণৰ বাবে থকা নীতি-নিৰ্দেশনাসমূহ আমি সাল-সলনি ঘটাম, যাতে এই আঁচনিসমূহ যোগ্য আঁচনিৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পৰা যায়।

(১০৫) অৰুণোদয় আঁচনিৰ অধীনত আমাৰ সত্ৰসমূহত থকা সকলো উদাসীন ভকতক সামৰি ল'বলৈ আমি প্ৰস্তাৱ লৈছোঁ।

## IX. বাল্য বিবাহ প্ৰতিৰোধ অভিযান

(১০৬) অধ্যক্ষ মহোদয়, আমাৰ দেশৰ এই অংশত শিশু আৰু মাতৃৰ উচ্চ মৃত্যুৰ হাৰ স্বাস্থ্যখণ্ডৰ বাবে এটা উদ্বেগৰ বিষয় হিচাপে পৰিগণিত হৈ আহিছে। আমি এই বিষয়টো অতি গুৰুত্বসহকাৰে লৈ প্ৰসূতি-মাতৃৰ মৃত্যুৰ হাৰ ২০১৪-১৬ বৰ্ষৰ ২৩৭ গৰাকীৰ পৰা ২০১৮-২০ বৰ্ষত ১৯৫ গৰাকীলৈ হ্ৰাস কৰিবলৈ সক্ষম হৈছো। একেদৰে কেঁচুৱাৰ মৃত্যুৰ হাৰ ২০১৪ চনৰ ৪৯ টিৰ পৰা ২০২০ বৰ্ষত ৩৬ লৈ হ্ৰাস কৰিব পৰা হৈছে। বাল্য বিবাহ হৈছে শিশু আৰু মাতৃৰ উচ্চ মৃত্যুৰ হাৰৰ অন্যতম কাৰক।

(১০৭) মহোদয়, মই ইয়াত উল্লেখ কৰিব বিচাৰো যে ৰাজ্যখনত বাল্য বিবাহ বন্ধ কৰাটো কেৱল আৱশ্যকেই নহয়, অতি জৰুৰীও হৈ পৰিছে। সেয়ে আমাৰ চৰকাৰে এই বছৰৰ আৰম্ভণিতে বাল্য বিবাহ আইন, ২০০৬ ৰ উলংঘন কৰাসকলৰ বিৰুদ্ধে ব্যাপক অভিযান আৰম্ভ কৰে। অহা ২০২৬ চনৰ ভিতৰত অসমক সম্পূৰ্ণ বাল্য বিবাহমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আমাৰ চৰকাৰ সময়ে সময়ে এনে অভিযান অব্যাহত ৰাখিবলৈ বদ্ধপৰিকৰ।

(১০৮) সকলো গাঁও পঞ্চায়তৰ সচিবক বাল্য বিবাহ নিবাৰক বিষয়া হিচাপে মনোনীত কৰা হৈছে। তেওঁলোকে বাল্য বিবাহ ৰোধ কৰা, ভুক্তভোগীক সুৰক্ষা দিয়া আৰু অপৰাধীৰ শাস্তি নিশ্চিত কৰাৰ উদ্দেশ্যে এজাহাৰ দাখিল কৰিব।

(১০৯) আমাৰ জিলা আৰক্ষী বাহিনীয়ে প্ৰতি ছমাহৰ মূৰে মূৰে বাল্য বিবাহত জড়িত অপৰাধীৰ বিৰুদ্ধে ব্যাপক অভিযান চলাব।

(১১০) এই অভিযান (মিছন) সময় নিৰ্ধাৰিত ৰূপত ৰূপায়িত হ'ব আৰু বাল্য বিবাহ নিবাৰণী আইন ২০০৬, পোকছো (POCSO) আইন ২০১২, কিশোৰ বিচাৰ (যত্ন আৰু সুৰক্ষা) আইন ২০১৫ (JJA) আৰু শিক্ষাৰ অধিকাৰ আইন ২০০৯ আদি শিশু আৰু মহিলাৰ স্বাৰ্থৰ সৈতে জড়িত বিশেষ আইনসমূহৰ কাৰ্যকৰী বলবৎকৰণৰ বাবে প্ৰাসংগিক চৰকাৰী বিভাগসমূহ, বেচৰকাৰী সংগঠন, হিতৈষী স্বেচ্ছাসেৱী আদিৰ সহযোগত মহিলা আৰু শিশুৰ সৈতে জড়িত সকলো কাৰ্যসূচী আৰু সেৱাক সংযোজিত কৰা হ'ব। এই মিছনে মূলতঃ নিৰীক্ষণ, প্ৰতিষ্ঠানসমূহক শক্তিশালীকৰণ, হেল্পলাইন স্থাপন আৰু ভুক্তভোগীৰ পুনৰ সংস্থাপন আদি বিষয়ত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিব।

(১১১) এগৰাকী মহিলা আৰু মাতৃ হিচাপে মই আহ্বান জনাব বিচাৰিছোঁ যাতে কন্যা সন্তানৰ স্বাৰ্থ বিঘ্নিত কৰা এনে অনৈতিক কাৰ্যত কোনো লোক জড়িত নহয়। মই এই কথা দৃঢ়ভাৱে ক'ব বিচাৰিছোঁ যে কোনো ব্যক্তি যদি এনে অনৈতিক কাৰ্যত জড়িত হয় তেনে ক্ষেত্ৰত কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(১১২) এই নতুন অভিযানক মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনত সামৰি লোৱা হৈছে। তাৰ বাবে মই ২০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।

## X. আমাৰ গাঁও আমাৰ গৌৰৱ

(১১৩) ভাৰতৰ আত্মা অৰ্থাৎ প্ৰকৃত জীৱনী শক্তি গাঁৱত থাকে। গান্ধীজীৰ এই আপ্তবাক্য আজিও সত্য আৰু শুদ্ধ। অসমৰ ৮৬ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে। ৰাজ্যখনত প্ৰায় ২৬,০০০ খন গাঁও আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এনে এখন গাঁৱৰ সপোন দেখে, য'ত জ্যেষ্ঠজনে পথ প্ৰদৰ্শন কৰে আৰু কনিষ্ঠ প্ৰজন্মই উদ্ভাৱনী চিন্তাধাৰাৰে গাঁৱৰ পৰিৱেশৰ উত্তৰণত আগভাগ লয়।

(১১৪) প্ৰতিখন গাঁৱৰ সত্ত্বাক উজ্জীৱিত কৰাৰ লগতে গাঁওবাসীৰ মাজত একাত্মবোধ সৃষ্টি কৰাৰ উদ্দেশ্যে প্ৰতিখন গাঁৱত 'গাঁও প্ৰতিষ্ঠা দিৱস' পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিখন গাঁৱলৈ ৫০০০ টকাকৈ উদ্‌গনিমূলক পুঁজি আগবঢ়োৱা হ'ব।

(১১৫) ন্যূনতম সমৰ্থন মূল্যত ধান আহৰণৰ জৰিয়তে চৰকাৰে ৰাজ্যখনৰ কৃষকসকলৰ আয় বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। ইয়াৰ সৈতে সংগতি ৰাখি, মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে, 'আত্মনিৰ্ভৰ কৃষি'ৰ বাবেও এটি নীতি গ্ৰহণ কৰিবলৈ লৈছো, য'ত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ পুঁজিৰে অসম কৃষি বিপণন পৰিষদ আৰু অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ দ্বাৰা ৰাজ্যৰ কৃষকৰ পৰা উদ্‌গনিমূলক দৰত মিলেট আৰু সৰিয়হ ক্ৰয় কৰা হ'ব।

(১১৬) স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত হস্ততাঁত বস্ত্ৰৰ আহৰণ অব্যাহত থাকিব। আমি চৰকাৰী যোগানৰ বাবে গ্ৰামাঞ্চলৰ পৰা হস্ততাঁত উৎপাদিত বস্ত্ৰ ক্ৰয়ৰ হাৰ বৃদ্ধি কৰিব বিচাৰিছো।

## XI. খেল মহাৰণ আৰু সাংস্কৃতিক মহাসংগ্ৰাম

(১১৭) অধ্যক্ষ মহোদয়, অসম আজি প্ৰত্যাশা আৰু আশাবাদৰ আৰ্হিস্বৰূপ হৈ পৰিছে। চৌদিশে ইতিবাচকতা বিৰাজমান। সামাজিক খণ্ডৰ কাৰ্যসূচীসহ প্ৰতিটো চুকে-কোণে অব্যাহত উন্নয়নমূলক কাম-কাজসমূহে নাগৰিকসকলক উৎসাহিত কৰি তুলিছে। সকলো নেতিবাচকতা পৰিহাৰ কৰা অসমৰ যুৱ সমাজ আজি ইতিবাচকতা আৰু শক্তিৰ প্ৰতীকস্বৰূপ হৈ উঠিছে। বহু ৰূপত ই আজি অনুভূত। বন্ধ-হৰতাল আৰু ধৰ্ণাৰ ঘটনা উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে।

(১১৮) এক লাখ চাকৰি সৃষ্টিৰ প্ৰয়াস, শিক্ষাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিনিয়োগ আৰু স্ব-নিয়োজনৰ প্ৰয়াসলৈ উদ্‌গনিয়ে যুৱসমাজক পুনৰ শক্তিশালী কৰি তুলিছে। একেদৰেই আমি তেওঁলোকক ক্ৰীড়া আৰু

সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তেও জড়িত কৰি ৰাখিব খুজিছো।

(১১৯) আমি গুজৰাটৰ "খেল মহাকুম্ভ"ৰ আৰ্হিত "খেল মহাৰণ" অনুষ্ঠিত কৰিবলৈ পৰিকল্পনা কৰিছো। এই বৃহৎ ক্ৰীড়া অনুষ্ঠান হৈছে তৃণমূল পৰ্যায়ত জনসাধাৰণক জড়িত কৰি প্ৰতিভাৰ চিনাক্তকৰণৰ বাবে অনুকূল পৰিৱেশ সৃষ্টিৰ এক পদক্ষেপ। প্ৰতিযোগিতাসমূহ ৰাজহ গাঁও পৰ্যায়ৰ পৰা উন্নয়ন খণ্ড পৰ্যায়ত আৰম্ভ কৰি তাৰ পিছত জিলা পৰ্যায়ত আৰু সৰ্বশেষত ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানৰ বাবে পাঁচটা খেলৰ বিভাগ চিনাক্ত কৰা হৈছে। ইয়াৰ বাবে প্ৰতিখন ৰাজহ গাঁৱকে এই বছৰ ১০,০০০ টকাকৈ দিয়া হ'ব।

(১২০) অধ্যক্ষ মহোদয়, সেইদৰে "সাংস্কৃতিক মহাসংগ্ৰাম"ৰ অধীনত গাঁও অঞ্চলৰ সাংস্কৃতিক প্ৰতিভাসমূহ চিনাক্তকৰণ আৰু উৎসাহিত কৰিব খোজা হৈছে। এই আঁচনিৰ অধীনত প্ৰতিখন ৰাজহ গাঁৱে ছয়টা শাখা, যেনে-জ্যোতি সংগীত, বিষ্ণু ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, ৰবীন্দ্ৰ সংগীত, জনজাতীয় নৃত্য আৰু বিহুৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। গাঁৱৰ প্ৰতিযোগিতাৰ বিজয়ীসকলে উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত নিজৰ মাজত প্ৰতিযোগিতাত নামিব আৰু সৰ্বশেষত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত ই সমাপ্ত হ'ব। এই বছৰ ইয়াৰ বাবে প্ৰতিখন ৰাজহ গাঁৱক ১০,০০০ টকাকৈ দিয়া হ'ব।

(১২১) এই দুয়োটা পদক্ষেপৰ বাবে মই ৬০ কোটি টকা আবণ্টন দিছো।

## XII. নাৰী সবলীকৰণকেন্দ্ৰিক আন্দোলন পুনৰ্জীৱিতকৰণ

(১২২) মহোদয়, আত্মসহায়ক গোট গঠনৰ দ্বাৰা নাৰী সবলীকৰণৰ বাবে অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান সমিতি (ASRLMS) ৰ অধীনত চলোৱা আমাৰ প্ৰচেষ্টা হিচাপে অসমৰ ৩৬.৩৫ লাখতকৈ অধিক পৰিয়ালক সামৰি ৩.২৭ লাখ আত্মসহায়ক গোট গঠিত হৈছে।

(১২৩) তদুপৰি, আত্মসহায়ক গোটৰ মহিলাসকলৰ সম্ভাৱনীয়তাক লক্ষ্যত

ৰাখি মহিলা উদ্যমীৰ ক্ষেত্ৰত আমাৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিব খুজিছে। আত্মসহায়ক গোটৰ সৈতে জড়িত প্ৰতিগৰাকী মহিলাকে ঘৰুৱাভিত্তিক উদ্যমীলৈ ৰূপান্তৰিত কৰিবলৈ উৎসাহিত কৰা হ'ব। এই প্ৰক্ৰিয়া খৰতকীয়াভাৱে আৰম্ভ কৰিবলৈ প্ৰতিগৰাকী আত্মসহায়ক গোটৰ সদস্যৰে নিজা বেংক একাউণ্ট থকাটো আমি নিশ্চিত কৰিম।

(১২৪) আত্মসহায়ক গোটৰ প্ৰতিগৰাকী সদস্যৰে তেনে বেংক একাউণ্টত ১,০০০ টকাকৈ আমি বিতৰণ কৰিম যাতে বেংক একাউণ্ট সক্ৰিয় কৰি ৰাখিবলৈ আৰু ব্যৱসায়ৰ প্ৰকল্প প্ৰস্তাৱ আগবঢ়াবলৈ তেওঁলোক অনুপ্ৰাণিত হয়। যদিহে তেনে প্ৰকল্প প্ৰস্তাৱ অনুমোদিত হয় তেনেহ'লে সেইগৰাকী মহিলাই পৰৱৰ্তী বৰ্ষত ১০,০০০ টকা লাভ কৰিব যাতে তেওঁৰ ব্যৱসায়ক এক সফল ঘৰুৱা উদ্যোগলৈ পৰিৱৰ্তন কৰিব পাৰে। এই সকলো লেনদেন প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (ডি.বি.টি) পদ্ধতিত হ'ব। এই প্ৰয়াসৰ যোগেদি আমি ৩০ লাখ মহিলা উদ্যমী সৃষ্টিৰ বাবে পৰিকল্পনা কৰিছো।

(১২৫) মহোদয়, মাতৃ আৰু শিশুৰ বাবে যতন অংগনবাড়ী কেন্দ্ৰৰ যোগেদি প্ৰদান কৰা হয়। ইয়াৰ গুৰুত্ব উপলব্ধি কৰি, আমাৰ চৰকাৰে চলিত বছৰত প্ৰায় ৫,০০০ অংগনবাড়ী কেন্দ্ৰ স্থাপন সম্পূৰ্ণ কৰিব।

(১২৬) প্ৰায় ১,১৩,৮২০ গৰাকী বিধৱাই ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন ৰূপে প্ৰতি মাহে ৩০০ টকাকৈ লাভ কৰে। আমি এই বিধৱাসকলৰ তালিকা পৰীক্ষা কৰি যিসকল ইতিমধ্যে 'অৰুণোদই'ৰ অন্তৰ্ভুক্ত হোৱা নাই, তেওঁলোকক প্ৰতি মাহে মুঠ ১,২৫০ টকাকৈ যোগান ধৰাৰ লগতে ৯৫০ টকাৰ 'টপ-আপ' প্ৰদান কৰা হ'ব।

## XIII. বিকাশৰ পথ সৃষ্টি

(১২৭) বিকাশৰ পথ সৃষ্টিৰ বাবে ৰাস্তা-ঘাট আৰু দলং নিৰ্মাণৰ প্ৰকল্প অতিশয় গুৰুত্বপূৰ্ণ। গুৱাহাটী-উত্তৰ গুৱাহাটী দলঙৰ কাম খৰতকীয়াকৈ

আগবাঢ়িছে আৰু পলাশবাৰী-শুৱালকুছি দলং, মাজুলী দলং, পাগলাদিয়া দলং, লক্ষিমপুৰ-ঘূণাসুঁতি দলঙৰ প্ৰস্তুতিৰ কাম সঠিক পথত আগবাঢ়িছে।

(১২৮) বিগত বৰ্ষৰ বাজেটত মই ৪ খন ধ্বজাবাহী সংযোগী আঁচনিৰ ঘোষণা কৰিছিলো। "মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি"ৰ অধীনত ১,২৬০ কিঃ মিঃ পথৰ উন্নীতকৰণৰ কাম চলি আছে। "মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনি"ৰ অধীনত ৯০ কিঃ মিঃ কাম আগবাঢ়িছে আৰু "মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনি"ৰ অধীনত ১,৮৪৯ কিঃ মিঃ পথ উন্নয়নৰ কাম কৰা হৈছে। মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত চৰকাৰে সংযোগহীন যোগ্য বসতিস্থল অথবা বৰ্তমানৰ অতিশয় জৰাজীৰ্ণ পথ সংযোগ থকা বসতিস্থলৰ বাবে ৩,০০০ কিঃ মিঃ দৈৰ্ঘ্যৰ ২,০০০ নতুন পথ প্ৰদান কৰিব। শেহতীয়াভাৱে অনুষ্ঠিত হোৱা স্থানীয় নিকায়ৰ নিৰ্বাচনত ৰাইজে আমাক অভূতপূৰ্ব জনাদেশেৰে আশীৰ্বাদ দিছিল। উন্নত পৌৰ সংযোগৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ আমাৰ চৰকাৰে "মুখ্যমন্ত্ৰীৰ নগৰীয়া পথ পকীকৰণ আঁচনি" নামৰ এখন নতুন ধ্বজাবাহী আঁচনি ঘোষণা কৰিম।

(১২৯) যোৱা বছৰ ঘোষণা কৰা চাৰিখন ধ্বজাবাহী সংযোগী আঁচনিৰ অধীনত চলিত বছৰত অতিৰিক্ত ৩,০০০ কিঃ মিঃ পথ নিৰ্মাণ কৰা হ'ব।

## XIV. ৰাজহুৱা সেৱা অধিকাৰ আয়োগ

(১৩০) মই সদনৰ সন্মানীয় সদস্যসকলক অৱগত কৰিবলৈ পাই সুখী হৈছো যে 'অসম ৰাজহুৱা সেৱাৰ অধিকাৰ আইনৰ অধীনত এতিয়ালৈকে ৪৮ লাখ আবেদন নিস্পত্তি কৰা হৈছে।

(১৩১) তদুপৰি, ৰাজহুৱা সেৱা অধিকাৰ (RTPS) পৰ্টেলত আমি প্ৰতিশ্ৰুতি দিয়া ৯৫ টা সেৱাৰ লগত ২০২৩ ৰ মাৰ্চলৈকে ৩০০ সেৱা যোগ দিয়া হ'ব। ৰাজহুৱা সেৱা প্ৰদানত প্ৰযুক্তিৰ বৰ্দ্ধিত ব্যৱহাৰ আৰু স্বচ্ছতাৰ বাবে থকা আমাৰ দায়বদ্ধতাক ই প্ৰতিফলিত কৰে। মিশ্যন বসুন্ধৰাৰ

অনলাইন সেৱাও ৰাজহুৱা সেৱা অধিকাৰ পৰ্টেলৰ যোগেৰে সম্প্ৰসাৰিত কৰা হৈছে।

(১৩২) ৰাজহুৱা সেৱা অধিকাৰ পৰ্টেলক সকলো চৰকাৰী সেৱাৰ ক্ষেত্ৰত একক প্ৰবেশ বিন্দু ৰূপে উন্নীত কৰি 'সেৱা সেঁতু' নামেৰে পুনৰ নামকৰণ কৰা হৈছে।

(১৩৩) অসম ৰাজহুৱা সেৱা অধিকাৰ আইন নিৰ্দেশিত ৰাজহুৱা সেৱা প্ৰদানৰ নিৰ্দ্ধাৰিত সময়সীমা পালন আৰু চৰকাৰী কৰ্মচাৰীৰ দায়বদ্ধতা সংক্ৰান্তত আমাৰ চৰকাৰে 'অসম ৰাজ্যিক ৰাজহুৱা সেৱাৰ অধিকাৰ আয়োগ' গঠন কৰিব। নিৰ্দ্ধাৰিত সময়ত জাননীকৃত সেৱা আগবঢ়াবলৈ অক্ষম হোৱা মনোনীত বিষয়াসকলক শাস্তি দিয়াৰ বাবে আয়োগৰ অধিকাৰ থাকিব।

## XV. আমাৰ কৰ্মচাৰীৰ কাষত— আপোন ঘৰ, আপোন বাহন

(১৩৪) অধ্যক্ষ মহোদয়, প্ৰতিজন বেতনভোগী কৰ্মচাৰীয়ে এটা নিজা ঘৰ আৰু এখন বাহনৰ সপোন দেখে। এই প্ৰয়োজনীয়তাক স্বীকৃতি দি আমি 'আপোন ঘৰ' আঁচনি আৰম্ভ কৰিছিলো। এতিয়ালৈকে মুঠ ৪,৯৮৪ কোটি টকা ঋণ বন্দোবস্তিৰে ৩৬,১৫৯ গৰাকী কৰ্মচাৰী ইয়াৰ অধীনত উপকৃত হৈছে। গৃহ নিৰ্মাণ ঋণৰ সূদ শিতানত অনুদানৰ বাবে আমি ৩৮৪ কোটি টকা ব্যয় বহন কৰিছো। অহা বছৰো আমি এই আঁচনি অব্যাহত ৰাখিম। ইয়াৰ বাবে মই বাজেটত ১০৮ কোটি টকা প্ৰস্তাৱ কৰিছোঁ।

(১৩৫) এখোজ আগুৱাই, আমি 'আপোন বাহন' আঁচনিখন প্ৰৱৰ্তন কৰিছো যাৰ যোগেদি মটৰ গাড়ী ঋণৰ ক্ষেত্ৰত চৰকাৰী কৰ্মচাৰীসকলে ২% ঋণ ৰেহাইৰ সুবিধা লাভ কৰিব। মহিলা আৰু দিব্যাংগজনৰ বাবে ই ৩% লৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ বাবে মই ১২ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

অধ্যক্ষ মহোদয়, চিকিৎসাজনিত ব্যয় পৰিশোধ ব্যৱস্থাৰ সৰলীকৰণৰ বাবে, মুখমন্ত্ৰী লোক সেৱা আৰোগ্য যোজনা প্ৰৱৰ্তন কৰা হ'ব। চৰকাৰী কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল সকলে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত চিকিৎসাজনিত ব্যয় আদায়ৰ বাবে তথ্য প্ৰযুক্তিৰ সমৰ্পিত পৰ্টেলৰ সুবিধা লাভ কৰিব।

## XVI. নতুন আন্তঃগাঁথনিৰ প্ৰয়াস

(১৩৬) মই ইতিমধ্যে বাহ্যিকভাৱে সমৰ্থিত প্ৰকল্প (EAP) ৰ দৰে কেবাটাও গুৰুত্বপূৰ্ণ মূলধনী প্ৰকৃতিৰ প্ৰকল্পৰ কথা উল্লেখ কৰিছোঁ যিসমূহে আন্তঃগাঁথনি সৃষ্টিৰ ক্ষেত্ৰত মাপকাঠি নিৰ্ধাৰণ কৰিছে। নিদা (NABARD Infrastructure Development Assistance )ৰ অধীনত ১০,০০০ কোটি টকাৰ প্ৰকল্পৰে পৰিবহণ, পৰ্যটন, শিক্ষা আৰু অন্যান্য সামাজিক খণ্ডসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ কাম হাতত লোৱা হৈছে। মহোদয়, মই উল্লেখ কৰিব খোজোঁ যে ২০২৩-২৪ বৰ্ষত আন কেতবোৰ আন্তঃগাঁথনিমূলক প্ৰকল্প সম্পূৰ্ণ কৰি তোলা হ'ব।

(১৩৭) অসম মালা কাৰ্যসূচীৰ অধীনত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ হৈ আছে। ইয়াৰ ভিতৰত এছ অ' পি ডি, বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প আৰু নিদা অন্তৰ্ভুক্ত হৈ আছে।

(১৩৮) এছ অ' পি ডিৰ অধীনত ১৮ টা চুক্তি পেকেজৰ জৰিয়তে ৩৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ১৪টা পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰে ১১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ  পাঁচটা কাম সম্পূৰ্ণ হৈ উঠিছে। বাকীকেইটা পেকেজৰ কাম অগ্ৰগতিৰ বিভিন্ন পৰ্যায়ত আছে আৰু ২০২৪ চনৰ ভিতৰত প্ৰায়কেইটা কাম সম্পূৰ্ণ হৈ উঠিব।

(১৩৯) অসম মালা (এছ অ' পি ডি) কামৰ বাবে এতিয়ালৈকে ১,৮৬১. ২০ কোটি টকা মুকলি কৰি দিয়া হৈছে আৰু ১৫ মাৰ্চ, ২০০৩ লৈকে ১,৪৬৫.২৩ কোটি টকা ব্যয় হৈছে।

(১৪০) Assam Secondary Road Network Improvement Project (ASRIP) ৰ অধীনত এছিয়ান ইনফ্ৰাষ্ট্ৰাকছাৰ ইনভেষ্টমেণ্ট বেংকৰ ৩,৫১৯.২৭ কোটি টকাৰ অৰ্থ সাহায্যত ২৪৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৮ টা পথ নিৰ্মাণৰ কাম চলি আছে। ইয়াত ঐতিহাসক ধোদৰ আলিও অন্তৰ্ভুক্ত হৈ আছে।

(১৪১) এ এছ চি চি আই পিৰ অধীনত ৩,৯৯৪ কোটি টকা ব্যয় সাপেক্ষে ৩১২.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত পাহাৰীয়া জিলা ডিমা হাচাও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ লগতে বিটিআৰ আৰু বৰাক উপত্যকাৰ একোটাকৈ মূল পথো অন্তৰ্ভুক্ত হৈ আছে।

(১৪২) নিদাৰ অধীনত ১,২৫২.১৪ কোটি টকা ব্যয়েৰে ১৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পাঁচটা পথ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে। এই আঁচনিত গোলাঘাট জিলাৰ বিখ্যাত পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথো অন্তৰ্ভুক্ত হৈ আছে। এই আটাইবোৰ আঁচনিৰ কাম আৰম্ভ হৈছে।

(১৪৩) গুৱাহাটী ৰিং ৰোডক বাস্তৱায়িত কৰিবলৈ আমি যথেষ্ট কষ্ট কৰি আছোঁ। এই প্ৰকল্পত খানাপাৰাৰ পৰা নাৰেংগীলৈ, বাইহাটা চাৰিআলি, দুমুনীচকী, কুৰুৱাৰ মাজেৰে ৯১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হ'ব য'ত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ নাৰেংগীৰ সৈতে উত্তৰপাৰৰ কুৰুৱা সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত এখন ছয়লেনযুক্ত দলঙো অন্তৰ্ভুক্ত আছে। ধুবুৰী ফুলবাৰী দলঙৰ উপৰিও শুৱালকুছিৰ সৈতে পলাশবাৰীক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত ৩,১৯৭.২০ কোটি টকাৰে আন এখন গুৰুত্বপূৰ্ণ দলঙৰো অনুমোদন দিয়া হৈছে আৰু ইয়াৰ নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ হ'ব।

(১৪৪) কাজিৰঙাৰ বন্যপ্ৰাণীৰ আহ-যাহৰ সুবিধাৰ্থে উৰণীয়া সেতু নিৰ্মাণৰ বাবে ধনৰ মঞ্জুৰি আৰু যাৱতীয় অনুমোদন প্ৰক্ৰিয়া চূড়ান্ত পৰ্যায়ত আছে।

(১৪৫) ব্ৰহ্মপুত্ৰৰ ওপৰত ৯২৫ কোটি টকা ব্যয় সাপেক্ষে মাজুলী আৰু

যোৰহাট সংযোগী দলং নিৰ্মাণ, ৯৬৯.১৫ কোটি টকা ব্যয়েৰে মাজুলীৰ বালি চাপৰিৰ পৰা লখিমপুৰৰ বঙালমাৰাৰ মাজত লুইত আৰু সোঁৱণশিৰি নৈৰ ওপৰত দুখন গুৰুত্বপূৰ্ণ দলংসহ পথ উন্নয়ন আৰু ২৪৮ কোটি টকা ব্যয় সাপেক্ষে কুমাৰীকাটা আৰু নয়াবস্তিৰ মাজত পাগলাদিয়া নৈৰ ওপৰত গুৰুত্বপূৰ্ণ দলঙৰ নিৰ্মাণকাৰ্য পূৰ্ণ গতিত চলি আছে।

(১৪৬) নিৰ্মাণৰ বাবে প্ৰস্তাৱিত কিছু গুৰুত্বপূৰ্ণ উৰণীয়া সেতু হৈছে—

(ক) গোপীনাথ বৰদলৈ পথত চাৰি লেনযুক্ত এলিভেটেড পথ।

(খ) গুৱাহাটী গড়ভাঙ্গা পথৰ চাইকেল ফেক্টৰী সংযোগত উৰণীয়া সেতু।

(গ) আৰ কে চৌধুৰী পথৰ ফটাশিল চাৰিআলিত উৰণীয়া সেতু।

(ঘ) জি এছ ৰোডৰ ডাউন-টাউন হাস্পতালৰ সমীপত আৰু ৰাজীৱ ভৱনৰ সমীপত উৰণীয়া সেতু।

(ঙ) কামাখ্যা মন্দিৰলৈ বিকল্প এলিভেটেড পথ।

(চ) দীপৰ বিলৰ সমীপৰ হস্তীদণ্ডীৰ স্থানত হাতীৰ আহ-যাহৰ বাবে অধঃপথ (Underpass)।

(ছ) গুৱাহাটীত শ্বহীদ স্মাৰক সংযোগী পথ আৰু কইনাধৰা পথৰ মাজত দীপৰ বিলৰ ওপৰেৰে এলিভেটেড পথ।

(জ) যোৰহাটত বৰুৱা চাৰিআলিৰ পৰা ভোগদৈ দলঙলৈ উৰণীয়া সেতু।

(ঞ) আমোলাপট্টি ৰে'লৰে ক্ৰছিঙত উৰণীয়া সেতু।

(ট) মানকটা ৰে'লৰে ক্ৰছিংত উৰণীয়া সেতু।

(ঠ) ডিব্ৰুগড়ৰ লাহোৱাল ৰে'লৰে ক্ৰছিঙত উৰণীয়া সেতু।

(ড) ডিফুত ডিফু ষ্টেডিয়ামৰ পৰা ডিফু প্ৰধান ডাকঘৰলৈ উৰণীয়া সেতু।

(ণ) শিলচৰ কালাইন পথত এলিভেটেড পথ।

(ত) অসম মালাৰ অধীনত ৪ টা পথ কৰিডৰ নিৰ্মাণৰ পদক্ষেপ লোৱা হৈছে।

(১৪৭) ডিব্ৰুগড়, কাছাৰ, তেজপুৰ আৰু যোৰহাট চহৰৰ মাজমজিয়াত অৱস্থিত জিলা কাৰাগাৰসমূহ স্থানন্তৰ কৰা হ'ব যাতে ৰাইজৰ বাবে উদ্যানৰ আৰ্হিত নগৰীয় মুকলি স্থানৰ সৃষ্টি কৰিব পৰা যায়। কেবাটাও নতুন জিলা পুথিভঁৰাল, আৱৰ্ত ভৱন নিৰ্মাণ কৰা হ'ব।

(১৪৮) বৰ্তমানৰ নেহৰু ষ্টেডিয়ামখনক অধিক শক্তিশালী কৰা হ'ব। ইয়াৰ জৰিয়তে খনিকৰ সংহত ক্ৰীড়া চৌহদৰ আসনৰ সংখ্যা ৫,০০০ ৰ পৰা ১৫,০০০ হাজাৰলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা লোৱা হৈছে। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনৰ পুনৰ নিৰ্মাণ কৰা হ'ব। গুৱাহাটী মহানগৰীত হ'বলগীয়া কেইটামান উল্লেখনীয় নতুন আন্তঃগাঁথনি হৈছে অত্যাধুনিক আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়, শংকৰদেৱ কলাক্ষেত্ৰ আৰু আই টি এ মাছখোৱাত ৫,০০০ আসনযুক্ত প্ৰেক্ষাগৃহ। কৰিমগঞ্জ আৰু শিৱসাগৰত ২খন নতুন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ আৰম্ভ হ'ব।

(১৪৯) ২,১৬৫.৫৬ লাখ টকা ব্যয় সাপেক্ষ নতুন দিল্লীৰ দ্বাৰকাত নতুন অসম ভৱন, ৬,৬১০.২৮ লাখ টকা ব্যয় সাপেক্ষে নতুন দিল্লীৰ অসম ভৱন আৰু ৯,৯৯১.২৩ লাখ টকা ব্যয় সাপেক্ষে কলকাতাত অসম ভৱন নিৰ্মাণৰ কাম আৰম্ভ হৈছে। বাংগালুৰুত অসম ভৱন নিৰ্মাণৰ কাম এই বছৰতে সম্পূৰ্ণ হ'ব আৰু ভেলোৰত অসম ভৱনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। গুৱাহাটীত শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণৰ কাম এই বৰ্ষতেই সম্পূৰ্ণ হ'ব।

(১৫০) মহোদয়, চলিত বছৰত আমাৰ বিধানসভা ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব। এই বছৰতে শিৱসাগৰত টাই আহোম সংগ্ৰহালয়ৰ মেৰামতিৰ কাম আৰম্ভ হ'ব।

(১৫১) আমাৰ চৰকাৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা স্থাপন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। ইয়াৰ জৰিয়তে ২৫০ কোটি টকা ব্যয় সাপেক্ষে এটা অত্যাধুনিক বন্যপ্ৰাণী স্বাস্থ্য আৰু পুনৰ সংস্থাপনৰ সুবিধা যুক্ত প্ৰতিষ্ঠান স্থাপন কৰা হ'ব আৰু কাজিৰঙা, মানাহ আৰু তেজপুৰত ইয়াৰ তিনিটা উপকেন্দ্ৰ থাকিব।

(১৫২) লোকনিৰ্মাণৰ বিভাগৰ অধীনত পথ আৰু ভৱনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিভিন্ন শিতানত ১৫,১০২ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছো।

## XVII. অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান খণ্ডলৈ সমৰ্থন

(১৫৩) উদ্যমিতাৰ বিকাশ আৰু নিয়োগ সৃষ্টিত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান খণ্ডৰ গুৰুত্বক আমি স্বীকৃতি দিওঁ।

(১৫৪) মুখ্যমন্ত্ৰীৰ 'লঘু উদ্যোগ উদ্‌গনি আঁচনি' শীৰ্ষক এখন নতুন আঁচনি গ্ৰহণ কৰা হৈছে যাৰ জৰিয়তে পোনপতীয়াকৈ ঋণদাতা বেংকলৈ ক্ৰেডিট সংযোগী ৰাজসাহায্য প্ৰদানৰ মাধ্যমত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান খণ্ডলৈ মূলধনী উদ্‌গনিমূলক সাহায্য দিয়া হ'ব। এই আঁচনিৰ অধীনত উদ্যোগীৰ স্থিৰ মূলধনী বিনিয়োগৰ ১০ শতাংশ মূলধনী ৰাজসাহায্য হিচাপে প্ৰতিগৰাকী উদ্যোগীক সৰ্ব্বাধিক ৫০ লাখ টকা পৰ্যন্ত আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হৈছে। আশা কৰা হৈছে যে ইয়াৰ ফলত তিনি হাজাৰৰ অধিক নতুন সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানৰ সৃষ্টি হ'ব, য'ত প্ৰায় ২৫,০০০ পোনপটীয়া নিয়োগৰ সম্ভাৱনা থাকিব।

(১৫৫) 'মুখ্যমন্ত্ৰীৰ এম এছ এম ই ঋণ ৰেহাই আঁচনি' (Chief Minister's MSME Interest Subvention Scheme) শীৰ্ষক আন এখন নতুন আঁচনি হাতত লোৱা হৈছে। ইয়াৰ জৰিয়তে টাৰ্ম/ৱৰ্কিং মূলধনী সুত ৰাজসাহায্যৰ দ্বাৰা সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান খণ্ডলৈ সকাহ প্ৰদানৰ ব্যৱস্থা লোৱা হ'ব। এই আঁচনিৰ অধীনত ঋণ সংযোগী ৰাজসাহায্যৰ দ্বাৰা হিতাধিকাৰীলৈ ৩ শতাংশ সুত ৰেহাই দিয়া হ'ব। এই আশা কৰা হৈছে যে বেংকৰ পৰা সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান খণ্ডলৈ ১৭০০ কোটি টকাৰ ঋণ বৰ্হিপ্ৰবহন হ'ব আৰু ৬০০০ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান পোনপটীয়াকৈ উপকৃত হ'ব।

(১৫৬) আমি সকলোৱে জানো যে, চৰকাৰে হাতত লোৱা পদ্ধতিগত সংস্কাৰৰ

বাবে আমাৰ ৰাজ্যত ঋণ উপলব্ধতা ক্ৰমান্বয়ে উন্নত হৈছে। ঋণ বৰ্হিপ্ৰবহন বৃদ্ধিৰ বাবে অসম চৰকাৰে SIDBI ৰ সহযোগত 'সূক্ষ্ম আৰু ক্ষুদ্ৰ প্ৰতিষ্ঠানৰ বাবে অসম ঋণ নিশ্চয়তা পুঁজি ন্যাস' (CGTMSE) আঁচনি হাতত লৈছে। ইয়াৰ জৰিয়তে অপ্ৰত্যাশিত পৰিস্থিতিত হিতাধিকাৰীয়ে ঋণ ঘূৰোৱাত বিফল হ'লে চৰকাৰে CGTMSE আঁচনিলৈ অতিৰিক্ত সাহায্য প্ৰদান কৰি ১০০ শতাংশ ঋণ ওভতাই দিয়াৰ বাবে বেংকসমূহক নিশ্চয়তা প্ৰদান কৰিব।

(১৫৭) চৰকাৰে ঔদ্যোগিক গোটসমূহৰ বৰ্ধিত শক্তিৰ প্ৰয়োজনীয়তা চিনাক্ত কৰিছে আৰু সেয়ে ঔদ্যোগিক গোটসমূহৰ দ্বাৰা নবীকৰণযোগ্য শক্তিৰ উৎপাদন আৰু ব্যৱহাৰত নিৰন্তৰভাৱে উৎসাহিত কৰি আহিছে। ৰাজ্য চৰকাৰে নতুন এম এছ এম ই উদ্‌গনি আঁচনিৰ অধীনত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠান গোটসমূহ (নতুন আৰু বৰ্তমানে থকা)ৰ বাবে কেপ্টিভ শক্তি উৎপাদন, নবীকৰণযোগ্য শক্তি ব্যৱহাৰ আৰু শক্তি সংৰক্ষণ পদ্ধতিৰ বাবে ৰাজসাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ দিছে।

## XVIII. মিছন বসুন্ধৰা

(১৫৮) ভূমি সম্পৰ্কীয় বিষয়সমূহৰ চূড়ান্ত নিষ্পত্তিৰ ক্ষেত্ৰত এক দৃঢ় পদক্ষেপ হিচাপে অসম চৰকাৰে ২০২১ চনৰ ২ অক্টোবৰত আৰম্ভ কৰা মিছন বসুন্ধৰাৰ জৰিয়তে ব্যাপক ভূমিলেখ্য সংস্কাৰৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে ৯ টা সেৱাৰ বাবে লাভ কৰা ৮,১৩,৯৮১ খন আবেদন নিৰ্ধাৰিত সময় অনুসৰি ২০২২ চনৰ ১০ মে'ৰ ভিতৰত নিষ্পত্তি কৰা হৈছে। ইয়াৰ উপৰি জৰীপ আৰু পুনৰ জৰীপৰ দৰে অন্যান্য পৰিপূৰক কামো সম্পন্ন কৰা হৈছে। ২০২২ চনৰ ১৪ নৱেম্বৰত মিছন বসুন্ধৰা ২.০ শীৰ্ষৰে মিছনৰ দ্বিতীয় পৰ্যায় আৰম্ভ কৰা হৈছে। এই পৰ্যায়ত চৰকাৰী ভূমিৰ বন্দোৱস্তিকৰণ, দীৰ্ঘদিন ধৰি কাম কৰি থকা লোকক ভূমিস্বত্ব প্ৰদান, উত্তৰাধিকাৰী সূত্ৰে থকা জনজাতীয় ভূমিৰ বন্দোৱস্তিকৰণ আদিৰ দৰে বিষয়সমূহ সন্নিবিষ্ট কৰা হৈছে। এইক্ষেত্ৰত আমি সমগ্ৰ অসমৰ জনসাধাৰণৰ বিপুল সঁহাৰি লাভ

কৰিছো। আমি ২০২৩ চনৰ ১৫ মাৰ্চলৈকে বসুন্ধৰা-২.০ ত ৭,৪৩,৬৯০ খন আৱেদন লাভ কৰিছোঁ।

(১৫৯) মিছন বসুন্ধৰাই কেৱল দীৰ্ঘদিন ধৰি নিষ্পত্তি নোহোৱাকৈ থকা ভূমি সম্পৰ্কীয় বিষয়সমূহ সময় নিৰ্ধাৰিত ভিত্তিত নিষ্পত্তি কৰাই নহয়, ভূমি বিক্ৰী অনুমতি প্ৰদানৰ দৰে ভূমি বিক্ৰীৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা আঁতৰ কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। ইয়াৰ ফলত ভূমি বিক্ৰীৰ বাবে অনুমতিৰ আবেদনৰ সংখ্যা তাৎপৰ্যপূৰ্ণভাৱে বৃদ্ধি পাইছে। এনেদৰে ২০১৯-২০ বৰ্ষত ১৮,৯৭২ খন আৱেদন, ২০২০-২১ বৰ্ষত ৮২,৮৪০ খন, ২০২১-২২ বৰ্ষত ১,০১,০৫০ খন আৰু ২০২২-২৩ বৰ্ষত ১,১৩,৫২৫ খন আৱেদন লাভ কৰা হৈছে। ২০২২ চনৰ ১৪ নৱেম্বৰত আৰম্ভ হোৱাৰে পৰা স্বয়ংক্ৰিয় নামজাৰিৰ সৈতে সংযুক্ত ভূমি হস্তান্তৰ সেৱাই লাহে লাহে গভীৰ জনপ্ৰিয়তা লাভ কৰিছে।

(১৬০) স্বামিত্ব (SVAMITVA) আঁচনিৰ অধীনত ভূমিৰ গৰাকীসকলক সম্পত্তি কাৰ্ড প্ৰদান আৰু ডিজিটেলাইজড্ ভূমি নথি সৃষ্টিৰ উদ্দেশ্যে অনা কেডেছট্ৰেল (non-cadastral) গাঁওসমূহৰ বিস্তৃত জৰীপ চলোৱা হৈছে।

(১৬১) অহা বৰ্ষত আমি গুৰুত্ব প্ৰদান কৰা বিষয়সমূহৰ ভিতৰত আছে— মিছন বসন্ধৰা ২.০ৰ অধীনত লাভ কৰা আবেদনসমূহৰ সমুচিত নিষ্পত্তিকৰণ, স্বামিত্ব আঁচনিৰ অধীনত অনা কেডেছট্ৰেল গাঁওসমূহৰ জৰীপ আৰু বন্দৰস্তিকৰণ সম্পন্ন কৰা, ৰাজ্যজুৰি চৰকাৰী ভূমি আৰু গাঁওসমূহৰ পুনৰ জৰীপ সম্পূৰ্ণ হোৱাৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ, ভূমিৰ গৰাকীক নিজৰ সুবিধা অনুযায়ী ঘৰৰ পৰা বা কাৰ্যালয়ৰ পৰা ভূমি ৰাজহ প্ৰদানৰ সুবিধা কৰি দিয়াৰ বাবে ই-খাজনা ব্যৱস্থা প্ৰৱৰ্তন কৰা আৰু ৰাজ্যজুৰি ডিজিটেল ষ্টেম্পিং ব্যৱস্থা প্ৰৱৰ্তন কৰা।

## প্ৰধান ঘোষণাসমূহ

**I. উৎকৃষ্টতম জিলা পদক্ষেপ ঃ স্বচ্ছ জিলা পুৰস্কাৰ**

(১৬২) আমাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আৰম্ভ কৰা স্বচ্ছতা অভিযানৰ সৈতে সংগতি ৰাখি আমি ১০০ শতাংশ ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহ, আৱৰ্জনাৰ পৃথকীকৰণ, গোটা জাবৰ সংসাধন প্ৰকল্প স্থাপন আৰু কাৰ্যকৰীকৰণ, পুৰণি আৱৰ্জনা নিষ্কাষণ, অনাময় ব্যৱস্থাপনা আৰু ব্যৱহৃত পানীৰ ব্যৱস্থাপনা প্ৰকল্প আদিৰ দৰে স্বচ্ছতামূলক সূচাংকৰ ভিত্তিত জিলাসমূহৰ স্থান নিৰ্দ্ধাৰণৰ প্ৰস্তাৱ কৰিছো।

(১৬৩) উৎকৃষ্টতম জিলা পদক্ষেপৰ বাবে আন্তঃগাঁথনিমূলক উন্নয়নৰ বাবে ১০০ কোটি টকাৰে পুৰস্কৃত কৰা হ'ব আৰু এই পুঁজিৰ ধন জিলা উপায়ুক্তলৈ হস্তান্তৰ কৰা হ'ব।

**II. শান্তি চুক্তি ৰূপায়ণ**

(১৬৪) মাননীয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু মাননীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ প্ৰচেষ্টাৰ বাবে অসম আৰু উত্তৰ-পূৰ্বাঞ্চললৈ স্থায়ী শান্তি অনাৰ উদ্দেশ্যে বৰ্তমান সকলো প্ৰধান বিদ্ৰোহী গোটে হিংসা পৰিহাৰ কৰি অস্ত্ৰ সম্বৰণ কৰি শান্তি প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছে আৰু ভাৰতৰ সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে। ইতিমধ্যে বিদ্ৰোহী গোটসমূহৰ সৈতে শান্তি চুক্তিও স্বাক্ষৰিত হৈছে। ইয়াৰ ভিতৰত

আছে বড়ো শান্তি চুক্তি, কার্বি শান্তি চুক্তি আৰু আদিবাসী শান্তি চুক্তি। ২০২০ বৰ্ষৰ পৰা এন ডি এফ বি ৰ ৪ টা গোট, কে এল এন এল এফ, কে পি এল টি, পি ডি চি কে আৰু ইউ পি এল এ- য়ে ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সৈতে বন্দোৱস্তি চুক্তি (MoS)ত স্বাক্ষৰ কৰিছিল আৰু সেই অনুসৰি প্ৰতিগৰাকী কেডাৰক ৪ লাখ টকাকৈ ফিক্সড্ ডিপ'জিট হিচাপে প্ৰদান কৰি ভাৰত চৰকাৰৰ আত্মসমৰ্পণ তথা পুনৰ্সংস্থাপন নীতিৰ অধীনত এই বিদ্ৰোহী গোটৰ কেডাৰসকলক পুনৰ্সংস্থাপন দিয়া হৈছিল। ২০২২ বৰ্ষৰ ১৫ ছেপ্টেম্বৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সৈতে বন্দোৱস্তি চুক্তি (MoS)ত স্বাক্ষৰ কৰা আদিবাসী গোটৰ আত্মসমৰ্পণকাৰী কেডাৰসকলক আৰু কাৰ্যকলাপ স্থগিত ৰখা (Suspension of Operation) তথা যুদ্ধবিৰতিত থকা কেডাৰসকলক পুনৰ্সংস্থাপন কৰিবলৈ ৯৪.০১ কোটি টকাৰ প্ৰস্তাৱ পোৱা গৈছে। আমাৰ চৰকাৰে চলিত বৰ্ষতে ইয়াক ইতিবাচকভাৱে বিবেচনা কৰিব।

(১৬৫) তদুপৰি, আদিবাসী চুক্তিৰ ৩.১ দফা অনুসৰি, পৰ্যাপ্ত বিত্তীয় আবণ্টনেৰে এখন আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদ গঠন কৰা হ'ব।

## III. অসম আৰক্ষী জৰুৰীকালীন ব্যৱস্থাপনা পদ্ধতি (APEMS) - *ডায়েল-১১২*

(১৬৬) মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত অসম আৰক্ষীয়ে Dial-112 প্ৰকল্পক সম্পূৰ্ণৰূপে ন-ৰূপ প্ৰদান কৰি বিশ্বমানৰ অসম আৰক্ষী জৰুৰীকালীন ব্যৱস্থাপনা পদ্ধতি (APEMS) সৃষ্টিৰ জৰিয়তে ইয়াৰ উপলব্ধতা আৰু সৰ্বব্যাপকতা বৃদ্ধি কৰিবলৈ সংকল্প লৈছে।

(১৬৭) অপহৰণ, ডকাইতি, যৌন নিৰ্যাতন, যান-বাহন চুৰি, ঘৰুৱা হিংসা,

সংঘৰ্ষজনিত ঘটনা আদিৰ দৰে বিপৰ্যয়ৰ পৰিস্থিতিৰ সন্মুখীন হোৱা যি কোনো নাগৰিকে টেলিফোন, SMS, Web Portal, Mobile app আদিৰ জৰিয়তে আৰক্ষীৰ সৈতে যোগাযোগ কৰিব পাৰিব। সু-প্ৰশিক্ষিত মহিলা কৰ্মচাৰীৰ দ্বাৰা পৰিচালিত গুৱাহাটীৰ সু-সজ্জিত আৰু আধুনিক কেন্দ্ৰীভূত আৰক্ষী জৰুৰীকালীন সঁহাৰি কেন্দ্ৰই ২৪ ঘণ্টাই এই বাৰ্তাসমূহ গ্ৰহণ কৰিব। কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলগীয়া ঘটনাসমূহৰ ক্ষেত্ৰত প্ৰশিক্ষিত আৰক্ষী বিষয়াসকলে তৎকালেই বিশেষভাৱে প্ৰশিক্ষিত আৰক্ষীৰ লোকক জৰুৰীকালীন সঁহাৰি বাহন (ERV) ৰ জৰিয়তে ঘটনাস্থলীলৈ প্ৰেৰণ কৰিব। তেওঁলোকে যিমান সম্ভৱ অতি কম সময়ৰ ভিতৰত GPS ট্ৰেকিংযুক্ত ERV-ৰ জৰিয়তে ফোন কৰোতাজনৰ ওচৰ পাবগৈ আৰু প্ৰথম সঁহাৰি দিওঁতা হিচাপে জৰুৰীকালীন সেৱা আগবঢ়াব। বিভিন্ন অভিযোগৰ প্ৰতি ফলপ্ৰসূতাৰে সঁহাৰি জনোৱাৰ ক্ষেত্ৰত এই ব্যৱস্থাই আৰক্ষীৰ সঁহাৰি প্ৰদান প্ৰক্ৰিয়ালৈ আমূল পৰিবৰ্তন আনিব।

(১৬৮) মই ইয়াৰ বাবে এই বাজেটত ২৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**IV. আৰক্ষীৰ বাবে আন্তঃগাঁথনি শক্তিশালীকৰণ**

(১৬৯) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আৰক্ষীৰ আধুনিকীকৰণ আৰু আন্তঃগাঁথনি উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। মই এইখিনিতে কেইটামান পদক্ষেপ সম্পৰ্কে অৱগত কৰিব বিচাৰিছোঁ।

| ক্র.নং | আঁচনিৰ নাম | ধনৰাশি (কোটি টকা হিচাপ) |
|---|---|---|
| ১. | পাঁচটা কমাণ্ডো বেটেলিয়ন গঠন | ৮৩৯.৯৪ |
| ২. | ১১৯ খন আৰক্ষী থানা নিৰ্মাণ | ৩৩৮.৪০ |
| ৩. | ৮৩ টা আৰক্ষী চকী ভৱন | ৭৯.৮৮ |
| ৪. | ১৮ টা মহকুমা আৰক্ষী বিষয়াৰ কাৰ্যালয় তথা আৱাস | ২০.২৮ |
| ৫. | ১৭ টা আৰক্ষী অধীক্ষকৰ কাৰ্যালয় | ৬২.৭২ |
| ৬. | ১২ টা আৰক্ষী অধীক্ষকৰ আৱাস | ১৭.৬২ |
| ৭. | ১০০০ টা চৰকাৰী আৱাস নিৰ্মাণ | ৪১৩.২৬ |
| ৮. | ১৯ টা আৰক্ষী ছাউনী নিৰ্মাণ | ৭৬৯.৮৬ |
| ৯. | ১৬২ খন আৰক্ষী থানা নিৰ্মাণ (ইপিচি মোডত) | ৫২৩.৬৯ |
| ১০. | গুৱাহাটী মহানগৰত থকা অসম আৰক্ষী ছাউনী চৌহদৰ পুনৰ উন্নয়ন | ৫৪৪.৫৪ |
| ১১. | গুৱাহাটী আৰক্ষী আয়ুক্তালয় ভৱন | ৯৫.০০ |
| ১২. | সংহত অসম আৰক্ষী মুখ্য কাৰ্যালয় | ১২৯.৯০ |

(১৭০) এই আঁচনিসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰাটো সুনিশ্চিত কৰিবলৈ আমি পৰ্যাপ্ত পুঁজি ধাৰ্য কৰিছোঁ।

## V. সু-স্বাস্থ্যৰে সমৃদ্ধি

(১৭১) মহোদয়, সকলোৰে কাৰণে ব্যয়সাধ্য আৰু সুলভ স্বাস্থ্যসেৱা আগবঢ়োৱাৰ বাবে বিগত বছৰসমূহত আমি আৰম্ভ কৰা বিভিন্ন পদক্ষেপৰ উপৰি চলিত বৰ্ষত নিম্নলিখিত পদক্ষেপসমূহ ঘোষণা কৰিব বিচাৰিছো—

(১৭২) ৰাজ্যৰ চিকিৎসালয়সমূহলৈ ১০০০ খন নতুন এম্বুলেন্স যোগান ধৰা হ'ব।

(১৭৩) ডিফু, যোৰহাট, তেজপুৰ, লখিমপুৰ, নগাঁও, নলবাৰী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰীত থকা চিকিৎসা মহাবিদ্যালয়ত ৯ খন নতুন বি এছ চি নাৰ্ছিং কলেজ স্থাপন কৰা হ'ব।

(১৭৪) অসমত স্নাতক চিকিৎসা শিক্ষাৰ আসন ১৫০০ খনলৈ বৃদ্ধি হোৱা সত্ত্বেও কিছু বাধা-নিষেধৰ বাবে প্ৰবাসী ভাৰতীয় (NRI) আৰু বিদেশত থকা অসমীয়াই ৰাজ্যিক অংশৰ সুবিধা ল'বলৈ সক্ষম হোৱা নাই। সেয়ে যুক্তিসংগত মাচুল প্ৰদানেৰে ৰাজ্যিক অংশৰ কিছু আসন তেওঁলোকৰ বাবে সংৰক্ষণৰ প্ৰস্তাৱ দিয়া হ'ল। ইয়াৰ জৰিয়তে মহাবিদ্যালয় সমিতিৰ ৰাজহ বৃদ্ধি হ'ব আৰু তেওঁলোকক বিত্তীয়ভাৱে অধিক বহনক্ষম কৰি তুলিব।

## VI. কেবিনেট আউটৰিচ্ কাৰ্যসূচী

(১৭৫) চৰকাৰক জনসাধাৰণৰ অধিক ওচৰ চপাই নিয়াৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰিছোঁ। গুৱাহাটীৰ বাহিৰত ১০ খন কেবিনেট বৈঠক অনুষ্ঠিত হৈছে। তদুপৰি মে' ২০২১ৰ পৰা ৭৯ খন কেবিনেট বৈঠকত ১০৪৭ টা সিদ্ধান্ত গৃহীত হৈছে। ইয়াৰে ৮৪ শতাংশ সিদ্ধান্ত কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰা হৈছে। বিভিন্ন কেবিনেট বৈঠকসমূহত গৃহীত প্ৰতিশ্ৰুতিসমূহ পূৰণৰ বাবে চলিত বৰ্ষত কেবিনেট আউটৰিচ্ কাৰ্যসূচীৰ বাবে মই ৫০০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ কৰিছোঁ।

## VII. অনা-উড়ান বায়ুপথৰ বাবে ভায়েবিলিটি গেপ ফাণ্ডিং

(১৭৬) বিভিন্ন গুৰুত্বপূৰ্ণ যাতায়াত ব্যৱস্থা সহজসাধ্য আৰু সুচল কৰি তোলাৰ বাবে আমাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক সুঁৱৰি অনা-*'উড়ান'* বায়ুপথত কম খৰচত বিমান চলাচলৰ ব্যৱস্থা কৰা হৈছে। প্ৰথম পৰ্যায়ত ডিব্ৰুগড়-গুৱাহাটী আৰু গুৱাহাটী-শিলচৰৰ মাজত পৰীক্ষামূলকভাৱে এনে বিমান চলোৱা হ'ব। এনে বিমান সেৱা প্ৰচলনৰ উদ্দেশ্যে *ভায়েবিলিটি গেপ ফাণ্ডিং* হিচাপে বাজেটত পুঁজি আবণ্টনৰ ব্যৱস্থা কৰা হৈছে।

## VIII. বাণিজ্যিক গছপুলি ৰোপণ

(১৭৭) বনাঞ্চলৰ বাহিৰৰ গছ-গছনি ব্যৱস্থাপনাত উদ্ভাৱনী সংস্কাৰ অনাৰ বাবে আমাৰ চৰকাৰে Assam Trees Outside Forest (Sustainable Management) Rules, 2022 ৰ অধিসূচনা জাৰি কৰিছে। যোগাযোগহীন (Contactless) ৰাজহুৱা সেৱা প্ৰদান পদ্ধতিৰ জৰিয়তে গছপুলি ৰোপণৰ পঞ্জীয়ন প্ৰক্ৰিয়া সৰলীকৰণ, গছ কটাৰ অনুমতি প্ৰদান আৰু উৎপত্তিৰ প্ৰমাণপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰি বনাঞ্চলৰ বাহিৰৰ ভূমিত গছ-গছনি ৰোপণৰ বাবে কৃষকসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এই বিধি প্ৰৱৰ্তন কৰা হৈছে। ইয়ে সংৰক্ষিত বনাঞ্চলৰ সম্পদৰ পৰা ঔদ্যোগিক যোগানসমূহ আতঁৰাই সেউজ অৰ্থনীতিক শক্তিশালী কৰিব।

(১৭৮) নতুন বিধি অনুসৰি, ৰাজ্যখনৰ কৃষককে ধৰি যিকোনো নাগৰিকক বাণিজ্যিকভাৱে গুৰুত্বপূৰ্ণ আৰু স্থানীয়ভাৱে উভৈনদী ৫৭ বিধতকৈও অধিক প্ৰজাতিৰ গছ-গছনি ৰোপণত উৎসাহ প্ৰদান কৰা হ'ব। নিজৰ ব্যৱহাৰৰ বাবে বা বাণিজ্যিক উদ্দেশ্যে এই গছ-গছনি কটাৰ ক্ষেত্ৰত বাধা নাথাকিব। মই বিশ্বাস কৰোঁ যে সৰলীকৃত প্ৰক্ৰিয়া আৰু Single Window অনুমতি ব্যৱস্থাৰ জৰিয়তে যোৱা তিনিটা দশকত অসমৰ পৰা বহিঃ ৰাজ্যলৈ স্থানান্তৰিত হোৱা কাঠ ভিত্তিক সকলো প্ৰাথমিক, গৌণ আৰু মিশ্ৰিত উদ্যোগসমূহ পুনৰ ঘূৰাই আনিব পৰা যাব।

(১৭৯) এই বছৰ মই সকলো বিদ্যালয়, মহাবিদ্যালয় আৰু চৰকাৰী কাৰ্যালয়ত বাণিজ্যিক মূল্য থকা গছপুলি ৰোপণৰ বাবে এখন আঁচনি ঘোষণা কৰিছোঁ। এই উদ্দেশ্যে মই অসম কৃষি বনানীকৰণ পৰিষদলৈ (Assam Agroforestry Board) ১০ কোটি টকা ধাৰ্য কৰিছোঁ।

## IX. সেউজ শক্তিৰ ওপৰত বিদ্যুৎ শুল্ক ৰেহাই

(১৮০) ব্যৱসায়িক প্ৰতিষ্ঠান আৰু উদ্যোগসমূহৰ দ্বাৰা সেউজ আৰু নিকা শক্তিৰ উৎপাদন তথা ব্যৱহাৰক উৎসাহিত কৰিবলৈ আৰু উদ্‌গনি যোগাবলৈ এবছৰৰ নিয়ন্ত্ৰিত ব্যৱহাৰৰ বাবে নবীকৰণযোগ্য উৎসৰ পৰা শক্তি উৎপাদনৰ ক্ষেত্ৰত বিদ্যুৎ শুল্ক ৰেহাই দিবলৈ মই প্ৰস্তাৱ কৰিছো। এই ক্ষেত্ৰত মই সকলোকে আগবাঢ়ি আহি এই ৰেহাইৰ সুবিধা গ্ৰহণ কৰিবলৈ আৰু নবীকৰণযোগ্য শক্তিৰ বাবে বৰঙণি যোগাবলৈ আহ্বান জনালো।

## X. বৈদ্যুতিক বাহন (EV) নীতি

(১৮১) বৈদ্যুতিক বাহনৰ ব্যৱহাৰক উৎসাহিত কৰাৰ অৰ্থে এই বৰ্ষত এনেধৰণৰ বাহন ক্ৰয় কৰা নাগৰিকসকললৈ পঞ্জীয়ন মাচুল ৰেহাইসহ ২ শতাংশ যান-বাহন কৰ ৰেহাইৰ কথা মই ঘোষণা কৰিলো। ইয়াৰ বাবে পৰিবহণ বিভাগে কাৰ্য সম্পাদন সম্বন্ধীয় নীতি-নিৰ্দেশনা জাৰি কৰিব।

## XI. জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় কৰ্মপন্থা

(১৮২) অধ্যক্ষ মহোদয়, জলবায়ু পৰিৱৰ্তনক এক আসন্ন গোলকীয় ভাবুকি হিচাপে আমি স্বীকাৰ কৰো আৰু জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় ৰাজ্যিক কৰ্মপৰিকল্পনাৰ জৰিয়তে অভিযোজন কৌশলসমূহক উন্নয়নী প্ৰক্ৰিয়ালৈ আনিবলৈ আমি প্ৰচেষ্টা চলাই আছো।

(১৮৩) এই বৰ্ষত মই জলবায়ু পৰিৱৰ্তন প্ৰতিৰোধৰ বাবে ভাৰতৰ “পঞ্চামৃত” কৌশল ৰূপায়ণত অসমৰ কাৰ্যসূচীৰ অংশ হিচাপে "Chief Minister's Green Initiative Incentive Scheme" খন প্ৰৱৰ্তন কৰিবলৈ প্ৰস্তাৱ লৈছো। আমি ব্যক্তিগত পৃষ্ঠপোষকতাৰ কাৰ্বন নিৰ্গমন প্ৰতিৰোধকৰণ (Carbon Sequestration) ৰ পদক্ষেপসমূহক উদ্‌গনি যোগাবলৈ তথা ৰাইজক জড়িত কৰি

জলবায়ুৰ অনুকূল অৱস্থাক উৎসাহিত কৰিবলৈ পৰিকল্পনা কৰিছো। এখন গাঁৱত কাৰ্বন নিৰ্গমনৰ পৰিমাণ জোখাৰ পদ্ধতিসমূহ আৰু এক নিৰ্দিষ্ট সময়ৰ ভিতৰত গাঁওসমূহক কাৰ্বন নিৰ্গমন শূন্য হিচাপে গঢ়ি তুলিবলৈ হাতত লোৱা কৌশলসমূহ চিনাক্ত কৰা হ'ব।

(১৮৪) এই বছৰ পোন প্ৰথমবাৰৰ বাবে আমি সেউজ বাজেট (Green Budget) প্ৰৱৰ্তন কৰিবলৈ লৈছো।

(১৮৫) তদুপৰি, গুৱাহাটী বায়'টেক উদ্যান, ষ্টাৰ্ট আপ আছামৰ লেখীয়া ৰাজ্যিক সংস্থাসমূহৰ সহযোগত Green Solutions and Alternatives Incubation Program-ৰ বাবে গৱেষণা আৰু উন্নয়ন মঞ্জুৰিক উদগনি যোগাবলৈ ২৫ কোটি টকাৰ এক কৰ্পাচ পুঁজিসহ এটা সেউজ উদ্ভাৱন পুঁজি (Green Innovation Fund) গঠন কৰা হ'ব।

## XII অসম মানসিক স্বাস্থ্য আৰু সমূহীয়া যত্ন আঁচনি

(১৮৬) অসমত এক বিস্তৃত মানসিক স্বাস্থ্যনীতি আৰম্ভ কৰাৰ বৰ্ধিত প্ৰয়োজনীয়তা আছে। বিশেষকৈ মহামাৰীৰ পৰৱৰ্তী সময়ত বৃদ্ধি পোৱা আত্মহত্যাৰ ঘটনা আৰু আন মানসিক স্বাস্থ্য সম্পৰ্কীয় বিষয়ৰ বাবে সৃষ্টি হ'ব পৰা অনিবাৰ্য সংকটৰ মোকাবিলা কৰাত ই সহায় কৰিব। মহামাৰীয়ে ব্যক্তিৰ মানসিক স্বাস্থ্যত প্ৰতিকূল প্ৰভাৱ পেলাইছে আৰু ২০২০ বৰ্ষত দেশত আত্মহত্যাৰ হাৰ বৃদ্ধি আছিল সৰ্বাধিক। এই আঁচনিয়ে ভাৰত চৰকাৰৰ মানসিক স্বাস্থ্যসেৱা আইন, ২০১৭ৰ ৰূপায়ণৰ দিশত কাম কৰিব আৰু ইয়াত বিশেষভাৱে সক্ষম লোক, তৃতীয় লিংগৰ ব্যক্তিৰ আৰু চেমনীয়াসকলকে ধৰি বিভিন্ন প্ৰান্তীয় গোটসমূহৰ বাবে বিশেষ বিধান থাকিব। ৰাষ্ট্ৰীয় আত্মহত্যা প্ৰতিৰোধ কৌশল, ২০২২ৰ অধীনত প্ৰকাশিত নীতি-নিৰ্দেশনাসমূহো আঁচনিখনে কাৰ্যকৰী কৰিব।

## XIII অসমত ভ্ৰাম্যমাণ পশুচিকিৎসা গোট (MVUs)

(১৮৭) আমাৰ চৰকাৰে পশুপালকসকলৰ পদূলিমুখতে পোহনীয়া জীৱ-

জন্তুৰ চিকিৎসাৰ সুবিধা নিশ্চিত কৰিব। তাৰ বাবে ৰাজ্যখনত ১৮১ টা ভ্ৰাম্যমাণ পশুচিকিৎসা গোট সম্পূৰ্ণ কাৰ্যক্ষম কৰি তোলা হ'ব।

**XIV. অসম কৃষি বিশ্ববিদ্যালয়ৰ বাবে পেঞ্চন পুঁজি**

(১৮৮) অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে ২০০ কোটি টকাৰ এটা কৰ্পাছ পুঁজি গঠন কৰাৰ বাবে প্ৰস্তাৱ কৰিছোঁ, যি পুঁজি নিৰ্ধাৰিত বিধি অনুসৰি পেছাদাৰী পেঞ্চন পুঁজি প্ৰবন্ধকৰ দ্বাৰা লাভজনক দিশত পৰিচালিত হ'ব। এই আৰ্হি অন্যান্য বিশ্ববিদ্যালয় আৰু স্বায়ত্তশাসিত নিকায়সমূহতো পৰ্যায়ক্ৰমে প্ৰযোজ্য হ'ব।

**XV. ন্যূনতম চৰকাৰ, সৰ্বোচ্চ প্ৰশাসন**

(১৮৯) আমাৰ চৰকাৰে ৰাজ্যৰ স্বায়ত্তশাসিত নিকায়, নিগম আৰু পৰিষদ সমূহৰ সম্পদৰ সৰ্বাধিক ব্যৱহাৰ, অধিক দক্ষতা প্ৰদান আৰু নাগৰিকক উন্নতৰ সেৱা প্ৰদান নিশ্চিত কৰাৰ বাবে ইয়াৰ সংস্কাৰ সাধনৰ বাবে ব্যৱস্থা হাতত ল'ব। এই উদ্দেশ্যে খাদী ব'ৰ্ডক হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ সৈতে চামিল কৰি বিভাগৰ খাদী শাখা হিচাপে ইয়াৰ পুনৰ গঠন কৰিব।

**XVI. মুখ্যমন্ত্ৰী সহজ গৃহ নিৰ্মাণ আঁচনি (MMSGNA)**

(১৯০) চহৰ অঞ্চলৰ নাগৰিকসকলক সেৱা প্ৰদানত দক্ষতা বৃদ্ধিৰ বাবে আমাৰ চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। ৬৭০ বৰ্গ মিটাৰতকৈ কম আকাৰৰ ভূমি মহলা + দুই মহলা (G+2) পৰ্যন্ত ঘৰৰ বাবে অনলাইনযোগে তাৎক্ষণিকভাৱে অনুমতি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। একেদৰে অনলাইন মাচুল আদায়ৰ ব্যৱস্থাসহ অনলাইন গৃহনিৰ্মাণৰ অনুমতিৰ (OBPS) ব্যৱস্থা তথা অনুজ্ঞাপত্ৰ প্ৰদানৰ ব্যৱস্থা এই বছৰতে অধিসূচিত কৰা হ'ব।

**XVII. তেজপুৰত নলযোগে খোৱা পানী (ডি এফ টি)**

(১৯১) ভাৰতবৰ্ষত এতিয়া সকলো সময়তে টেপৰ পৰা পানী খোৱাৰ (ডিএফটি) ধাৰণা এটা গঢ়ি উঠিছে। এই ডি এফ টি প্ৰকল্পৰ দ্বাৰা

খোৱা বা ৰন্ধা-বঢ়াৰ বাবে অতিৰিক্তভাৱে শোধনৰ আৱশ্যকতা নথকা বিশুদ্ধ পানী দিনটোৰ ২৪ ঘণ্টাই নিৰৱচ্ছিন্নভাৱে উপভোক্তাক যোগান ধৰাটো নিশ্চিত কৰিব বিচৰা হৈছে। অসমৰ তেজপুৰ চহৰত ৰাজ্যৰ এনে প্ৰথমটো প্ৰকল্প ৰূপায়ণৰ পৰিকল্পনা কৰা হৈছে। তাৰ বাবে ৩২.৫৭ কোটি টকাৰে এখন পানীযোগান আঁচনি ৰূপায়ণ কৰা হ'ব।

## XVIII. বিত্তীয় প্ৰাতিষ্ঠানিক সংস্কাৰ

(১৯২) অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় অৱগত যে বিত্তীয় স্বচ্ছতা চৰকাৰৰ অন্যতম প্ৰধান কেন্দ্ৰবিন্দু। অসমৰ বাজেট সম্পৰ্কীয় স্বচ্ছতাক বিভিন্ন ৰাষ্ট্ৰীয় মঞ্চতো প্ৰশংসা কৰা হৈছে। এই গৌৰৱক আগুৱাই লৈ গৈ প্ৰায় আমি সময়মতে বাজেট কাৰ্যকৰী কৰা দেশৰ অতি সীমিতসংখ্যক ৰাজ্যৰ ভিতৰত অন্যতম ৰূপে পৰিগণিত হৈছোঁ।

(১৯৩) একেদৰে, ৰাজহুৱা ক্ৰয়ত, দেশত ৰাজ্যিক ৰাজহুৱা ক্ৰয় প'ৰ্টেল আৰম্ভ কৰা অসম দেশৰ ভিতৰতে অন্যতম অগ্ৰণী ৰাজ্য আৰু এই ব্যৱস্থাই অসম চৰকাৰৰ ক্ৰয় সম্পৰ্কীয় সকলো তথ্যৰ এক 'ছিংগল পইণ্ট একচেছ' হিচাপে কাম কৰি আছে। ৰাজহুৱা ক্ৰয় ব্যৱস্থাত আমি এটা বৃহৎ মুকলি অনলাইন পাঠ্যক্ৰম প'ৰ্টেল প্ৰস্তুত কৰি আছো আৰু ইয়ে সমগ্ৰ ৰাজ্যখনৰ সামৰ্থ্য বৃদ্ধিৰ বাবে এক বৃহৎ আহিলা হিচাপে কাম কৰিব। ইয়াৰ দ্বাৰা বিচক্ষণ ৰাজহুৱা ক্ৰয় পদ্ধতিৰ জৰিয়তে বাজেট কাৰ্যকৰীকৰণ ক্ষিপ্ৰতাৰে কৰাত সহায়ক হ'ব।

(১৯৪) চৰকাৰী ই-মাৰ্কেটপ্লেচ (GeM)ৰ যোগেদি ক্ৰয় কৰাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হ'ব। ২০২১-২২ বিত্তীয় বৰ্ষত জি ই এম (GeM)ৰ যোগেদি ১৭২ কোটি টকা মূল্যৰ ক্ৰয়ৰ তুলনাত ২০২৩ বৰ্ষৰ ১৩ মাৰ্চলৈ আমি ইয়াৰ পৰিমাণ ৭৫১ কোটি টকালৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছো।

(১৯৫) তদুপৰি বিত্তীয় প্ৰতিবেদন ব্যৱস্থাটোক অধিক কাৰ্যক্ষম কৰাৰ লগতে ৰাজ্যখনৰ বাবে গুৰুত্বপূৰ্ণ সূচাংকসমূহ সম্পৰ্কে সময়োপযোগী পদক্ষেপ ল'বলৈ আমি মহাগাণনিকৰ সৈতে সক্ৰিয়ভাৱে কাম কৰি আছো। প্ৰযুক্তিৰ উৎকৰ্য সাধনেৰে বহুদশকৰ পৰা প্ৰচলিত হৈ থকা বহুতো অপ্ৰয়োজনীয় প্ৰক্ৰিয়া আঁতৰ কৰাত এই পদক্ষেপসমূহে সহায় কৰিব।

(১৯৬) আমাৰ কল্যাণকামী কাৰ্যসূচীসমূহ ৰূপায়ণ কৰিবলৈ আমি প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ (ডি বি টি) আঁচনিসমূহৰ বাবে ডিজিটেল আন্তঃগাঁথনি (ডি আই ডি এছ) প্লেটফৰ্মৰ শুভাৰম্ভ কৰিছো। ইয়াৰ অধীনত যিকোনো বিভাগে প্ৰত্যক্ষভাৱে অতি কম সময়ৰ ভিতৰতে আৰু ন্যূনতম প্ৰশাসনীয় ব্যয়েৰে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (ডি বি টি) আঁচনিসমূহ আৰম্ভ আৰু ৰূপায়ণ কৰিব পাৰিব। জালিয়াতি ধৰা পেলোৱাৰ বাবে প্ৰযুক্তিয়ে কৌশলগত সুবিধা আগবঢ়ায় আৰু সেইবাবে এই কাৰ্যসূচীসমূহৰ অধীনত অধিক অন্তৰ্ভুক্তি সম্ভৱপৰ হৈ উঠে। বিভাগসমূহক নিজ নিজ আঁচনিসমূহ ডি আই ডি এছ (DIDS) প্লেটফৰ্মত আৰম্ভ কৰাত সক্ষম কৰি তুলিবলৈ এই বৰ্যত আমি এক বিধিগত পৰিকাঠামো প্ৰস্তুত কৰিম।

## XIX. ৰাজহুৱা স্থানত চিচি টিভি

(১৯৭) আমাৰ চৰকাৰে ৰাজহুৱা আৰু অন্যান্য স্পৰ্শকাতৰ স্থানত চিচি টিভি স্থাপন কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

(১৯৮) এই প্ৰকল্পটো ২০০ কোটি টকা ব্যয়েৰে গুৱাহাটী স্মাৰ্ট চিটী লিমিটেডৰ জৰিয়তে ৰূপায়ণ কৰা হ'ব। অপৰাধ ৰোধ কৰি ৰাজহুৱা নিৰাপত্তা বৃদ্ধি কৰাত ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হ'ব।

## XX. চাহ জনজাতি কল্যাণ সঞ্চালকালয়ক "চাহ জনজাতি আৰু আদিবাসী কল্যাণ সঞ্চালকালয়" ৰূপে পুনৰ নামকৰণ কৰা হ'ব।

**এক্ট ইষ্ট নীতি পৰিক্ৰমা বিভাগঃ** ***চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে আগবঢ়ো একেলগে***

- অধ্যক্ষ মহোদয়, 'ভাৰত-*আছিয়ান বন্ধুত্ব*'ৰ ৩০ বছৰ পূৰ্তি উপলক্ষে বিভাগটোৱে বিগত বছৰত 'উত্তৰ-পূবৰ জৰিয়তে এক্ট ইষ্ট ঃ সংযোগ সন্মিলন' অনুষ্ঠিত কৰে। একেধৰণে *নদী* (NADI) *৩.০* সন্মিলনো সফলতাৰে আয়োজন কৰা হৈছিল।

- এখোজ আগবাঢ়ি, আমি গুৱাহাটীৰ পৰা শ্বিলং আৰু ছিলেট হৈ সীমান্ত পাৰ কৰি ঢাকালৈ বাছ সেৱা পুনৰ আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছো। তদুপৰি গুৱাহাটীৰ পৰা ঢাকা আৰু অন্য *আছিয়ান* চহৰসমূহৰ মাজত পোনপটীয়া বিমান সেৱা পুনৰ আৰম্ভ হ'ব বুলিও আশা কৰা হৈছে। ভাৰত-বাংলাদেশ সীমান্তৰ লাটু (কৰিমগঞ্জ) আৰু সত্ৰশাল (ধুবুৰী)ত সীমান্ত হাট স্থাপন কৰি চুবুৰীয়া দেশখনৰ সৈতে অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰো পৰিকল্পনা লোৱা হৈছে।

**প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ**

*ন্যূনতম চৰকাৰ আৰু সৰ্বোচ্চ শাসন*

- অধ্যক্ষ মহোদয়, জনতা ভৱনত 'মিছন সদ্ভাৱনা'ৰ সফল ৰূপায়ণৰ অন্তত এতিয়া আমি আঁচনিখন অসমৰ জিলা উপায়ুক্তৰ কাৰ্যালয়সমূহ তথা অসম চৰকাৰৰ সঞ্চালকালয় আৰু আয়ুক্তালয়সমূহলৈ সম্প্ৰাসাৰণ কৰি আছো। ই কাম সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় সময় হ্ৰাস কৰি ৰাজহুৱা সেৱা প্ৰদান ব্যৱস্থাক অধিক শক্তিশালী কৰিছে।

- অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ নাগৰিকসকলৰ জীৱন-ধাৰণৰ মান সহজ কৰি তুলিবলৈ আমাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা মনত ৰাখি ৰাজ্য চৰকাৰে 'কৃতজ্ঞতা প'ৰ্টেল' আৰম্ভ কৰিছে। এতিয়ালৈকে ৮,৯১১ গৰাকী ধন আহৰণ আৰু বিতৰণকাৰী বিষয়া(DDO)ৰ জৰিয়তে 'কৃতজ্ঞতা' প'ৰ্টেলৰ অধীনত পঞ্জীয়নকৃত ৮,৮৫৩ টা কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত

কৰ্মচাৰীলৈ ৯,৬৮৪ টা পি পি অ'(PPO) জাৰি কৰা হৈছে। এতিয়ালৈকে ৰাজ্যখনত ২৭ টা পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে।

- মহোদয়, 'তথ্য জনাৰ অধিকাৰ আইন'খনৰ ৰূপায়ণ অধিক কাৰ্যকৰী কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম তথ্য আয়োগৰ শুভাৰম্ভ কৰিছে।
- ৰাজ্যখনৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক অধিক সক্ষম কৰি তোলাৰ বাবে মাজুলী, বঙাইগাঁও, শিলচৰ আৰু গুৱাহাটীত ৪ খন নতুন প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হৈছে।
- মহোদয়, ডিজিটেল প্ৰশাসনৰ এই পৰিৱৰ্তিত সময়ৰ সৈতে খোজ মিলোৱাৰ বাবে আমি আছাম ৰুলচ অব এক্সিকিউটিভ বিছনেছ আৰু মেনুৱেল অব অ'ফিচ প্ৰচিডিউৰ - সংশোধন কৰি আছো যাতে আওপুৰণি প্ৰক্ৰিয়াসমূহৰ পৰা হাত সাৰিব পাৰি।
- মই ইয়াৰ দ্বাৰা এই বিভাগলৈ ১৪,১৬৪.৭৯ কোটি টকা আবণ্টন দিলো।

**কৃষি বিভাগ**

*অসমৰ কৃষকলৈ প্ৰশস্তি*

- অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ কৃষিখণ্ডৰ সামগ্ৰিক উন্নয়নৰ বাবে আমি দায়বদ্ধ। যোৱা ৩ বছৰত কৃষিজাত শস্যৰ ৰপ্তানি ২৫০ শতাংশ বৃদ্ধি হৈ ৪০ কোটিৰ পৰা ১৪০ কোটিলৈ বৃদ্ধি হৈছে।
- ধান খেতি কৰাৰ পিছত বছৰৰ বাকী সময়ত আন শস্য উৎপাদন কৰা কৃষিভূমি বিশেষকৈ সৰিয়হ (৪ লাখ হেক্টৰ), মাহজাতীয় শস্য (১.৬৮ লাখ হেক্টৰ), মাকৈ (১.১ লাখ হেক্টৰ) আৰু আলু (২৫,০০০ হেক্টৰ)ৰ বাবে বৰ্তমানৰ প্ৰায় ১০ লাখ হেক্টৰৰ পৰা বিশাল পৰিসৰত সম্প্ৰসাৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে।
- আমাৰ চৰকাৰ পৰম্পৰাগত তৈল বীজৰ ঊৰ্দ্ধলৈ যাব বিচাৰিছো। পৰৱৰ্তী পাঁচ বছৰত দুই লাখ হেক্টৰ ভূমি তালজাতীয় তেলৰ খেতিৰ দ্বাৰা সামৰিবলৈ

আমি পৰিকল্পনা কৰিছো। প্ৰায় ২০৮৪ হেক্টৰ ভূমিত ইতিমধ্যে তালৰ খেতি কৰা হৈছে। ৰাজ্যখনক ছটা মণ্ডলত ভাগ কৰা হৈছে আৰু ইয়াৰে চাৰিটা মণ্ডল ইতিমধ্যে সংসাধন প্ৰতিষ্ঠানক আবণ্টন দিয়া হৈছে।

- আমাৰ চৰকাৰে অসম মিলেট মিছন, অসম পশুখাদ্য অভিযান আৰু অসম পুষ্প কৃষি অভিযান আৰম্ভ কৰিছে।
- ৰাজ্য চৰকাৰে এক নিযুত মেট্ৰিক টন পৰিমাণৰ কৃষি আৰু উদ্যান শস্য মজুত কৰিব পৰা ভঁৰালগৃহ সজাৰ বাবে এটা ভঁৰাল অভিযান (Storage Mission) স্থাপন কৰিব। ইয়াৰ উপৰি, উৎপাদন পৰৱৰ্তী ক্ষতি ন্যূনতম কৰিবৰ বাবে ভাৰত চৰকাৰৰ আঁচনিসমূহৰ বৰ্তমানৰ ব্যৱস্থাপনাৰ উপৰি উপৰঞ্চি ৰাজসাহায্য যোগান ধৰি অধিক শুকান আৰু শীতল ভঁৰাল নিৰ্মাণৰ আঁচনি আৰম্ভ কৰা হ'ব।
- নিম্ন উৎপাদনশীলতাৰ সমস্যা সমাধানৰ বাবে মানসম্পন্ন বীজ আৰু ৰোপণ সামগ্ৰী যোগান ধৰিবলৈ অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প (APART) ৰ অধীনত চৰকাৰে এটা বীজ ভাৰ্টিকেল সৃষ্টি কৰিছে।
- বিভিন্ন কৃষি বিশ্ববিদ্যালয়ত শিকোৱা পাঠ্যক্ৰমসমূহৰ গাঁথনিগত আৰু সময়সাপেক্ষ ৰূপত পুনৰীক্ষণ কৰা হ'ব।
- নেনো ইউৰিয়াৰ উপলব্ধতা বৃদ্ধি কৰি আমি ইয়াৰ ব্যৱহাৰৰ প্ৰসাৰ ঘটাইছো।
- এই বিভাগলৈ মই ২১৬১.৭৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়ালো।

**পশুপালন আৰু পশু চিকিৎসা ঃ *পশু ধনৰ উপযুক্ত ব্যৱহাৰ***

- অধ্যক্ষ মহোদয়, কৃষি খণ্ডৰ পিছতে পশুপালন হৈছে আন এক খণ্ড যিয়ে নিয়োগ সৃষ্টি কৰে আৰু ই কৃষকৰ আয় দুগুণ কৰাত সহায় কৰে।
- ২০২২-২৩ বিত্তীয় বৰ্ষত ছাগলী পালন খণ্ডত ৯,৯০০ গৰাকী মহিলা হিতাধিকাৰী, গাহৰি পালন খণ্ডত ১,৬৭০ গৰাকী গাহৰি পালক আৰু ২১৮ টা ব্যৱসায়িক কুকুৰা পালন গোট উপকৃত হৈছে। পোহনীয়া জীৱ-জন্তুৰ বাবে গুৱাহাটী, বোকাখাত আৰু ডিব্ৰুগড়ত তিনিটা multi speciality critical care centre স্থাপন কৰা হৈছে। বিভাগে ২০২২-

২৩ বিত্তীয় বৰ্ষত নতুনকৈ ১৬১ গৰাকী খণ্ড পশুপালন বিষয়া আৰু পশুপালন বিষয়াক নিযুক্তি প্ৰদান কৰিছে। তদুপৰি আমাৰ চৰকাৰে বঙাইগাঁও আৰু ধেমাজিত প্ৰতিদিনে ৫,০০০ লিটাৰ সংসাধন সামৰ্থ্যৰ দুটা নতুন দুগ্ধ সংসাধন প্ৰকল্প স্থাপন কৰিছে।

- পৰৱৰ্তী ৫ বছৰত ৫০,০০০ দামুৰি পোৱালি উৎপাদনৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন বোৰ্ডৰ সহযোগত এখন আঁচনি ৰূপায়ণ কৰি থকা হৈছে।
- তদুপৰি, ৰাজ্যখনত দামুৰি পোৱালি উৎপাদন সুনিশ্চিত কৰাৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাপে ১.১৬ লাখ পালি লিংগ নিৰ্ধাৰিত শুক্ৰাণু সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে।
- ইয়াৰ উপৰি, গাহৰি মাংস উৎপাদনৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনক স্বনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে ৭.৮৮ কোটি টকাৰে ১,৬৭০ গৰাকী গাহৰি পালকক পাম স্থাপনৰ বাবে সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা লোৱা হৈছে।
- বিভাগটোৱে অসমক গাখীৰ, মাংস আৰু কণী উৎপাদনত স্বনিৰ্ভৰশীল কৰাৰ বাবে কাম কৰি আছে।
- এই বিত্তীয় বৰ্ষত এই বিভাগৰ বাবে মই ৬২১.২৫ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ লৈছোঁ।

**সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ**

***আমাৰ ভূমি, আমাৰ সীমান্ত আৰু আমাৰ ভৱিষ্যতৰ সুৰক্ষা প্ৰদান।***

- অধ্যক্ষ মহোদয়, ৰাজ্যৰ সীমান্ত অঞ্চলত বসবাস কৰা আমাৰ নাগৰিকসকলৰ সুৰক্ষা আৰু উন্নয়নৰ স্বাৰ্থত দীৰ্ঘদিন ধৰি বিবদমান হৈ ৰোৱা সীমা সমস্যা সমাধানৰ বাবে আমাৰ চৰকাৰ দায়বদ্ধ আৰু চৰকাৰে সীমান্তত শান্তি স্থাপন আৰু স্বাভাৱিক অৱস্থা প্ৰতিষ্ঠাৰ বাবে কেতবোৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত — ১) অসম আৰু মেঘালয় সীমান্ত (চৰকাৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ), ২) অসম-নগালেণ্ড

সীমান্ত (বিবদমান অঞ্চলৰ পৰা সশস্ত্ৰ আৰক্ষী বাহিনী প্ৰত্যাহাৰত সহমতত উপনীত), ৩) অসম-মিজোৰাম সীমান্ত (বিবাদ নিষ্পত্তিৰ বাবে আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ) আৰু ৪) অসম-অৰুণাচল সীমান্ত (বিবাদ নিষ্পত্তিৰ বাবে ১২ খন আঞ্চলিক সমিতি গঠন)।

- আমাৰ চৰকাৰে অসম-মেঘালয় আন্তঃৰাজ্যিক সীমান্তৰ খাটখাচলাত, অসম-অৰুণাচল আন্তঃৰাজ্যিক সীমান্তৰ ভালুকপুং মইনাজুলিত, অসম-নাগালেণ্ড আন্তঃৰাজ্যিক সীমান্তৰ আপাৰ নামচাইত আৰু অসম-মণিপুৰ আন্তঃৰাজ্যিক সীমান্তৰ টাট্টেফাইৰ লেইৰীত সীমা সুৰক্ষা চকীৰ (Border Out Post) নিৰ্মাণ সম্পূৰ্ণ কৰিছে আৰু সীমা সুৰক্ষা চকীৰ ব্যৱস্থাপনা সমিতি (Management Committees) গঠন কৰি আন্তঃগাঁথনি উন্নয়ন আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ বাবে অৰ্থ সাহায্য মঞ্জুৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
- আমাৰ চৰকাৰে সীমান্তৰ গুৰুত্বপূৰ্ণ স্থানসমূহত পৰ্যায়ক্ৰমে নতুনকৈ আৰু ৫০ টা সীমা সুৰক্ষা চকী (BoP) স্থাপনৰ বাবে ব্যৱস্থা হাতত লৈছে।
- আমাৰ সীমামুৰীয়া ৰাজ্য—মেঘালয়, অৰুণাচল প্ৰদেশ আৰু মিজোৰাম সীমান্তৰ বাসিন্দাসকলৰ সৈতে শান্তিপূৰ্ণ সহাৱস্থানক উৎসাহিত কৰাৰ উদ্দেশ্যে অহা ২০২৩-২৪ বিত্তীয় বৰ্ষত বৰ্ণিহাট, দুধনৈ আৰু শিলচৰত ‘সীমান্ত উৎসৱ’ উদ্‌যাপন কৰা হ’ব।

  মই এই বিভাগৰ বাবে বাজেটত ৪৬.৮৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**সমবায় বিভাগ**

*একতাই শক্তি*

- অধ্যক্ষ মহোদয়, অসমৰ সমবায় আন্দোলনে ৰাজ্যখনৰ অৰ্থনীতিত প্ৰচুৰ বৰঙণি আগবঢ়াই আহিছে।
- নামনি অসমত এটা মৰাপাট কল স্থাপন কৰা হ’ব, যিয়ে মৰাপাটৰ থৈলাৰ নাটনি দূৰ কৰিব আৰু মৰাপাট আহৰণত সহায় কৰিব। একেদৰে সৰিয়হৰ

উৎপাদন অধিক হোৱা অঞ্চলসমূহত সৰিয়হ তেলৰ মিল স্থাপনত সমবায়সমূহক আমি উৎসাহিত কৰা হ'ব।

- দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত অসমক স্ব-নিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে অসম চৰকাৰ আৰু ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন ব'ৰ্ডৰ যুটীয়া উদ্যোগত North East Dairy and Foods Limited নামৰ এটা কোম্পানী গঠন কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে প্ৰতিদিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদন কৰা।

- মই জনাবলৈ পাই আনন্দিত হৈছো যে, আমি গুৱাহাটীৰ কুমাৰপাৰা আৰু নগাঁৱৰ শেনচোৱাত সম্পূৰ্ণ মহিলাৰ দ্বাৰা পৰিচালিত দুখন সমবায় বজাৰ স্থাপন কৰিব ওলাইছো।

- গাঁও পঞ্চায়ত সমবায় সমিতিসমূহক মুখ্য কাৰ্যালয় পৰ্যন্ত অবিৰত সংযোগ ব্যৱস্থাৰে সামৰি লোৱাৰ উদ্দেশ্যে আমি ৰাজ্যখনৰ গাঁও পঞ্চায়ত সমবায় সমিতিসমূহৰ সকলো কাম-কাজ কম্পিউটাৰাইজড্ কৰাৰ বাবে কাম কৰি আছো।

- মই এই বিভাগলৈ ২১৮.৯১ কোটি টকা আবণ্টন দিছো।

**সাংস্কৃতিক পৰিক্ৰমা বিভাগ**

*ঐতিহ্যৰ সংৰক্ষণ*

- অধ্যক্ষ মহোদয়, সংস্কৃতি আৰু ঐতিহ্যই আমাৰ মূল্যবোধ, বিশ্বাস আৰু আকাংক্ষাৰ প্ৰতিফলন ঘটোৱাৰ লগতে আমাৰ ৰাষ্ট্ৰীয় পৰিচয় নিৰূপণ কৰে। আমাৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয়। কাৰণ ইয়ে জনসাধাৰণক একতাৰ ডোলেৰে বান্ধি ৰাখে। অসম এখন বৈচিত্ৰতাৰে ভৰা ৰাজ্য। বিচিত্ৰতাৰ মাজতো ৰাজ্যখনে এক আত্মাৰূপে বিভিন্ন সম্প্ৰদায়ৰ গৌৰৱান্বিত আৰু দৃঢ়তাপূৰ্ণ সংস্কৃতি বহন কৰি আহিছে। ধ্বজ্জাবাহী আঁচনিসমূহৰ অধীনত উল্লেখ কৰা পদক্ষেপসমূহৰ বাহিৰেও আমি দিয়া প্ৰতিশ্ৰুতিসমূহৰ অধিকাংশ পূৰণ কৰিছো।

- কোভিড-১৯ মহামাৰীৰ সময়ত আৰ্থিক দুৰ্যোগৰ সন্মুখীন হোৱা ৰাজ্যখনৰ

৬,১২৪ গৰাকী নামঘৰীয়া আৰু ২,৪৩৮ গৰাকী পুৰোহিতলৈ আমাৰ চৰকাৰে যোৱা বছৰ এককালীন বিত্তীয় সাহায্য আগবঢ়াইছে।

- আমি গোৱালপৰীয়া লোকগীতৰ সম্রাজ্ঞী স্বৰ্গীয়া প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহটো সংৰক্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছো। ইয়াৰ বাবে আমি ১৫২০.৮২ লাখ টকা ব্যয় সাপেক্ষে ভৱনটো অধিগ্ৰহণৰ ব্যৱস্থা কৰিছো।
- বিভাগটোৱে বিগত বছৰত আলাবৈ, দদৰা আৰু চৰাইদেউ প্ৰত্নতাত্বিক ক্ষেত্ৰৰ উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰিছে।
- মই বিভাগটোৰ বাবে ২১৩.৩৮ কোটি টকাৰ আবণ্টন দিছো।

**পৰিৱেশ আৰু বন বিভাগ**

*ভৱিষ্যৎ প্ৰজন্মৰ বাবে সেউজ সমাজৰ নিৰ্মাণ*

- অধ্যক্ষ মহোদয়, আমি ৰাজ্যখনৰ সেউজ এলেকা বৃদ্ধিৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু এই লক্ষ্যৰে আমি ২০২৩-২০২৪ বিত্তীয় বৰ্ষত সমগ্ৰ ৰাজ্যতে ৬ কোটি গছপুলি উৎপাদন কৰি ১০,০০০ হেক্টৰ ভূমিত ৰোপণৰ প্ৰচেষ্টা হাতত লৈছো। আমি বৃহত্তৰ সেউজ গুৱাহাটীৰ বাবে তিনি বছৰীয়া মাষ্টাৰ প্লেন প্ৰস্তুত কৰিছো।
- আমাৰ চৰকাৰ ৰাজ্যখনত মানুহ-বন্যপ্ৰাণী সংঘাত হ্ৰাস কৰাৰ বাবে সম্পূৰ্ণভাৱে প্ৰতিশ্ৰুতিবদ্ধ। এনে সংঘাতৰ বলি হোৱা দুৰ্গত পৰিয়াললৈ সাহায্য ত্বৰান্বিত কৰাৰ উদ্দেশ্যে বন্যপ্ৰাণীৰ উপদ্ৰৱত ক্ষতিগ্ৰস্তৰ ঘটনাক ইতিমধ্যে প্ৰাকৃতিক দুৰ্যোগৰ ঘটনা বুলি ঘোষণা কৰা হৈছে।
- আমাৰ চৰকাৰে মানুহ আৰু বন্যপ্ৰাণীৰ মাজৰ সংঘাতৰ বলি হোৱা ৯,৪৫৯জন ভুক্তভোগীলৈ ২০.৬২ কোটি টকাৰ এককালীন সাহায্য আৰু ক্ষতিপূৰণ প্ৰদান কৰিছে।
- অধ্যক্ষ মহোদয়, লখিমপুৰত অসম বন সুৰক্ষা বাহিনীৰ তৃতীয় বেটেলিয়ন স্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ বাবে ইতিমধ্যে ৩০০ বিঘা ভূমি আবণ্টন দিয়া হৈছে।
- অসমৰ চহকী জৈৱ-বৈচিত্ৰ্যৰ গৱেষণা আৰু জনসাধাৰণৰ মাজত ইয়াৰ

প্ৰচাৰৰ উদ্দেশ্যে গোলাঘাট জিলাৰ পাণবাৰীত এটা অত্যাধুনিক প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় স্থাপন কৰা হ'ব।

- চোৰাং চিকাৰীৰ বিৰুদ্ধে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে বন্যপ্ৰাণীৰ বাসস্থানৰ এলেকাসমূহত নিয়োজিত সকলো অগ্ৰণী বনকৰ্মীক আধুনিক এছল্ট ৰাইফলেৰে সুসজ্জিত কৰা হ'ব।
- বনজ সম্পদৰ সৰ্বোচ্চ ব্যৱহাৰৰ উদ্দেশ্যে আমাৰ চৰকাৰে ২০২৩-২০২৪ বিত্তীয় বৰ্ষত অসম বন উন্নয়ন নিগম পৰিসীমিত স্থাপন কৰিবলৈ পৰিকল্পনা হাতত লৈছে।
- বনাঞ্চল বেদখল নিৰীক্ষণ কাৰ্যত কৃত্ৰিম উপগ্ৰহৰ পৰা প্ৰাপ্ত ছবি আৰু ড্ৰোণৰ সহায় লোৱা হ'ব।
- কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীৱ-জন্তুৰ উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ বাবে এটা আধুনিক কেন্দ্ৰ স্থাপন কৰা হ'ব।
- মই এই বিভাগৰ বাবে ১০৫৬.৭০ কোটি টকা আবণ্টন দিছো।

**আবকাৰী বিভাগ**

*বলবৎকৰণ আৰু নিয়োজন*

- আবকাৰী আইন আৰু বিধিৰ ব্যৱস্থাৱলী অনুসৰি আবকাৰী বিভাগক ৰাজহ সংগ্ৰহ আৰু আইন বলবৎকৰণ— এই দুয়োটা দায়িত্ব ন্যস্ত কৰা হৈছে। আমাৰ চৰকাৰে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত উল্লেখযোগ্য বৃদ্ধি লাভ কৰিবলৈ সক্ষম হৈছে (যিটো পূৰ্বৰ বছৰৰ একে সময়ছোৱাৰ তুলনাত প্ৰায় ৩১ শতাংশ অধিক)। এই ৰাজহ সংগ্ৰহৰ পৰিমাণ ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহলৈ ২২০০ কোটি টকা হৈছে।
- যোৱা বছৰ বিভাগে ভাৰতত উৎপাদিত বিদেশী সুৰা (IMFL)ৰ ওপৰত আৰোপিত মূল্যানুসাৰ শুল্ক (Ad-Valorem levis)ক যুক্তিসংগত কৰিবলৈ আৰু নতুন ব্ৰেণ্ড প্ৰৱৰ্তনেৰে ব্ৰেণ্ডসমূহ পুনৰ গঠন কৰিবলৈ সক্ষম হৈছিল। লগতে আমি অন্যান্য ৰাজ্যত বিক্ৰীৰ বাবে থকা সুৰাৰ

অবৈধ পৰিবহণ আৰু চোৰাং বেহা ৰোধ কৰিবলৈ এটা অনলাইনযোগে সৰবৰাহৰ অনুমতি পত্ৰ প্ৰদানৰ ব্যৱস্থা (Transit Pass Machanism)ৰ প্ৰৱৰ্তন কৰিছো।

- কোনো অতিৰিক্ত অনুজ্ঞাপত্ৰ মাচুল প্ৰদান নকৰাকৈ যাতে পৰম্পৰাগত সুৰা জাতীয় পানীয় বিক্ৰী কৰিব পাৰে তাৰ বাবে বৰ্তমানে থকা আই এম এফ এল/দেশীয় সুৰাৰ পাইকাৰী আৰু খুচুৰা অনুজ্ঞাপত্ৰসমূহক অনুমতি প্ৰদানৰ দ্বাৰা বিভাগে পৰম্পৰাগত সুৰা জাতীয় পানীয়ৰ বিপণনক উৎসাহিত কৰিবলৈ সক্ষম হৈছে।

- মহোদয়, আমাৰ চৰকাৰে বৰ্তমানলৈকে হাতত লোৱা সংস্কাৰসমূহ অব্যাহত ৰাখিবলৈ বিচাৰিছে আৰু কেতবোৰ নতুন সংস্কাৰ আনিবলৈও প্ৰস্তাৱ কৰিছে।

  ■ Track and Trace System নিৰীক্ষণৰ বাবে এটা Command Control Centre স্থাপন, Excise e-Governance Solutionৰ বিভিন্ন ড্যাছবোৰ্ড স্থাপন আৰু আবকাৰী বিষয়াসকলৰ সময়োপযোগী হস্তক্ষেপৰ বাবে সতৰ্কতা সৃষ্টি।

  ■ ৰাজহ ফাকি ৰোধ কৰিবলৈ, নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ৰাজহৰ ধৰণটো বুজাত সহায় কৰিবলৈ আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সহায় আগবঢ়াবলৈ আবকাৰী আয়ুক্তালয়ত এটা Data Analytics Unit স্থাপন।

- মই এই বিভাগৰ বাবে ৯৯.৫৭ কোটি টকা আবণ্টন দিছো।

**মীন বিভাগ**

*নীল বিপ্লৱ অভিমুখে এখোজ*

- অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ বাসিন্দাসকলৰ মূল আহাৰৰ অন্যতম অংশ হিচাপে আমাৰ পৰিপুষ্টিৰ সুৰক্ষাত মাছৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আমাৰ চৰকাৰে অহা ৫ বছৰৰ ভিতৰত দেশৰ সৰ্বাধিক মাছ উৎপাদনকাৰী প্ৰথম

৫ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান নিশ্চিত কৰাৰ বাবে লক্ষ্য নির্ধাৰণ কৰিছে। জাপান ইণ্টাৰনেচনেল ক'অপাৰেচন এজেন্সী (JICA)ৰ পুঁজিৰে আমি 'অসম মীনপালন আৰু গ্ৰাম্য জীৱিকা প্ৰকল্প' (AFRLP) শীর্ষক এখন আঁচনি হাতত লৈছো।

- অসমৰ থলুৱা লুপ্তপ্ৰায় প্ৰজাতিৰ মাছৰ পুনৰুদ্ধাৰ, প্ৰসাৰণ আৰু জাৰ্মপ্লাজম (Germplasm) সংৰক্ষণৰ বাবে বিভাগে থলুৱা মাছৰ জীন বেংক (GBIF) স্থাপনৰ এটি ৫ বছৰীয়া প্ৰকল্প হাতত লৈছে; যিটো মীন মহাবিদ্যালয়, ৰহাৰ জৰিয়তে ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।
- মই এই বিভাগৰ বাবে ১৭৫.০২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ**

*সুগমতা, সুলভতা আৰু সহজলভ্যতা*

- অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে সামগ্ৰিক মূল্য স্তৰৰ স্থিৰতা ৰক্ষা কৰা আৰু জনসাধাৰণলৈ পৰ্যাপ্ত পৰিমাণৰ তথা উন্নত গুণগত মানৰ সামগ্ৰীৰ যোগান নিশ্চিত কৰিব। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ৫৫,৭১,৯১৩ টা পৰিয়াল অন্তৰ্ভুক্ত; ইয়াৰে ৬,৬৭,৬৮৭ টা অন্ত্যোদয়া অন্ন যোজনা (এ এ ৱাই) পৰিয়াল আৰু ৪৯,০৪,২২৬ টা অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল।
- 'সমবায় সবলীকৰণ আঁচনি'ৰ অধীনত গাঁও পঞ্চায়ত সমবায় সমিতি (জি পি এছ এছ) সমূহক সহায় কৰিবলৈ ২০২৩-২৪ বিত্তীয় বৰ্ষত ৫,৪৩৪.৬০ লাখ টকা আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হৈছে। এই আঁচনিৰ অধীনত প্ৰায় ৮৪০ খন জি পি এছ এছ, পাইকাৰী উপভোক্তা সমবায় সমিতি (ডব্লিউ চি চি এছ) আৰু বৃহৎ পৰিসৰৰ আদিবাসী বহুমুখী ছ'চাইটী (এল এ এম পি এছ) উপকৃত হ'ব।
- ২০২২ বৰ্ষৰ জুনৰ পৰা অসমে 'এক ৰাষ্ট্ৰ এক কাৰ্ড' আঁচনিখন গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত সুলভ মূল্যৰ দোকানত ePoS যন্ত্ৰৰ ব্যৱস্থা কৰি থকা হৈছে আৰু ৩৩,৩৭৭ টা ePoS যন্ত্ৰ ইতিমধ্যে কাৰ্যকৰী হৈছে।

- আমাৰ চৰকাৰে ২০২৩ বৰ্ষত ধানৰ বিকেন্দ্ৰীকৃত ক্ৰয় (DCP)ত অংশগ্ৰহণৰ বাবে আবেদন কৰিব আৰু ২০২৪ বৰ্ষৰ পৰা বিকেন্দ্ৰীকৃত ক্ৰয় আৰম্ভ কৰিব।
- মই ইয়াৰ দ্বাৰা এই বিভাগটোলৈ ৬০৯.৭৯ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

**সাধাৰণ প্ৰশাসন বিভাগ**

*প্ৰশাসনৰ কেন্দ্ৰ*

- অধ্যক্ষ মহোদয়, প্ৰতিষ্ঠানৰ পুনৰ গঠন আৰু পৰিকল্পিত মানৱ শক্তিৰ লগতে পদ্ধতি আৰু প্ৰক্ৰিয়াৰ পুনৰুজ্জীৱিতকৰণৰ লক্ষ্যৰে কৰা ধাৰাবাহিক উৎকৰ্ষ সাধন প্ৰক্ৰিয়াৰ জৰিয়তে সাধাৰণ প্ৰশাসন বিভাগে আমাৰ ক্ষেত্ৰীয় কাৰ্যালয়সমূহৰ প্ৰশাসন শক্তিশালী কৰাৰ বাবে অক্লান্তভাৱে কাম কৰি আছে।
- আমাৰ চৰকাৰে দেশৰ বিভিন্ন প্ৰান্তলৈ ভ্ৰমণ কৰা অসমৰ লোকসকলৰ বাবে ব্যয়সাধ্য, নিৰাপদ আৰু ঘৰুৱা পৰিৱেশৰ ব্যৱস্থা কৰি আহিছে। এই দিশেৰে ভেলোৰত থকা অসম ভৱনটো উদ্বোধন কৰাৰ বাবে সাজু হৈ উঠিছে আৰু বাংগালুৰুৰ অসম ভৱনটো ২০২৩ বৰ্ষৰ অক্টোবৰ মাহত সাজু হৈ উঠিব বুলি আশা কৰা হৈছে।
- তদুপৰি, কাম কৰাৰ বাবে এক উন্নত পৰিৱেশ সৃষ্টি কৰাৰ অৰ্থে আমাৰ চৰকাৰে জনতা ভৱনৰ বৰ্তমানৰ ব্লকসমূহক পুনৰ সংস্কাৰ আৰু নৱীকৰণেৰে নতুন ৰূপ দিবলৈ সিদ্ধান্ত লৈছে।
- সহজলভ্য প্ৰশাসনৰ উদ্দেশ্যে আমাৰ চৰকাৰে ডিব্ৰুগড়ত এটা মুখ্যমন্ত্ৰীৰ সচিবালয় আৰু তেজপুৰত এটা ৰাজভৱন নিৰ্মাণৰ বাবে সিদ্ধান্ত লৈছে।
- ৰাষ্ট্ৰ সংঘৰ আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ ২০২৩ৰ সৈতে সংগতি ৰাখি ২০২৩ চনৰ ১ ফেব্ৰুৱাৰীত দিছপুৰৰ জনতা ভৱনত এটা মিলেট কেফে স্থাপন কৰা হৈছে। সকলো জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত মিলেট কেফে মুকলি

কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

- দিছপুৰৰ ছুপাৰ মাৰ্কেটত কৰ্মচাৰী আবাসৰ পুনৰ নিৰ্মাণৰ পৰিকল্পনা আছে।
- এই বিভাগৰ বাবে মই এই বছৰৰ বাজেটত ৭১৮.৬১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ ৰাখিছোঁ।

**হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগ**

*ভৱিষ্যৎ সৃজন*

- অধ্যক্ষ মহোদয়, অসমৰ হস্ততাঁত আৰু বয়ন শিল্প অসমীয়া সংস্কৃতি আৰু ঐতিহ্যৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। এইটো আমাৰ বাবে অতি গৌৰৱৰ বিষয় যে অসমীয়া গামোচাই ২০২২ চনৰ ডিচেম্বৰ মাহত জি আই টেগ লাভ কৰিছে।
- দুখীয়া শিপিনীসকলৰ সৰ্বাংগীণ বিকাশ সাধনৰ বাবে 'স্বনিৰ্ভৰ নাৰী' নামৰ আঁচনিখনে নাৰীসকলক এখন একক মঞ্চ প্ৰদান কৰিছে। এই আঁচনিৰ অধীনত দুখীয়া শিপিনীসকলে তেওঁলোকৰ হস্ততাঁত উৎপাদিত সামগ্ৰীৰ ওপৰত ন্যূনতম সমৰ্থন মূল্য (MSP) লাভ কৰাৰ লগতে ই তেওঁলোকক এখন সুস্থিৰ আৰু লাভজনক বজাৰৰ সুবিধা প্ৰদান কৰিছে। এই আঁচনিৰ অধীনত মুঠ ৪,৮০,০৮০ গৰাকী শিপিনীৰ নাম পঞ্জীয়ন কৰা হৈছে আৰু এতিয়ালৈকে ১,০০,০০০তকৈ অধিক হাতে বোৱা সামগ্ৰী শিপিনীসকলে চৰকাৰক বিক্ৰী কৰিছে।
- আমি ৩০ শতাংশ ৰাজসাহায্যযুক্ত হাৰত সূতা প্ৰদানৰ দ্বাৰা শুৱালকুছিৰ ৪,২৯৯ গৰাকী শিপিনীক সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ লৈছো।
- অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত ৫ খন জিলা/মহকুমাত ৰেচম আদৰ্শ গাঁও স্থাপন কৰা হ'ব।
- ৰেচম আদৰ্শ গাঁও স্থাপনৰ বাবে ৭৩৩ লাখ টকাৰ প্ৰস্তাৱ কৰা হৈছে আৰু ই ৫ খন জিলা/মহকুমাৰ ১,২৫০ গৰাকী হিতাধিকাৰীক সামৰি ল'ব।
- আমাৰ চৰকাৰে ৫৫ কোটি টকাৰ প্ৰাক্কলিত প্ৰকল্প ব্যয়েৰে এখন

সংহত হস্ততাঁত উদ্যান স্থাপনৰ পদক্ষেপ লৈছে। ইয়াৰ বাবে ইতিমধ্যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষত মুঠ ২৫ বিঘা ভূমি আবণ্টন দিয়া হৈছে।

- মই এই বিভাগৰ বাবে ৩৭৭.৭৫ কোটি টকা আবণ্টন দিছো।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ**

*এখন সুস্থ অসমৰ দিশত প্ৰয়াস*

- অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণক সুলভ মূল্যত প্ৰতিকাৰমূলক, উচ্চমানবিশিষ্ট, নিৰাময়জনিত আৰু উন্নত স্বাস্থ্যসেৱা আগবঢ়োৱাৰ বাবে এই বিভাগটো দায়বদ্ধ।
- 'জন্মগতভাৱে হৃদৰোগত ভোগা শিশুৰ বাবে বিনামূলীয়া অস্ত্ৰোপচাৰ আঁচনি' (চি এইচ ডি)ৰ অধীনত ২০১০-১১ বৰ্ষত আঁচনিখন আৰম্ভ হোৱাৰ পৰা ১০,০০০ টা শিশু ইয়াৰ দ্বাৰা উপকৃত হৈছে।
- 'অসমৰ চাহ বাগিচা অঞ্চলৰ অন্তঃসত্ত্বা মহিলাৰ বাবে পাৰিশ্ৰমিক ক্ষতিপূৰণ আঁচনি'ৰ অধীনত হিতাধিকাৰীসকলৰ বেংক একাউণ্টলৈ ৬,৯১৪.৫৩ লাখ টকা হস্তান্তৰ কৰাৰ ফলত মুঠ ৭৭,৫২৭ গৰাকী অন্তঃসত্ত্বা মহিলা উপকৃত হৈছে।
- 'মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় সেৱা'ৰ অধীনত ১০,২০,০৬৯ গৰাকী ৰোগীয়ে বিনামূলীয়া চি টি স্কেন সেৱা, ২৬,০৯,৯১০ গৰাকী ৰোগীয়ে বিনামূলীয়া এক্স-ৰে' সেৱা আৰু ৫৮,২৭,৬৮৫ গৰাকী ৰোগীয়ে বিনামূলীয়া পৰীক্ষাগাৰ সেৱা লাভ কৰিছে।
- 'আয়ুস্মান ভাৰত আঁচনি'ৰ অধীনত মুঠ ৪,০০৭ টা স্বাস্থ্য তথা কল্যাণ কেন্দ্ৰ (এইচ ডব্লিউ চি) কাৰ্যকৰী কৰা হৈছে আৰু ইয়াৰে ২,৯৮৮ টা উপ-কেন্দ্ৰ, ৯১৯ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ৫৩ টা নগৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ৪৫ টা আয়ুষ-স্বাস্থ্য তথা কল্যাণ কেন্দ্ৰ আৰু ২ টা ইউ এইচ ডব্লিউ চি-এইচ ডব্লিউ চি সক্ৰিয় হৈ আছে।

- আমাৰ চৰকাৰে ‘গুণোৎসৱ’ৰ দৰে ২০২৩ বৰ্ষৰ ৬-১২ এপ্ৰিলৰ সময়ছোৱাত ‘স্বাস্থ্য সেৱা উৎসৱ’ অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। মাননীয় মন্ত্ৰী, মাননীয় বিধায়ক আৰু অন্যান্য প্ৰশাসনিক বিষয়াৰ লগতে চিকিৎসকসকলে এই উৎসৱত অংশগ্ৰহণ কৰিব।

- তদুপৰি, আমাৰ চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে তলত দিয়া প্ৰস্তাৱসমূহ আগবঢ়াইছে ঃ

  •অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰাংগণত এক অত্যাধুনিক স্বাস্থ্য তথা কল্যাণ কেন্দ্ৰ স্থাপন।

  •জীৱ কান্ত শইকীয়া হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় হাস্পতাল (জে কে এছ এইচ এম চি এইচ) প্ৰাংগণত এক অত্যাধুনিক আয়ুষ স্বাস্থ্যসেৱা কেন্দ্ৰ স্থাপন।

- মই ইয়াৰ দ্বাৰা গ্ৰাণ্ট নং ২৯- চিকিৎসা আৰু জনস্বাস্থ্যৰ বাবে ৭,১৩০.১৯ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**উচ্চ শিক্ষা বিভাগ**

*আকাশেই সীমা*

- অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ জৰিয়তে উচ্চ শিক্ষা খণ্ডৰ প্ৰসাৰ আৰু গুণগত উন্নয়নৰ ক্ষেত্ৰত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

- ডিব্ৰুগড়, যোৰহাট, টিহু, লখিমপুৰ আৰু তেজপুৰত ৫ খন চৰকাৰী আইন মহাবিদ্যালয় নিৰ্মাণৰ বাবে ১২.৭৯ লাখ টকাৰ অনুমোদন জনোৱা হৈছে আৰু নিৰ্মাণ কাৰ্যই অগ্ৰগতি লাভ কৰিছে।

- নগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে কৰ্পাছ পুঁজি হিচাপে ৫.২০ কোটি টকা, আন্তঃগাঁথনি উন্নয়নৰ উদ্দেশ্যে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ বাবে ১.৫০ কোটি টকাৰ লগতে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ বাবে ৫৭.৫৪ লাখ টকা, কটন বিশ্ববিদ্যালয়ৰ বাবে ৮০.০০ লাখ টকা আৰু ৰবীন্দ্ৰ নাথ

ঠাকুৰ বিশ্ববিদ্যালয়ৰ বাবে ৪২.৯৮ লাখ টকাৰ অনুমোদন জনোৱা হৈছে।

- তদুপৰি দৰিদ্ৰ সীমাৰেখাৰ তলৰ ৩,৫৭,৯০৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে ৩৪৪ খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়লৈ মাচুল ৰেহাই আঁচনি হিচাপে ৮১৭১.৪৭ লাখ টকাৰ লগতে ৩,৫৪,৩৪১ গৰাকী প্ৰাক স্নাতক ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যপুথি সাহায্য আঁচনি হিচাপে ৩,৫৪৩.৪১ লাখ টকা আৰু ৮০ খন মহাবিদ্যালয়ৰ বাবে আন্তঃগাঁথনি উন্নয়নৰ কাৰণে ২,০৫০.০০ লাখ টকাৰ অনুমোদন জনোৱাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

- লগতে, ড° বাণীকান্ত কাকতি বঁটাৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্কুটাৰ বিতৰণৰ বাবে ৩৫,৮০০ খন স্কুটাৰ ক্ৰয় কৰিবলৈ ২৫,৩৬৮.২৪ লাখ টকা মোকোলাই দিয়া হৈছে।

- প্ৰাক স্নাতক ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া পাঠ্যপুথি সাহায্য হিচাপে আমাৰ চৰকাৰে ৪,৯৫৪.১১ লাখ টকাৰ অনুমোদন জনাইছে।

- অধ্যক্ষ মহোদয়, এন আই ডি এ ৰ অধীনত বঙাইগাঁও, বিহালী আৰু শুৱালকুছি আৰু আৰ ইউ এছ এ ৰ অধীনত নলবাৰী, নগাঁও আৰু ওদালগুৰিত আৰু ৬ খন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ লগতে এছ অ' পি ডি ৰ অধীনত হাজো, মাজুলী আৰু টিংখং আৰু চি এছ এছ ৰ অধীনত দৰং, কাৰ্বি আংলং, নগাঁও, ধুবুৰী আৰু ডিমা হাচাওত আন ৮ (আঠ) খন নতুন পলিটেক্‌নিক নিৰ্মাণৰ কাম চলি আছে।

- লগতে অসম অভিযান্ত্ৰিক সেৱা নিযুক্তি ব'ৰ্ড (এ ই এছ আৰ বি)ৰ জৰিয়তে চৰকাৰী অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু পলিটেক্‌নিকসমূহত অধ্যাপক আৰু অন্যান্য কাৰিকৰী কৰ্মচাৰীৰ খালী থকা পদসমূহ পূৰণ কৰিবলৈ নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে।

- আমাৰ চৰকাৰে ১০ খন পুৰণি পলিটেক্‌নিকৰ আন্তঃগাঁথনি তথা সা-সঁজুলি উন্নীত কৰাৰ বাবে আৰু ১৬ খন নতুন পলিটেক্‌নিকৰ কাৰণে অতিৰিক্ত আন্তঃগাঁথনি তথা সঁজুলিৰ বাবে বিত্তীয় সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ আগবঢ়াইছে।

- মই সেই বাবে এই বিভাগলৈ ৩,৩৭২.৭৪ কোটি টকাৰ আবণ্টন আগবঢ়ালো।

**পাৰ্বত্য অঞ্চল বিভাগ ঃ *ঈশ্বৰৰ উপহাৰ***

- অধ্যক্ষ মহোদয়, পাৰ্বত্য অঞ্চল বিভাগে কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্বশাসিত পৰিষদৰ প্ৰশাসনীয় কাম-কাজ তদাৰক কৰে। অসমৰ পাৰ্বত্য অঞ্চলসমূহত বহনক্ষম উন্নয়নৰ লগতে শান্তি আৰু সম্প্ৰীতি ৰক্ষাৰ বাবে আমাৰ চৰকাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ।

- ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান কাৰ্যক্ষম হৈছে আৰু কাজিৰঙাৰ বাগৰি প্ৰৱেশ স্থানত পৰ্যটন নিবাসৰ উন্নয়ন সফলতাৰে সম্পূৰ্ণ হৈছে।

- এই বিভাগলৈ মই ২৯৬৭.৬৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

**গৃহ বিভাগ ঃ *এখন শান্তিপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ প্ৰয়াস***

- অধ্যক্ষ মহোদয়, আমাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে প্ৰদান কৰা গুৰুত্ব অনুসৰি আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰীৰ গতিশীল নেতৃত্বত অসম আৰক্ষীক এটা পেছাদাৰী, স্মাৰ্ট আৰু জনমুখী বাহিনীলৈ ৰূপান্তৰ কৰাৰ বাবে প্ৰচেষ্টা চলাই আহিছে।

- আমাৰ চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে বিভিন্ন প্ৰকল্পৰ কাম হাতত লৈছে। এই প্ৰকল্পসমূহৰ ভিতৰত আছে— মৈত্ৰী আঁচনিৰ অধীনত আৰক্ষী থানাসমূহৰ আধুনিকীকৰণ আৰু উন্নয়ন, ৪৬ টা নতুন অগ্নি আৰু জৰুৰীকালীন সেৱা কেন্দ্ৰ নিৰ্মাণ, ৰাজ্যখনৰ ফৰেনচিক সম্পৰ্কীয় সক্ষমতা বৃদ্ধিৰ উদ্দেশ্যে নতুন আঞ্চলিক ফৰেনচিক বিজ্ঞান পৰীক্ষাগাৰ নিৰ্মাণ, প্ৰায় ১৪০০ জন কৰ্মচাৰীৰ বাবে Transit Camp, ১০০ টা পি ই বি বেৰেক নিৰ্মাণ, ৰাজ্যিক জৰুৰীকালীন সঁহাৰি কেন্দ্ৰ নিৰ্মাণ, বিভিন্ন স্থানত ৫ টা নতুন কমাণ্ডো বেটেলিয়ন নিৰ্মাণ, গুৱাহাটী মহানগৰীৰ আৰক্ষী ৰিজাৰ্ভৰ আধুনিকীকৰণ (পাইলট প্ৰকল্প হিচাপে) আদি। তদুপৰি,

বতৰ্মানৰ অসম আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়খনক বিশ্বমানৰ এক পুলিচ একাডেমীলৈ উন্নীত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে, যিয়ে মাথোঁ উত্তৰ-পূৰ্বাঞ্চলৰেই নহয় চুবুৰীয়া দেশ আৰু *আছিয়ান* দেশসমূহৰ চাহিদাও পূৰণ কৰিবলৈ সক্ষম হ'ব।

- মানৱ বিশেষকৈ মহিলা আৰু শিশুৰ অবৈধ সৰবৰাহ সম্পৰ্কীয় অপৰাধ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ সক্ৰিয় সমৰ্থনত নিৰ্ভয়া পুঁজিৰ অধীনত অসমৰ সকলো জিলাতে অবৈধ মানৱ সৰবৰাহ প্ৰতিৰোধী গোট (AHTU) স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে।
- ৰাজ্যখনৰ বিভিন্ন উগ্ৰপন্থী সংগঠনৰ প্ৰাক্তন সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। যোৱা দুটা বছৰত এতিয়ালৈকে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ ৭,২২৯ জন সদস্যক পুনৰ সংস্থাপন প্ৰদান কৰা হৈছে।
- আমাৰ শ্বহীদসকলৰ ত্যাগক স্বীকৃতি প্ৰদান কৰি আমাৰ চৰকাৰে শ্বহীদসকলৰ নিকটাত্মীয়ক অনুকম্পামূলক নিযুক্তি প্ৰদান কৰিবলৈ ব্যৱস্থা হাতত লৈছে।
- তথ্য-প্ৰযুক্তিৰ জৰিয়তে বিদেশী ন্যায়াধীকৰণ আৰু সীমান্ত আৰক্ষী সংগঠনৰ কাম-কাজসমূহ স্বয়ংক্ৰিয় প্ৰক্ৰিয়াৰে সম্পন্ন কৰাৰ বাবে পদক্ষেপ আৰম্ভ কৰা হৈছে।
- গৃহৰক্ষী কৰ্মীসকলৰ কৰ্তব্য বানচ বৃদ্ধি কৰা হৈছে।
- মহোদয়, আমাৰ চৰকাৰে সমগ্ৰ ৰাজ্যৰে কাৰাগাৰসমূহৰ অৱস্থা উন্নত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে আৰু কাৰাগাৰৰ সংস্কাৰ তথা কাৰাবন্দীসকলৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আহিছে।

এই বিভাগৰ বাবে মই ৮,৬২৪.৯৩ কোটি টকাৰ আবণ্টন দিছো।

**গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগ**

*বহনক্ষম নগৰৰ দিশত*

- গুৱাহাটীত বানৰ সমস্যা লাঘৱ কৰিবলৈ আমাৰ চৰকাৰে "Sponge City Concept" ব্যৱহাৰ কৰি এক বহুমুখী পদক্ষেপ গ্ৰহণ কৰিছে।

- প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা-নগৰীয়া (PMAY-U) ৰ অধীনত ৪৬,৭০৭ টা গৃহ সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য লোৱা হৈছে আৰু পি এম এ ৱাই এইচ এফ এ-নগৰীয়া আঁচনিৰ অধীনত ১৫,০০০ নতুন পৰিয়াল অন্তৰ্ভুক্ত কৰিবলৈ লক্ষ্য স্থিৰ কৰা হৈছে।
- কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ Atal Misson for Rejuvenation and Urban Transformation (AMRUT) অভিযানৰ অধীনত নগাঁও, ডিব্ৰুগড় আৰু শিলচৰত বৰ্তমানে চলি থকা প্ৰকল্পসমূহ এই বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ হ'ব।
- আমি ২০২৩-২৪ বিত্তীয় বৰ্ষত ৫৪ খন নতুন নগৰৰ কাৰণে মাষ্টাৰ প্লেনৰ জাননী জাৰি কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ প্ৰস্তাৱ লৈছো।
- এই বছৰৰ বাজেটত এই বিভাগৰ বাবে মই ৩,৯৯১.৫৫ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**অসম চুক্তি ৰূপায়ণ বিভাগ**

*আমাৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি*

- অধ্যক্ষ মহোদয়, অসম চুক্তি আখৰে আখৰে আৰু কাৰ্যকৰীভাৱে ৰূপায়ণৰ বাবে অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।
- কেবিনেটৰ সিদ্ধান্ত অনুসৰি, অসম চুক্তি ৰূপায়ণ বিভাগে অসম আন্দোলনত গুলীবিদ্ধ, গুৰুতৰভাৱে আহত লোকসকলৰ লগতে এই আন্দোলনত পীড়িত মহিলাসকললৈ এককালীন সাহায্য প্ৰদান কৰিব।
- অসম আন্দোলনত বলি হোৱা ব্যক্তিৰ পৰিয়ালৰ সদস্যসকলক উন্নত শিক্ষা, জলপানি, ভাত্তা, বঁটা আদি প্ৰদানৰ অৰ্থে বিত্তীয় সাহায্য প্ৰদান কৰাৰ লক্ষ্যৰে "আছাম এজিটেশ্বন ভিকটিম্‌ছ ৱেলফেয়াৰ ট্ৰাষ্ট" নামেৰে এটা ন্যাস গঠন কৰা হৈছে।
- এই বিভাগটোৰ বাবে মই ৯.৪১ কোটি টকা ধাৰ্য কৰিলো।

## খিলঞ্জীয়া জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ

*ৰীতি আৰু পৰম্পৰাৰ সংৰক্ষণ*

- অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ খিলঞ্জীয়া জনজাতীয় লোকসকলৰ কল্যাণ আৰু সৰ্বাংগীণ বিকাশৰ উদ্দেশ্যে নীতি আৰু কাৰ্যসূচীসমূহৰ বিকাশ, নিৰূপণ আৰু ৰূপায়ণৰ বাবে খিলঞ্জীয়া জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগটো গঠন কৰা হৈছে।
- অসমৰ পুৰাতাত্ত্বিক স্থান আৰু স্মৃতিচিহ্নসমূহৰ উন্নয়নৰ বাবে ১৫৬৮.৫৯ লাখ টকাৰ আবণ্টন দিয়া হৈছে। বৰ্তমান চৰাইদেউৰ পুৰাতাত্ত্বিক স্থানৰ লগতে অসমৰ বিভিন্ন অংশৰ ১১ টা স্থানত পুৰাতাত্ত্বিক খনন কাৰ্য আৰু মেৰামতিৰ কাম চলাই থকা হৈছে।
- এই বিভাগে ২০২৩-২৪ বিত্তীয় বৰ্যত বৰপেটাৰ সোণকুছিত জিলা সংগ্ৰহালয় নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ লৈছে।
- মই এই বিভাগৰ বাবে ৪৫.২৫ কোটি টকাৰ আবণ্টন দিছো।

## উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ

*স্বনিয়োজন আৰু ব্যক্তিগত খণ্ডৰ বিনিয়োগৰ বাবে পৰিৱেশ সৃষ্টি*

- আমাৰ চৰকাৰে সোণাপুৰৰ পৰা কলিয়াবৰলৈ, বাইহাটাৰ পৰা তেজপুৰ (বিশ্বনাথ) লৈ, মৰাণৰ পৰা মাকুমলৈ, শিলচৰৰ পৰা বদৰপুৰলৈ আৰু নাহৰকটীয়াৰ পৰা নামৰূপলৈ ৰাজ্যখনত ৫ (পাঁচ) টা ঔদ্যোগিক মণ্ডল স্থাপনৰ প্ৰস্তাৱ কৰিছে।
- তদুপৰি, ৰাজ্যখনত আধুনিক সংহত আৰু দক্ষ লজিষ্টিক আন্তঃগাঁথনিৰ সুবিধা হোৱাকৈ চৰকাৰে ইতিমধ্যে ল'জিষ্টিক এণ্ড ৱেৰহাউচিং পলিচী, ২০২২ (Logistics and Warehousing Policy, 2022) ৰ অধিসূচনা জাৰি কৰিছে।
- অধ্যক্ষ মহোদয়, মই ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে আমাৰ চৰকাৰে SIDBI ৰ সহযোগত অসমৰ বাবে এটা Start-up উদ্যম পুঁজি গঠনৰ

হকে বাজেটত ২০ কোটি টকাৰ আবণ্টন দিছে। ইয়াৰ উপৰি Assam Start-up Hub শক্তিশালীকৰণ আৰু শিলচৰ, বঙাইগাঁও, তেজপুৰ আৰু ডিব্ৰুগড়ত নেনো ইনকিউবেচন কেন্দ্ৰ গঠনৰ বাবে ৫ কোটি টকাৰ আবণ্টন দিয়া হৈছে।

- মই ইয়াৰ বাবে বিভাগটোলৈ ৮১৩.৪৭ কোটি টকাৰ আবণ্টন দিছো।

**তথ্য, জনসংযোগ আৰু মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগ ঃ**

*যোগাযোগেই চাবিকাঠি*

- আমাৰ চৰকাৰে ৰাজ্যখনৰ সাংবাদিকসকলৰ কল্যাণৰ অৰ্থে বিভিন্ন আঁচনি হাতত লৈছে আৰু সাংবাদিক চিকিৎসা কল্যাণ আঁচনি তথা সাংবাদিকৰ বাবে থকা পেঞ্চন আঁচনিৰ অধীনত সাহায্য আগবঢ়াইছে।
- আমি লখিমপুৰ আৰু তিতাবৰত অসম চৰকাৰী ছপাশালৰ শাখা নিৰ্মাণৰ পদক্ষেপ হাতত লৈছো।

মই এই বিভাগৰ বাবে ১৬৮.৭৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছো।

**তথ্য-প্ৰযুক্তি বিভাগ**

*ডিজিটেল প্ৰযুক্তিৰ উত্তৰণ*

- অসমৰ বিভিন্ন ঐতিহাসিক স্থানত সকলো ইতিহাস সম্পৰ্কীয় নথি আৰু পাণ্ডুলিপি ডিজিটেলকৰণ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে।
- তদুপৰি আমাৰ চৰকাৰে কামৰূপ জিলাৰ প্ৰযুক্তি চহৰ বঙৰাত অসামৰিক বিমান পৰিবহণ সঞ্চালকালয় (DGCA)ৰ কৰ্তৃত্বপ্ৰাপ্ত প্ৰথমখন ড্ৰোণ পাইলট ট্ৰেইনিং স্কুল স্থাপন কৰিছে।
- উচ্চ গতিসম্পন্ন ইণ্টাৰনেট/ইনট্ৰানেটসহ ৰাজ্যিক প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ বাবে আমাৰ চৰকাৰে National Knowledge Network (NKN)ৰ আলমত এক উচ্চ গতিসম্পন্ন নেটৱৰ্ক স্থাপনৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ইয়াৰ লক্ষ্য হ'ল— ৰাজ্যৰ নিজস্ব Gigabit Network স্থাপন কৰা আৰু অসমক উদ্ভাৱনীমূলক গৱেষণা আৰু উন্নয়ন কেন্দ্ৰ (R

& D hub) হিচাপে গঢ়ি তোলা।

- আমি Cyber Security and Augmented/Virtual Realityৰ বাবে 'উৎকৰ্ষতাৰ কেন্দ্ৰ' স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছো।
- বিশ্বৰ প্ৰথমটো LEED Platinum Certified v4 O&M Data Center স্থাপন আৰু ইয়াৰ প্ৰাথমিক কাম-কাজ চলি আছে।
- মই ২০২৩-২৪ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে ১১৯.০৫ কোটি টকা আবণ্টন দিছো।

## জলসিঞ্চন বিভাগ

*প্ৰতিখন পথাৰলৈ পানী*

- অধ্যক্ষ মহোদয়, আমি নাবাৰ্ডৰ দীৰ্ঘকালীন জলসিঞ্চন পুঁজি (লং টাৰ্ম ইৰিগেছন ফাণ্ড)ৰ অধীনত ধনশিৰি জলসিঞ্চন প্ৰকল্প (মেজৰ)ৰ অৱশিষ্ট কামখিনি শেষ কৰিছো। ইয়াৰ জৰিয়তে ৩৮,৬১৫ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি হৈছে।
- আমাৰ চৰকাৰে কৃষি বিভাগৰ সৈতে অধিক সমন্বয় সাধনৰ বাবে জলসিঞ্চন প্ৰকল্প নিৰীক্ষণ ব্যৱস্থা (IPMS) আৰম্ভ কৰিছে।
- অধ্যক্ষ মহোদয়, ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ অধীনত আমি ২০২২ চনৰ অক্টোবৰত ৪,৮৮৩ টা নলী-নাদ পইণ্ট স্থাপন সম্পূৰ্ণ কৰিছো, যাৰ জৰিয়তে ১৯,৫৩২ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি হৈছে।
- ৩০,৭৮৮ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টিৰ উদ্দেশ্যে আমি ১১৫৯.৬৫ কোটি টকাৰে ৩৪ টা নতুন পৃষ্ঠতল ক্ষুদ্ৰ জলসিঞ্চন আঁচনিৰ প্ৰস্তাৱ দিছো।
- বিভাগটোৱে মজলীয়া/বৃহৎ জলসিঞ্চন প্ৰকল্পৰ কথা বিবেচনা কৰি আছে, যাৰ জৰিয়তে ৩৮,৮৬০ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ সম্ভাৱনা সৃষ্টি হ'ব।
- এই বিভাগলৈ মই ১,০৩২.৮৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

## ন্যায়িক বিভাগ

- এষাৰি কথা আছে, “বিলম্বিত ন্যায় প্ৰদান ন্যায় অগ্ৰাহ্য কৰাৰ সমাৰ্থক” আৰু আমাৰ ৰাজ্যৰ কোনো নাগৰিকেই যাতে ‘আইনৰ শাসন’ৰ পৰা বঞ্চিত নহয় সেয়া নিশ্চিত কৰিবলৈ ন্যায়িক বিভাগে ন্যায় প্ৰশাসন পৰিচালনা কৰে যি অসমৰ গোচৰীয়াসকলৰ বাবে সুচলভাৱে আৰু সময় মতে ন্যায়প্ৰাপ্তি নিশ্চিত কৰে।
- এই বিভাগলৈ মই ৮৫৩.৬৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

## শ্ৰম আৰু কল্যাণ বিভাগ

- অধ্যক্ষ মহোদয়, শ্ৰমিকসকলৰ কল্যাণৰ বাবে আমাৰ চৰকাৰে ই-পঞ্জীয়ন, অনলাইন প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ, অনলাইনযোগে উপকৰ সংগ্ৰহ ইত্যাদিৰ লেখীয়া এলানি তথ্য-প্ৰযুক্তিযুক্ত সেৱা প্ৰদান কৰাৰ পদক্ষেপ লৈছে। ইয়াৰ ফলত নিৰ্মাণ কৰ্মীৰ পঞ্জীয়ন ৰাজ্যখনত ৬,৪৮,৪৯৬ লৈ বৃদ্ধি পাইছে আৰু তেনে ব্যক্তিসকললৈ ক্ষিপ্ৰতাৰে সহজে পুঁজি হস্তান্তৰৰ সুবিধা হৈছে।
- তদুপৰি আমাৰ চৰকাৰে চিকিৎসা সেৱা গ্ৰহণ কৰি থকা ক্ষুদ্ৰ চাহ বাগিচাৰ শ্ৰমিকসকলক সাহায্য আগবঢ়োৱাৰ বাবে ক্ষুদ্ৰ চাহ শ্ৰমিক সামাজিক সুৰক্ষা আঁচনি, পঞ্জীয়নকৃত শ্ৰমিকসকললৈ লাভালাভ আগবঢ়োৱাৰ বাবে ‘অসম পৰিবহণ শ্ৰমিক সামাজিক সুৰক্ষা আঁচনি, ২০২২ৰ দৰে বিভিন্ন অগ্ৰাধিকাৰমূলক আঁচনি গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে।
- অধ্যক্ষ মহোদয়, এই বিভাগৰ বাবে মই এই বছৰৰ বাজেটত ১১৫.৩১ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ কৰিছোঁ।

## বিধায়িনী বিভাগ

*আইনৰ শাসন*

- অধ্যক্ষ মহোদয়, সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে সংগতি ৰাখি আমি ১২ খন নতুন আইন প্ৰণয়ন কৰিছো, ৩৭ টা সংশোধন কৰিছো আৰু ২৪খন

আইন বাতিল কৰিছো যিসমূহ ইতিমধ্যে অসম ৰাজপত্ৰত প্ৰকাশ হৈছে।

- ইয়াৰ উপৰি আইনী সজাগতা সৃষ্টিৰ বাবে অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ তত্ত্বাৱধানত আমি ৩,৩৭২ টা শিবিৰ অনুষ্ঠিত কৰিছো আৰু অনুসূচিত জাতি, অনুসূচিত জনজাতি, মহিলা, শিশু, বিশেষভাৱে সক্ষম লোক, শ্ৰমিক আৰু বাৰ্ষিক কম আয়ৰ ৪৩,৯০৮ গৰাকী লোকলৈ আইন সেৱা আগবঢ়োৱা হৈছে।

- কাৰ্যকৰী আৰু খৰতকীয়া ন্যায় প্ৰদানত গুৰুত্ব আৰোপ কৰি বৰপেটা, কোকৰাঝাৰ, বঙাইগাঁও, ধেমাজি, গোলাঘাট, যোৰহাট আৰু ডিব্ৰুগড়ত ৭ টা অতিৰিক্ত বৈকল্পিক বিবাদ মীমাংসা কেন্দ্ৰ নিৰ্মাণৰ কাম চলি আছে।

- অধ্যক্ষ মহোদয়, সেয়ে এই বৰ্ষৰ বাজেটত বিভাগটোলৈ মই ২১.৬৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

**চিকিৎসা বিজ্ঞান শিক্ষা আৰু গৱেষণা বিভাগ**

**স্বাস্থ্যখণ্ডত উৎকৰ্ষ সাধনৰ অন্বেষণ**

- অধ্যক্ষ মহোদয়, যোৱা কেইবছৰত স্বাস্থ্য খণ্ডত যথেষ্ট বিকাশ সাধন হৈছে। ৰাজ্যৰ কৰ্কট ৰোগ চিকিৎসাৰ উন্নয়ন সাধন কৰাৰ উদ্দেশ্যে মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে ৭খন কৰ্কট ৰোগ চিকিৎসালয় উদ্বোধন কৰিছে।

- ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ লগতে চিকিৎসা বিজ্ঞান শিক্ষাৰ উন্নয়ন সাধনৰ বাবে আমাৰ চৰকাৰে কোকৰাঝাৰ, নলবাৰী আৰু নগাঁৱত স্থাপন কৰা তিনিখন নতুন চিকিৎসা মহাবিদ্যালয়ত ২০২৩ শৈক্ষিক বৰ্ষৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। তিনিচুকীয়া, চৰাইদেউ, বিশ্বনাথ আৰু কামৰূপ মহানগৰ জিলাত মুঠ চাৰিখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ কামেও ইতিমধ্যে অগ্ৰগতি লাভ কৰিছে। ইয়াৰ উপৰি কৰিমগঞ্জ, গোৱালপাৰা, তামুলপুৰ, বঙাইগাঁও, ধেমাজি, মৰিগাঁও, গোলাঘাট আৰু শিৱসাগৰত মুঠ ৮ খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

- ইয়াৰ উপৰি MBBS আৰু PG (MD/MS) শাখাত আসনৰ সংখ্যা যথেষ্ট বৃদ্ধি কৰা হৈছে। ইয়াৰ ভিতৰত MBBS ত ১৫০০ খন, স্নাতকোত্তৰ শ্ৰেণীত ৭২২ খন আৰু ছুপাৰ স্পেচিয়েলিটীৰ DM/M.Ch শাখাত ৪৬খন আসন বৃদ্ধি কৰা হৈছে।
- মহোদয়, আমাৰ চৰকাৰে ছখন চিকিৎসা মহাবিদ্যালয় আৰু ছখন জিলা চিকিৎসালয়ৰ আন্তঃগাঁথনিৰ বিকাশ সাধন কৰি দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ চিকিৎসালয়ৰ পৰা ছুপাৰ স্পেচিয়েলিটী হস্পিতাললৈ উন্নীত কৰাৰ বাবে ব্যৱস্থা হাতত লৈছে।
- অটল অমৃত অভিযানৰ (AAA) অধীনত বছৰি ২ লাখ টকালৈকে আৰু আয়ুষ্মান ভাৰত প্ৰধান মন্ত্ৰী জন আৰোগ্য যোজনাৰ (AB-PMJAY) অধীনত বছৰি ৫ লাখ টকালৈকে নগদবিহীন (Cashless) চিকিৎসা সুবিধা প্ৰদানৰ বাবে অধিক সংখ্যক দৰিদ্ৰ আৰু স্পৰ্শকাতৰ লোকক সামৰি লোৱা হৈছে আৰু ৭ লাখৰো অধিক পৰিয়াল ইয়াৰ দ্বাৰা উপকৃত হৈছে।
- মহোদয়, আমাৰ চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ নতুন চৌহদত শিক্ষণৰ সুবিধাযুক্ত বিশ্ববিদ্যালয় পৰ্যায়ৰ এখন নতুন চিকিৎসা বিজ্ঞান মহাবিদ্যালয় স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰিছে।
- জন স্বাস্থ্যৰ মান উন্নত কৰাৰ উদ্দেশ্যে JICA সাহায্যপ্ৰাপ্ত ৩৮০০ কোটি টকা ব্যয় সাপেক্ষ Assam Health System Augmentation Projectত অনুমোদন জনোৱা হৈছে।
- অসম চিকিৎসা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী অনুষ্ঠানত অংশ লৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৰা ঘোষণা অনুসৰি অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৩০০ কোটি টকা প্ৰদান কৰা হ'ব।
- মহোদয়, স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ গুণগত মান মূল্যাংকন কৰাৰ বাবে গুণোৎসৱৰ লেখিয়াকৈ স্বাস্থ্য মেলা উৎসৱৰ আয়োজন কৰা হ'ব।
- তদুপৰি আমাৰ চৰকাৰে নিম্নোক্ত নতুন প্ৰতিষ্ঠান স্থাপন আৰু আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰিছে—

১। মৰিগাঁও আৰু লখিমপুৰত দুখন নতুন দন্ত চিকিৎসা মহাবিদ্যালয়।

২। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সৈতে সংলগ্ন আঞ্চলিক চকুৰোগ চিকিৎসা প্ৰতিষ্ঠান (RIO) ক উৎকৰ্ষ কেন্দ্ৰ (Center of Excellence) হিচাপে উন্নীতকৰণ।

৩। সকলো চিকিৎসা মহাবিদ্যলয়ত দক্ষ আৰু কৃত্ৰিম পৰিৱেশ সৃষ্টি কৰা পৰীক্ষাগাৰ (Simulation Laboratory) যুক্ত স্মাৰ্ট শ্ৰেণীকোঠা।

৪। শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধীনত চিকিৎসালয় প্ৰশাসন (Hospital Administration) বিষয়ক স্নাতকোত্তৰ পাঠ্যক্ৰম।

৫। ৫৩ কোটি টকাৰ প্ৰাককলিত ব্যয়ৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত পেৰামেডিকেল বিজ্ঞানৰ স্নাতক মহাবিদ্যালয়।

৬। শ্বহীদ যাদৱ নাথ হোমিঅ' চিকিৎসা মহাবিদ্যালয়ক উৎকৰ্ষ কেন্দ্ৰ (Center of Excellence) লৈ উন্নীতকৰণ ।

**খনি আৰু খনিজ সম্পদ বিভাগ ঃ *প্ৰকৃতিৰ উপহাৰৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰ***

- অধ্যক্ষ মহোদয়, ২০২১-২২ বিত্তীয় বৰ্ষত খনিজ সম্পদৰ বাবে সংগ্ৰহ কৰা ৰয়েল্টিৰ পৰিমাণ আছিল ২,৫৩৮.৭৮ কোটি টকা। এই পৱিত্ৰ সদনৰ সদস্যসকলক জনাবলৈ পাই মই অতিশয় আনন্দিত হৈছো যে ২০২৩ বৰ্ষৰ ফেব্ৰুৱাৰী পৰ্যন্ত ৰয়েল্টি সংগ্ৰহৰ পৰিমাণ হৈছে ৩,৮২৩.৮১ কোটি টকা আৰু এই পৰিমাণ ৪,১৪০ কোটি টকা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে।

- এই বৃদ্ধি সম্ভৱ হৈছে মূলতঃ ক'ল ইণ্ডিয়া লিমিটেডৰ কাম-কাজ পুনৰ আৰম্ভ, আন্তঃৰাষ্ট্ৰীয় বজাৰত তেল আৰু প্ৰাকৃতিক গেছৰ বৰ্ধিত মূল্য, চূণশিলৰ উৎপাদন বৃদ্ধি, ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ দ্বাৰা আৱিষ্কৃত ক্ষুদ্ৰ ক্ষেত্ৰত অতিৰিক্ত উৎপাদনৰ বাবে। ইয়াৰ উপৰি, অইল ইণ্ডিয়া লিমিটেডে

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত আৰু ডিমা হাচাও জিলাত প্ৰথমবাৰৰ বাবে পেট্ৰ'লিয়ামৰ অন্বেষণ আৰম্ভ কৰিছে।

- আকৌ, খনিজ পদাৰ্থ অন্বেষণ নিগম লিমিটেড (এম ই চি এল), ৰাষ্ট্ৰীয় খনিজ পদাৰ্থ অন্বেষণ ন্যাস (এন এম ই টি), ভাৰতৰ ভূতাত্ত্বিক জৰীপ (জি এছ আই) আৰু আণবিক খনিজ সঞ্চালকালয় (এ এম ডি)ৰ সৈতে সহযোগিতাৰে চুণশিল, ছিলিমেনাইট, চীনা মাটি, গ্ৰেনাইট, লোৰ আকৰিক আৰু বিৰল আৰ্থ মেটেলৰ অধিক অন্বেষণ আৰু খনন উন্নত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে।

- মই এই বিভাগলৈ ২৪.৬৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ঃ *তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰ***

- অধ্যক্ষ মহোদয়, মাননীয় প্ৰধান মন্ত্ৰীয়ে গ্ৰহণ কৰা ভৱিষ্যতৰ বাবে পানী সংৰক্ষণৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিবলৈ আমাৰ চৰকাৰে অমৃত সৰোবৰলৈ উন্নীত কৰাৰ অৰ্থে ৩০০৭ টা স্থান চিনাক্ত কৰিছে। আমি অতিকৈ সৌভাগ্যবান যে ২০২২ চনৰ ২৮ এপ্ৰিলত কাৰ্বি আংলং জিলাত মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে অসমত এই অমৃত সৰোবৰ খনন কাৰ্যৰ শুভাৰম্ভ কৰিছিল।

- চাহ বাগিচা অঞ্চলত জীৱিকাৰ সুৰক্ষা বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আমাৰ চৰকাৰে ২০২২-২৩ বিত্তীয় বৰ্ষত মহাত্মা গান্ধী এনৰেগাৰ অধীনত ৪৫,৯৩,১৯৪ কৰ্ম দিন সৃষ্টি কৰিছে। মহাত্মা গান্ধী এনৰেগাত মহিলা শ্ৰমিকৰ অনুপাত হৈছে ৪৭.৩৪ শতাংশ আৰু এইক্ষেত্ৰত অধিক মহিলা জড়িত কৰাবলৈ আমাৰ চৰকাৰে সন্মিলিত প্ৰচেষ্টা চলাই আছে।

- মহোদয়, আমাৰ চৰকাৰে এক অভিনৱ ধাৰণাৰে আৱাসগৃহৰ ক্লাষ্টাৰ সৃষ্টি কৰি প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৭,৩৬,৫৮৭ টা গৃহ প্ৰদান কৰিছে আৰু স্বচ্ছ ভাৰত অভিযানৰ অধীনত শৌচালয়, জল জীৱন অভিযানৰ অধীনত খোৱাপানীৰ সংযোগ, সৌভাগ্য যোজনাৰ অধীনত বিদ্যুৎ সংযোগ, উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছৰ সংযোগ

প্ৰদানেৰে *গৃহৰ পৰা আৱাসগৃহলৈ* দৃষ্টিকোণেৰে বিভিন্ন বিভাগৰ লগত সন্মিলিত প্ৰচেষ্টাৰে প্ৰয়োজনীয় সুবিধাসমূহ প্ৰদান কৰিছে। তদুপৰি, উপকৃত ব্যক্তিসকলক উৎসাহিত কৰাৰ বাবে তেওঁলোকক মাননীয় মুখ্যমন্ত্ৰীৰ পৰা একোখনকৈ চিঠি বিতৰণ কৰা হৈছে।

- তদুপৰি, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেন্সন আঁচনি, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেন্সন আঁচনি আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় দিব্যাংগ পেন্সন আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা আবণ্টন লাভ কৰা ৩২৭.১০ কোটি টকাৰ ভিতৰত ২৩২.১৬ কোটি টকা লাভ কৰিছে আৰু ইয়াৰে ৯০% ধন ইতিমধ্যে ব্যৱহৃত হৈছে।

- অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত মুঠ ৩,২৯,৩৬৫ টা আত্মসহায়ক গোট গঠন কৰা হৈছে। ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত প্ৰতিটো আত্মসহায়ক গোটলৈ ১৫,০০০ টকাকৈ ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰি থকা হৈছে আৰু এতিয়ালৈ ৪৭,৩২৪ কোটি টকাৰে ২,৩৮,২৯১ গোটক ঘূৰ্ণীয়মান পুঁজি প্ৰদান কৰা হৈছে। তদুপৰি, আত্মসহায়ক গোটসমূহক ৫০,০০০ টকাকৈ সামূহিক উন্নয়ন পুঁজিও প্ৰদান কৰা হয়।

- ইয়াৰ উপৰি, ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযানৰ অধীনত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানে ৰাজ্যখনৰ বিভিন্ন জিলাত ১২৫ টা সামূহিক সেৱা কেন্দ্ৰ স্থাপন কৰিবলৈ পদক্ষেপ লৈছে।

সেয়েহে মই এই বিভাগলৈ ১১,৫৪৮.৩৮ কোটি টকাৰ আবণ্টন দিছোঁ।

**সংসদীয় পৰিক্ৰমা বিভাগ ঃ *লোকতন্ত্ৰৰ সমৰ্থনত***

- সংসদীয় পৰিক্ৰমা বিভাগে বিধানসভাত চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত চৰকাৰ আৰু ৰাজ্যিক বিধানসভাৰ মাজত সমন্বয়ৰক্ষক হিচাপে কাম কৰি আহিছে।

- বিভাগে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক দেশৰ সংসদীয় প্ৰণালীৰ বিষয়ে কিছু আভাষ দিয়াৰ উদ্দেশ্যে ‘যুৱ-সংসদ

পৰিচালনা’ শীৰ্ষক আঁচনি এখন হাতত লোৱাৰ প্ৰস্তাৱ কৰিছে।

মই এই বিভাগৰ বাবে বাজেটত ৮৮ লাখ  টকা আবণ্টনৰ প্ৰস্তাৱ দাঙি ধৰিলো।

**কৰ্মচাৰী বিভাগ ঃ *মানৱ সম্পদৰ শ্ৰীবৃদ্ধি***

- অধ্যক্ষ মহোদয়, শাসন ব্যৱস্থাক দক্ষ কৰা আৰু দায়বদ্ধ, জনমুখী, তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে আধুনিক প্ৰশাসন গঢ়ি তোলাৰ স্বাৰ্থত ৰাজ্যজুৰি খালী পদ পূৰণৰ বাবে কৰ্মচাৰী বিভাগে কাম কৰি আছে।

  সেয়ে এই বিভাগলৈ মই ৪৭.৭৬ কোটি টকা আগবঢ়ালো।

**শক্তি বিভাগ ঃ *সৰ্বদিশৰ বিকাশত উদ্‌গনি/ৰাজ্যখনৰ বাবে ভৱিষ্যতমুখী সেউজ শক্তি***

- অধ্যক্ষ মহোদয়, ৰাজ্যৰ ব্যাপক উন্নয়নৰ স্বাৰ্থত শেষ প্ৰান্তলৈকে নিৰৱচ্ছিন্ন বিদ্যুৎ যোগান ধৰিবলৈ আমাৰ চৰকাৰ দায়বদ্ধ।
- ২০২৫-২৬ বৰ্ষলৈ বিদ্যুতৰ চাহিদা পূৰণৰ লক্ষ্যৰে এছিয়ান ইনফ্ৰাষ্ট্ৰাকচাৰ ইনভেষ্টমেণ্ট বেংকৰ সাহায্যত ‘Enhancement of Intra State Transmission of Assam’ গ্ৰহণ কৰা হৈছে।
- শক্তি উৎপাদনৰ ক্ষেত্ৰত নিজস্ব শক্তি উৎপাদনৰ ক্ষমতা বৃদ্ধিৰ বাবে ডিমা হাছাও জিলাত ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প হাতত লোৱা হৈছে।
- স্বচ্ছ পৰিৱেশ গঢ়াৰ প্ৰতি থকা আমাৰ দায়বদ্ধতাৰ অংশ হিচাপে ২০ মেগাৱাটৰ নামৰূপ সৌৰ শক্তি প্ৰকল্প, ৭০ মেগাৱাটৰ সোণবিল ভাসমান সৌৰবিদ্যুৎ প্ৰকল্প, গোলাঘাটত ৪০ মেগাৱাটৰ ভাসমান সৌৰপ্ৰকল্প আৰু হাইড্ৰ’কাইনেটিকচ্ শক্তি প্ৰকল্প হাতত লৈ ৰাজ্যৰ সেউজ শক্তি উৎপাদনৰ শুভাৰম্ভ কৰা হৈছে।

- মই এই পৱিত্ৰ সদনক নিশ্চয়তা দিব বিচাৰিছো যে আমাৰ চৰকাৰে প্ৰধানতঃ সৌৰ শক্তি প্ৰকল্পৰ জৰিয়তে শক্তি উৎপাদন সক্ষমতা ২০২৬ চনৰ ভিতৰত ৩,০০০ মেগাৱাটলৈ বৃদ্ধি কৰিব বিচাৰিছে।

- পৱিত্ৰ সদনক মই অৱগত কৰিব বিচাৰিছো যে অসমৰ সকলো ৰাজহ গাঁৱত বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে।

- *ই-সুবিধা* স্পট বিলিং ব্যৱস্থাৰ অধীনত এক নতুন কৃত্ৰিম বুদ্ধিমত্তা (AI) ভিত্তিক মিটাৰ ৰিডিং ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে বিদ্যুৎ বিল সম্পৰ্কীয় অভিযোগৰ সংখ্যা ব্যাপকভাৱে হ্ৰাস কৰা হৈছে।

- বিদ্যুৎ যোগানৰ নিৰ্ভৰযোগ্যতা সুনিশ্চিত কৰাৰ বাবে অসম বিদ্যুৎ বিতৰণ কোম্পানীয়ে 'Assam Distribution System Enhancement and Loss Reduction' প্ৰকল্পৰ অধীনত ১৯৬ টা নতুন বিতৰণ উপ-কেন্দ্ৰ আৰু ২,৬৭৪ টা High Voltage Distribution System স্থাপনৰ লক্ষ্য লৈছে।

- নবীকৰণযোগ্য শক্তি প্ৰকল্পৰ উন্নয়নৰ বাবে APDCL আৰু NLC India Ltd. ৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে।

- উত্তৰ প্ৰদেশৰ ঘাটামপুৰৰ কয়লা ভিত্তিক শক্তি প্ৰকল্পৰ পৰা ৪৯৫ মেগাৱাট বিদ্যুৎ ক্ৰয় কৰা হ'ব।

- ছাদৰ ওপৰৰ সৌৰ শক্তিৰ প্ৰসাৰ সাধনৰ জৰিয়তে সৌৰ শক্তি উৎপাদনত গুৰুত্ব দিয়া হ'ব।

  এই বিভাগৰ বাবে এই বৰ্ষৰ বাজেটত মই ১,৫৫০.৯৭ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিছো।

## জনস্বাস্থ্য কাৰিকৰী বিভাগ

*পৰিষ্কাৰ পানী, নিৰ্মল অসম*

- অধ্যক্ষ মহোদয়, প্ৰতিজন নাগৰিকৰ বাবে বিশুদ্ধ খোৱাপানী নিশ্চিত

কৰিবলৈ ‘হৰ ঘৰ জল’ অভিযানৰ অধীনত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ লক্ষ্য অনুসৰি আমাৰ চৰকাৰে ৰাজ্যখনৰ ২,৭৪২ খন গাঁৱত ১০০ শতাংশ কাৰ্যক্ষম ঘৰুৱা নল সংযোগ ব্যৱস্থাৰে পানী যোগান ধৰিবলৈ সক্ষম হৈছে। লগতে ৰাজ্যখনৰ ৮৩ শতাংশ বিদ্যালয় আৰু ৭৩ শতাংশ অংগনবাড়ী কেন্দ্ৰক এই অভিযানে সামৰি লৈছে।

- স্বচ্ছ ভাৰত অভিযানৰ অধীনত আমাৰ চৰকাৰে ২০২৪ বৰ্ষৰ মাৰ্চ মাহৰ ভিতৰত অসমৰ ৫০ শতাংশ গাঁৱক অ' ডি এফ প্লাছ হিচাপে সামৰি লোৱাৰ লগতে ৰাজ্যখনত প্ৰতিটো খণ্ডত প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট স্থাপন কৰিবলৈ লক্ষ্য লৈছে।

ইয়াৰ বাবে মই ১,৭৩০.৪৪ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছো।

**লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ**

*শক্তিশালী অসমৰ বাবে নিৰ্মিত আন্তঃগাঁথনি* - ৰাষ্ট্ৰৰ ভৱিষ্যত নিৰ্মাণ

- অধ্যক্ষ মহোদয়, ৰাজহুৱা আন্তগাঁথনিৰ উন্নয়ন আৰু ৰাজ্যখনৰ ৰাজহুৱা গৃহসমূহৰ নিৰ্মাণ তথা চোৱা-চিতাৰ বাবে লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগক মূলতঃ দায়িত্ব অৰ্পণ কৰা হৈছে।
- অসমক উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক মেডিকেল হাব হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই বিভাগে যোৱা বছৰৰ ভিতৰতে উত্তৰ লখিমপুৰ আৰু ধুবুৰীত দুখন নতুন চিকিৎসা মহাবিদ্যালয় কাৰ্যক্ষম কৰি তুলিবলৈ সক্ষম হৈছে। তদুপৰি, নলবাৰী, নগাঁও আৰু কোকৰাঝাৰৰ ৩ খন নতুন চিকিৎসা মহাবিদ্যালয় ২০২৩-২৪ শৈক্ষিক বৰ্ষৰ পৰা কাৰ্যক্ষম হ'ব।
- শিক্ষা খণ্ডত, বিভাগটোৱে হোজাই, বজালী, নাৰায়ণপুৰ, গোলাঘাট, চাবুৱা, মাজুলী আৰু যোৰহাটত ৭ খন নতুন বিশ্ববিদ্যালয় নিৰ্মাণৰ কাম হাতত লৈছে।

- লাচিতৰ ৪০০ তম জন্মজয়ন্তী উপলক্ষে বিভাগে যোৰহাট জিলাৰ লাহদৈগড়ত থকা লাচিত মৈদামত লাচিত বৰফুকনৰ এটা ১২৫ ফুট ওখ মূৰ্তি নিৰ্মাণ কৰি আছে আৰু ইয়াৰ কাম ২০২৫ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব।
- দ্বাৰকা (নতুন দিল্লী)ত নতুন অসম ভৱন নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।
- সাংস্কৃতিক খণ্ডত, নাৰায়ণপুৰত শ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ কাম সম্পূৰ্ণ হোৱাৰ পথত; নগাঁৱত বটদ্ৰৱা থানক এক সাংস্কৃতিক আৰু পৰ্যটন থলী হিচাপে উন্নীতকৰণৰ কামো আগবাঢ়ি আছে।
- মাজুলী-যোৰহাট সংযোগী দলং আৰু মৰিগাঁও-কৌপাতি পথৰ ব্ৰহ্মপুত্ৰৰ ওপৰত বৃহৎ পকী দলঙৰ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে।

মই এই বিভাগটোৰ বাবে ৪৪৮৩.০৪ কোটি টকা আবণ্টন কৰিছো।

## লোক নিৰ্মাণ (পথ) বিভাগ

*অসমক সংযোগকৰণ*

- অধ্যক্ষ মহোদয়, আমাৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে ৰাজ্যখনত অভিলাষী অসম মালা আঁচনিখন মুকলি কৰাটো আমাৰ বাবে এক সৌভাগ্যৰ বিষয়। এই আঁচনিৰ অধীনত সুচল পৰিবহণৰ বাবে অত্যাধুনিক সুৰক্ষা মানৰ উচ্চ গতিসম্পন্ন ক'ৰিডৰ নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে।
- প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (PMGSY) তৃতীয় পৰ্যায়ৰ অধীনত মঞ্জুৰিকৃত ২৭৬০ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ ভিতৰত ১৫৩৮ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে। পৰৱৰ্তী পৰ্যায়ৰ পথ নিৰ্মাণ প্ৰকল্পৰ প্ৰস্তুতিৰ কাম চলি আছে। ইয়াত পৰিৱেশজনিত বহন ক্ষমতা আৰু স্থায়িত্বৰ বাবে এফ ডি আৰ (Full Depth Reclamation) নামৰ এক নতুন প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে।
- বিভাগে অসম মালা এছ অ' পি ডি ২০২২-২৩ ৰ অধীনত ৬৩১.৫৬

কোটি টকা ব্যয় সাপেক্ষ দুখন নতুন দলং নিৰ্মাণৰ কাম হাতত লৈছে। ইয়াৰে এখন দলং ঘূনাসুঁতিত সোৱণশিৰি নদীৰ ওপৰত আৰু আনখন কুমাৰীকাটা আৰু নয়াবস্তি সংযোগী পথসহ পাগলাদিয়া নদীৰ ওপৰত।

- তদুপৰি বিভাগে নিম্নোক্ত প্ৰকল্পসমূহ হাতত লৈছে—
    - এ আই আই বি সাহায্যপ্ৰাপ্ত Assam Secondary Road Network Improvement Project (ASRIP) Component ৰ অধীনত ৩৫১৯.২৭ কোটি টকা ব্যয়ত ২৪৭ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।
    - এছীয় উন্নয়নী বেংকৰ সাহায্যপ্ৰাপ্ত Assam South Asia Subregional Economic Cooperation corridor connectivity Project ৰ অধীনত ৩৯৯৪ কোটি টকা ব্যয়েৰে ৩১২ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।
    - নাবাৰ্ডৰ সাহায্যপ্ৰাপ্ত NIDA Component ৰ অধীনত সমগ্ৰ ৰাজ্যজুৰি ১২৫২.১৪ কোটি টকা ব্যয় সাপেক্ষে ১৩৫ কিঃমিঃ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।
- আমাৰ চৰকাৰে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত এখন Extradosed P.S.C. দলং নিৰ্মাণৰ ৭০ শতাংশ কাম সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছে। এই দলংখনৰ বাবে ২৬০৮.৬৭ কোটি টকাৰ প্ৰকল্প ব্যয় মঞ্জুৰ কৰা হৈছে।

  মই এই বিভাগৰ বাবে ১১,৯৭৩.৫৫ কোটি টকা আবণ্টন দিছো।

## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

*খিলঞ্জীয়াৰ মাটি খিলঞ্জীয়াৰ অধিকাৰ*

- অধ্যক্ষ মহোদয়, ৰাজ্যৰ ভূমি ৰাজহ ব্যৱস্থাপনাটোক অধিক উন্নত, সময় নিৰ্ধাৰিত আৰু স্বচ্ছ নাগৰিককেন্দ্ৰিক ভূমিজনিত সেৱালৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে ২০২২ বৰ্ষৰ ১৪ নৱেম্বৰত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে 'মিছন বসুন্ধৰা'ৰ শুভাৰম্ভ কৰে।

- আমাৰ চৰকাৰে ৰাজ্যৰ খিলঞ্জীয়া লোকসকলৰ অধিকাৰক অগ্ৰাধিকাৰ তথা নিৰাপত্তা দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু 'মিছন বসুন্ধৰা'ৰ দ্বিতীয় সংস্কৰণৰ শুভাৰম্ভ কৰিছে যি ৰাজহুৱা সেৱাৰ অধিকাৰ (আৰ টি পি এছ) ৰ জৰিয়তে তলত উল্লেখ কৰা অনলাইন সেৱাসমূহ আগবঢ়াব -
  - খাচ আৰু চিলিং উদ্বৃত ভূমিৰ বন্দোৱস্তি
  - দখলীস্বত্ব থকা ৰায়ত (অকুপেন্সি টেনেণ্ট)ক মালিকীস্বত্বৰ অধিকাৰ প্ৰদান
  - প্ৰকৃত বাৰ্ষিক পট্টাধাৰীৰ পৰা হস্তান্তৰিত বাৰ্ষিক পট্টাভূমিৰ বন্দোৱস্তি
  - ব্যক্তিৰ বাবে PGR VGR ভূমিৰ বন্দোৱস্তি
  - খিলঞ্জীয়া বিশেষ কৃষকৰ বাবে ভূমিৰ বন্দোৱস্তি
  - জনজাতি সম্প্ৰদায়ৰ পুৰুষানুক্ৰমে লাভ কৰা ভূমিৰ বন্দোৱস্তি
- আমাৰ চৰকাৰে 'স্বামিত্ব' (SVAMITVA) আঁচনিৰ অধীনত এনেকুৱা অঞ্চলৰ বাসিন্দাসকলৰ বাবে ১,০৭৪ খন জৰীপ নোহোৱা ন'ন কেডেষ্ট্ৰেল গাঁৱৰ জৰীপৰ কাম আৰম্ভ কৰিছে আৰু ভূমি সংক্ৰান্তীয় ৰেকৰ্ডৰ 'ডিজিটাইজেশ্বন' আৰু সেই অনুসৰি 'ইউনিক লেণ্ড পাৰ্চেল আইডেন্টিফিকেশ্যন' নম্বৰ প্ৰস্তুত কৰিবলৈ 'হাইব্ৰিড' প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে ১৮,৭৮৯ খন গাঁৱৰ পুনৰ জৰীপৰ কাম আৰম্ভ কৰিছে।
- তদুপৰি, একক বাতায়ন (Single Window) ব্যৱস্থাৰ জৰিয়তে নাগৰিকসকলক আপত্তিবিহীন প্ৰমাণপত্ৰ আৰু পঞ্জীয়ন, স্বয়ংক্ৰিয় নামজাৰি আৰু ভাগ-বটোৱাৰাৰ সুবিধা আগবঢ়াবলৈ আমি অনলাইন কম্প'জিত লেণ্ড ট্ৰেন্সফাৰ সেৱা আৰম্ভ কৰিছো আৰু 'ছিংগল পেমেণ্ট উইণ্ড''ৰ জৰিয়তে ভূমি ৰাজহ পৰিশোধৰ সুবিধা আৰম্ভ কৰা হৈছে।
- ইয়াৰ দ্বাৰা মই এই বিভাগটোক ২০৭৭.২৪ কোটি টকা আগবঢ়োৱাৰ প্ৰস্তাৱ দিলো।

## বিদ্যালয় শিক্ষা বিভাগ ঃ *ভবিষ্যত প্ৰজন্মৰ প্ৰতিপালন*

- অধ্যক্ষ মহোদয়, ২০২২-২৩ বৰ্ষৰ সময়ছোৱাত ৰাজ্যখনৰ বিদ্যালয় শিক্ষা খণ্ডত বিভিন্ন উন্নয়নমূলক কাৰ্যব্যৱস্থা ৰূপায়ণ কৰা হৈছে। ২০২২ শৈক্ষিক বৰ্ষৰ বাবে ১১৭.৫৮ কোটি টকা ব্যয়েৰে চৰকাৰী/প্ৰাদেশীকৃত, স্বীকৃতিপ্ৰাপ্ত আৰু চাহ বাগিচাৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহৰ ৪১ লাখতকৈও অধিক শিক্ষাৰ্থীক বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰা হৈছে।

- আমাৰ চৰকাৰে স্কুলৰ আওতাৰ বাহিৰত ৰৈ যোৱা ৮০,৭৩৯ গৰাকী শিশুক চিনাক্ত কৰি এই শিশুসকলক বিদ্যালয়ত নামভৰ্তিকৰণকে ধৰি অন্যান্য সুবিধা প্ৰদানেৰে আনুষ্ঠানিক শিক্ষাৰ অধীনলৈ অনাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

- বিভাগটোৱে বিশেষ প্ৰয়োজন থকা শিশুসকলৰ অভাৱ-অভিযোগ পূৰণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে আৰু তেনেকুৱা ৫৬,৫৭৬ গৰাকী বিশেষ শিশুক চিনাক্ত কৰি সেই শিশুসকলক বিদ্যালয়ত নামভৰ্তিৰ লগতে ঘৰতে শিক্ষা প্ৰদানৰ জৰিয়তে সহায়-সহযোগিতা আগবঢ়াই আহিছে।

- চৰকাৰী খণ্ডত ১ লাখ যুৱক-যুৱতীক নিযুক্তিৰ চৰকাৰী কাৰ্যসূচীৰ অংশস্বৰূপে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৫,৩২০ গৰাকী নিয়মীয়া শিক্ষক নিযুক্তিৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। সেই অনুসৰি, অনলাইন আবেদন পত্ৰ গ্ৰহণ কৰা হৈছে আৰু নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ২০২৩ বৰ্ষৰ মে' মাহৰ প্ৰথম সপ্তাহৰ ভিতৰত এই নিযুক্তি প্ৰক্ৰিয়া সমাপ্ত কৰা হ'ব।

- তদুপৰি, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ সমপৰ্যায়ৰ পদৰ বাবে চৰকাৰে অসম প্ৰত্যক্ষ নিযুক্তি আয়োগ গঠন কৰিছে আৰু সেই অনুসৰি এই পদসমূহত নিযুক্তিৰ বাবে খালী হৈ থকা পদৰ বিৱৰণসমূহ ইতিমধ্যে আয়োগলৈ পঠোৱা হৈছে।

- চাহ বাগিচা এলেকাসমূহত ১১৯ খন আদৰ্শ হাইস্কুল স্থাপনৰ বাবে আমাৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে আৰু ইয়াৰে ৯৭ খন বিদ্যালয়ক কাৰ্যক্ষম

কৰি গঢ়ি তোলা হৈছে। তদুপৰি, ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয়াই ২০২২ বৰ্ষৰ ১৪ অক্টোবৰত ৰাজ্যখনৰ চাহ বাগিচা এলেকাসমূহত আৰু ১০০ খন আদৰ্শ বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল।

- আনন্দৰাম বৰুৱা বঁটা আঁচনি ২০২২ ৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা ২২,৬০১ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ ১৬,০০০ টকাকৈ নগদ ধনৰ বঁটা প্ৰদান কৰা হৈছে।
- তদুপৰি এই বিভাগটোৱে আৰোহণ আঁচনিখন ৰূপায়ণ কৰিছে আৰু এই আঁচনিখন হ'ল আমাৰ চৰকাৰৰ এখন ধ্বজাবাহী আঁচনি। এই আঁচনিখনৰ যোগেদি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক তলত দিয়া ধৰণে সহায়-সহযোগিতা আগবঢ়াই থকা হ'ব, যেনে - বিনামূলীয়া পাঠ্যপুথি প্ৰদান, নামভৰ্তি আৰু শিক্ষা মাচুল ৰেহাই, পৰীক্ষা মাচুল ৰেহাই, বিনামূলীয়া ইউনিফৰ্ম বিতৰণ, সংখ্যালঘু ছাত্ৰীসকলৰ বাবে জলপানি আঁচনি, দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জলপানি, নৱম শ্ৰেণীত অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকললৈ বিনামূলীয়া চাইকেল বিতৰণ ইত্যাদি।
- বিদ্যালয় শিক্ষাক ১০+২ ৰ পৰিৱৰ্তে ৫+৩+৩+৪ আৰ্হিত পুনৰ গঠন আমি নিশ্চিত কৰিম।
- ইয়াৰ দ্বাৰা এই বিভাগটোলৈ মই ১৬,১০৯.৯৬ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

**বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ**

*বৈজ্ঞানিক মানসিকতা সৃষ্টি*

- মুখ্যমন্ত্ৰীৰ জলবায়ু ৰেছিলিয়েণ্ট ফেল'শ্বিপ আৰু মুখ্যমন্ত্ৰীৰ বিজ্ঞান প্ৰতিভা সন্ধান ২০২৩-২৪ বৰ্ষতো অব্যাহত থাকিব।
- **Mission LiFE Lifestyle for Environment** ২০২৩-২৪ বৰ্ষত আৰম্ভ কৰা হ'ব।
- সোণাপুৰৰ টেপেছিয়াত বিজ্ঞান নগৰ নিৰ্মাণৰ কাম সন্তোষজনকভাৱে আগবাঢ়িছে আৰু ৫০ শতাংশৰো অধিক নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে।

ইয়াক বিজ্ঞানপ্ৰেমীসকলৰ বাবে আকৰ্ষণীয় লক্ষ্যস্থান হিচাপে গঢ়ি তোলা হ'ব।

- জৈৱ প্ৰযুক্তি আৰু সংলগ্ন ক্ষেত্ৰত শিক্ষা, গৱেষণা, বিকাশ আৰু বিনিয়োগকাৰীক আকৰ্ষণৰ বাবে জৈৱ প্ৰযুক্তি নীতিৰ ম্যাদ ২০২৭ চন পৰ্যন্ত বৃদ্ধি কৰা হৈছে। আমিনগাঁৱত গুৱাহাটী বায়'টেক পাৰ্কৰ প্ৰযুক্তি ইনকিউবেছন (incubation) কেন্দ্ৰ অত্যাধুনিক আন্তঃগাঁথনি সুবিধাসহ নিৰ্মাণ কৰা হৈছে।

- ২৮০ কোটি টকাৰে বিভিন্ন জিলাত ১১ টা জিলা বিজ্ঞান কেন্দ্ৰ আৰু ৬ টা নতুন বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ নিৰ্মাণ কৰি থকা হৈছে আৰু নিৰ্মাণৰ কামসমূহ বিভিন্ন স্তৰত আছে। জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰী বিষয়া-কৰ্মচাৰীক সজাগ কৰিবলৈ মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াত ৫০ হেজাৰৰ অধিক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। ২০২৩-২৪ বৰ্ষত এই কাৰ্যসূচী ব্যক্তিগত আৰু অৰ্ধ-ব্যক্তিগত প্ৰতিষ্ঠানলৈও সম্প্ৰসাৰণ কৰা হ'ব। বিভাগটোৱে SIPRD আৰু অন্য বেচৰকাৰী প্ৰতিষ্ঠানৰ সহযোগত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ বাবে জলবায়ু পৰিৱৰ্তন বিষয়ত নিয়মীয়া দিক্‌দৰ্শন কাৰ্যসূচী গ্ৰহণ কৰিছে।

- উত্তৰ-পূব পৰিষদে আগবঢ়োৱা ৪.৫ কোটি টকাৰে অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰই 'গুৱাহাটীৰ বাবে উপগ্ৰহ ভিত্তিক ভূমি ব্যৱহাৰ বুদ্ধিমত্তা ব্যৱস্থা' (SLIS-G) আৰম্ভ কৰিছে।

- ASSAC ৰ দ্বাৰা মীন উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে প্ৰয়োজনীয় পৰামৰ্শাৱলীসহ কৃষকক সহায়ৰ বাবে মীন বিভাগৰ সমন্বয়ত অসম মৎস্য সম্পদ তথ্য ব্যৱস্থা (AFISH) ৰ বিকাশ সাধন কৰা হৈছে।

- এই বিভাগলৈ মই ১২৩.০৮ কোটি টকাৰ আবণ্টন দিয়াৰ প্ৰস্তাৱ দিলোঁ।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ ঃ *জনগাঁথনিগত লাভ আদায়***

- অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধি আৰু নিয়োগ সৃষ্টিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি অত্যাধুনিক প্ৰশিক্ষণ

কেন্দ্ৰ স্থাপনৰ জৰিয়তে দক্ষতা প্ৰশিক্ষণৰ সুবিধাসমূহ উন্নত আৰু শক্তিশালী কৰি তুলিছে।

- অসমৰ আই টি আই সমূহক আধুনিক কৰি তোলাৰ বাবে আমাৰ চৰকাৰে টাটা টেকন'ল'জীছৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।
- ইয়াৰোপৰি, ৰাষ্ট্ৰীয় কেৰিয়াৰ সেৱা প্ৰকল্পৰ অধীনত নিয়োগ বিনিময় কেন্দ্ৰবোৰ আদৰ্শ কেৰিয়াৰ কেন্দ্ৰলৈ পৰিৱৰ্তনৰ ব্যৱস্থা লোৱা হৈছে আৰু বৰ্তমান ৰাজ্যৰ এনে ছটা আদৰ্শ কেৰিয়াৰ কেন্দ্ৰ কাৰ্যক্ষম হৈছে।
- লগতে কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণ (TVET) ৰ জৰিয়তে অসমৰ লগতে ভাৰতৰ উত্তৰ-পূব অঞ্চলত উন্নতমানৰ TVET পদ্ধতিৰ প্ৰচুৰ চাহিদা পূৰণ কৰা হৈছে।
- ৰাজ্যৰ উদ্যোগ খণ্ডৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আৰু অৰ্থনৈতিক বিকাশৰ সহায়ক হোৱাকৈ আমাৰ চৰকাৰে ১০১৬ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে মঙলদৈত অত্যাধুনিক দক্ষতা অসম দক্ষতা বিশ্ববিদ্যালয় স্থাপনৰ পদক্ষেপ লৈছে। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ দক্ষতা প্ৰশিক্ষণ প্ৰদান আৰু আমাৰ ৰাজ্যখনক 'দেশৰ দক্ষতাৰ ৰাজধানী' হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ছিংগাপুৰৰ আই টি ই এডুকেচন ছাৰ্ভিচেছৰ সহযোগত আমি উত্তৰ-পূব দক্ষতা কেন্দ্ৰ স্থাপন কৰিছো।
- ইয়াৰোপৰি, যুৱ প্ৰজন্মৰ সৰ্বাংগীন কল্যাণ আৰু চাকৰি প্ৰাৰ্থীৰ সহায়ৰ বাবে আমাৰ চৰকাৰে প্ৰতিখন জিলা সদৰত একোটাকৈ জিলা যুৱ কল্যাণ কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা লৈছে।
- মই এই বিভাগৰ বাবে ২৩৫.৫০ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ**

- অধ্যক্ষ মহোদয়, দীন দয়াল দিব্যাংগ পেন্সন আঁচনিৰ অধীনত ১,২৯,৮১০ গৰাকী লোকক অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

- দীন দয়াল দিব্যাংগ পুনৰ সংস্থাপন আঁচনিৰ অধীনত ৪০ শতাংশ বা তাতকৈ অধিক অক্ষমতা থকা ১৮ বছৰৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰৰ প্ৰতিগৰাকী বিশেষভাৱে সক্ষম লোকক তেওঁলোকৰ স্ব-নিয়োজন আৰু পুনৰ সংস্থাপনৰ বাবে ২০,০০০ টকাকৈ এক কালীন সাহায্য দিয়া হয়।

- 'একক অক্ষমতা পৰিচয়' প্ৰকল্প বিশেষভাৱে সক্ষম লোকৰ এটা ৰাষ্ট্ৰীয় তথ্য ভাণ্ডাৰ প্ৰস্তুতৰ উদ্দেশ্যে ৰূপায়ণ কৰা হৈছে। এই প্ৰকল্পৰ অধীনত প্ৰতিগৰাকী বিশেষভাৱে সক্ষম লোকক এখনকৈ একক অক্ষমতা পৰিচয় পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মুঠ ১, ৭৪, ১২৯ খন একক অক্ষমতা পৰিচয় পত্ৰ (ইউ ডি আই ডি) ইতিমধ্যে প্ৰদান কৰা হৈছে।

- ইয়াৰ উপৰি, আমাৰ চৰকাৰে জ্যেষ্ঠ নাগৰিক, তৃতীয় লিংগৰ ব্যক্তি আদিৰ বাবে বিভিন্ন কল্যাণকামী আঁচনি ৰূপায়ণ কৰি আছে আৰু ড্ৰাগছ আসক্তসকলৰ বাবে নিচামুক্তি আৰু পুনৰ সংস্থাপন কেন্দ্ৰ চলাই আছে।

- এই বিভাগলৈ মই ৫৩৫.১২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

**ভূমি সংৰক্ষণ বিভাগ ঃ**

***এক সুস্থ পৰিৱেশৰ বাবে ভূমি সংৰক্ষণ***

- অধ্যক্ষ মহোদয়, আমি আকস্মিক বানৰ বিৰুদ্ধে যুঁজ দিবলৈ গুৱাহাটীৰ কাহিলিপাৰা উপ-জলচ্ছেদ, কাহিলিপাৰা পাহাৰত পৰিৱেশজনিত ব্যৱস্থাপনাৰ জৰিয়তে আকস্মিক বান নিৰাময়ৰ আঁচনিখন ৰূপায়ণ কৰিছো। আৰু ইয়াৰে ৯০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে।

- বিভাগে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি WDC-PMKSY- ২.০ ৰূপায়ণ কৰি আছে আৰু ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ ভূমি সম্পদ বিভাগে অসমৰ বাবে ৩ ৰ পৰা ৫ বছৰৰ সময়ৰ বাবে ২৯ টা জলচ্ছেদ প্ৰকল্প মঞ্জুৰ কৰিছে। ই ১,২৮,৫৭৪ লাখ হেক্টৰ ভূমিক সামৰি ল'ব। ইয়াৰ বাবে মুঠ প্ৰকল্প ব্যয় হৈছে ২৯৩.০০২৮ কোটি টকা।

- এছ অ' পি ডি-ৰ অধীনত হাতত ল'ব লগা পদক্ষেপসমূহ হ'ল- গাল্লী কণ্ট্ৰ'ল তথা ৰাটাৰ হাৰভেষ্টিং, ভূমি পুনৰুদ্ধাৰ আৰু জল বিতৰণ,

সুৰক্ষামূলক বনানীকৰণ ইত্যাদি।

- তদুপৰি আমাৰ চৰকাৰে অসমৰ তিনিখন পাৰ্বত্য জিলা ক্ৰমে কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাওত ৫৯ টা স্প্ৰিং ছেদ গঠন কৰিবলৈ প্ৰস্তাৱ লৈছে। বিভাগে আৰ আই ডি এফ-ৰ অধীনত গ্ৰাম্য আন্তঃগাঁথনি সৃষ্টি কৰিবলৈ সংহত ভূমি আৰু জল সংৰক্ষণ আঁচনি ৰূপায়ণ কৰিব।
- মই এই বিভাগৰ বাবে ১৮২.৬২ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছো।

**ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ ঃ *এক সুন্দৰ ভৱিষ্যতৰ বাবে সুস্থ অসম***

- অধ্যক্ষ মহোদয়, গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী আৰু অসমক ক্ৰীড়া কেন্দ্ৰৰূপে গঢ়ি তোলাৰ বাবে থকা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লক্ষ্যক বাস্তৱায়িত কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু সেই অনুসৰি আমাৰ চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষত খেল মহোৎসৱ, ২০২৩ আয়োজন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।
- ক্ৰীড়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত ১০খন জিলা ষ্টেডিয়াম নিৰ্মাণ আৰু ৩৪খন মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাম আৰম্ভ হৈছে।
- আমাৰ চৰকাৰে খেলুৱৈসকলৰ প্ৰদৰ্শনৰ বৈজ্ঞানিক মূল্যাঙ্কন আৰু মূল্যায়নৰ সুবিধাৰ্থে গুৱাহাটী আৰু যোৰহাটত দুটা উচ্চ মানৰ ক্ৰীড়া প্ৰশিক্ষণ আৰু পুনৰ্সংস্থাপন কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।
- তদুপৰি, আমাৰ চৰকাৰে পাইলট হ'বলৈ আগ্ৰহী অসমৰ স্থায়ী বাসিন্দাৰ বাবে বিশ্বমানৰ প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰাৰ অৰ্থে ছয়খন আসনৰ ব্যয় বহন কৰি দুখীয়া আৰু নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বৃত্তিমূলক আঁচনি আৰম্ভ কৰিবলৈ মনস্থ কৰিছে।
- মহোদয়, যুৱ সবলীকৰণৰ উদ্দেশ্যে আঁচনি ৰূপায়ণ কৰি যুৱপ্ৰজন্মৰ ক্ৰমবিকাশৰ বাবে পদক্ষেপ গ্ৰহণেৰে তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে সমাজত তেওঁলোকৰ স্থিতি উন্নত কৰাৰ বাবে অসম ৰাজ্যিক যুৱ আয়োগ গঠন কৰা হৈছে।

- মই এই বিভাগৰ বাবে ২৫৭.৩৭ কোটি টকাৰ আবণ্টন আগবঢ়াইছোঁ।

**চাহ জনজাতি কল্যাণ বিভাগ ঃ *অসমৰ গৌৰৱ***

- অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ চাহ বাগিচা অঞ্চলৰ ভাই-ভনীসকলে অসমৰ অৰ্থনীতিৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বিষয়ে আমি সকলো জ্ঞাত আৰু এটা বৃহত্তৰ অসমীয়া জাতি গঠন আৰু বিকাশৰ ক্ষেত্ৰত তেওঁলোকে আগবঢ়োৱা প্ৰভূত অৱদানো অতুলনীয়।

- ২০২১-২২ বিত্তীয় বৰ্ষত হাতত লোৱা অসম চাহ জনগোষ্ঠীয় সমন্বয় কলাক্ষেত্ৰ আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া এক স্ব-বহনক্ষম বহুমুখী সামাজিক-সাংস্কৃতিক কেন্দ্ৰ গোলাঘাটৰ বোকাখাট ৰাজহ চক্ৰৰ অধীনস্থ কাজিৰঙাৰ সমীপবৰ্তি হাতিখুলি বাগিছা গাঁৱত স্থাপন কৰা হ'ব।

- শ্বহীদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনিৰ অধীনত চাহ জনজাতি সম্প্ৰদায়ৰ স্ব-নিয়োজিত উদ্যোগীসকলৰ বাবে ২৫,০০০ টকাৰ এককালীন অনুদান আগবঢ়োৱাৰ বাবেও আমাৰ চৰকাৰে পৰিকল্পনা লৈছে।

- এই বিভাগলৈ মই ৪২৯.৩৮ কোটি টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।

**পৰ্যটন বিভাগ** ঃ *অতুলনীয় অসম*

- অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰক অধিক উজ্জীৱিত কৰি তোলাৰ বাবে আৰু নতুন বিনিয়োগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে পৰ্যটন ক্ষেত্ৰখনক উদ্যোগৰ মৰ্যাদা প্ৰদান কৰিছে। ইয়ে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি, ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্ব আৰু আন্তঃগাঁথনিমূলক উন্নয়নৰ দিশত বিশেষ বৰঙণি যোগাব।

- আমাৰ চৰকাৰে গ'ল্ফ পৰ্যটন আৰু চাহ পৰ্যটনৰ দৰে বিষয়বস্তু ভিত্তিক পৰ্যটনত অধিক গুৰুত্ব দিছে। চাহ পৰ্যটন ক্ষেত্ৰখনক গতিশীল কৰি তোলাৰ বাবে ৰাজ্যখনৰ চাহ পৰ্যটনৰ সহায়ক হোৱাকৈ মূলধন আন্তঃগাঁথনি সমৰ্থন আগবঢ়োৱাৰ উদ্দেশ্যে বিভাগে ৫০ খন চাহ বাগিচা নিৰ্বাচন কৰিছে।

- ৰাজ্যখনৰ পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি জোঙাল বলহু

প্ৰত্নতাত্ত্বিক স্থানত জোঙাল বলহু ক্ষেত্ৰ নিৰ্মাণ, কাজিৰঙাত হেৰিটেজ বাংলোৰ উন্নয়ন, আমিনগাঁৱত আধুনিক যাত্ৰী নিবাস আৰু আমিনগাঁৱত শৰাইঘাট সৰোবৰৰ উন্নয়নৰ দৰে সমগ্ৰ অসমত কেইবাটাও পৰ্যটন আন্তঃগাঁথনিমূলক প্ৰকল্প হাতত লোৱা হৈছে।

- ৰাজ্যখনৰ পৰ্যটন আৰু আতিথ্য ক্ষেত্ৰৰ উন্নয়নৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ চৰকাৰে মানাহত ভাৰতীয় হোটেল নিগম (IHCL)ৰ সৈতে গ্ৰীনফিল্ড হোটেল নিৰ্মাণ, হায়াট গ্ৰুপ অৱ হোটেলছৰ সৈতে কাজিৰঙাত এখন পঞ্চ তাৰকাযুক্ত হোটেল নিৰ্মাণ, টাটা গ্ৰুপৰ সৈতে এখন আতিথ্য প্ৰশিক্ষণ কেন্দ্ৰ কাৰ্যকৰী কৰা, কাজিৰঙাত দুখন উচ্চ সুবিধাযুক্ত চাহ পৰ্যটন ৰিজ'ৰ্ট স্থাপন আৰু Ease My Trip অনলাইন প্লেটফৰ্মৰ সৈতে অসমৰ পৰ্যটনৰ বাবে অনলাইন বুকিং পদ্ধতি প্ৰৱৰ্তনৰ দৰে কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।
- তদুপৰি, বিভাগটোৱে কাজিৰঙাত অত্যাধুনিক অতিথিশালা আৰু কনভেনচন চেণ্টাৰ, উমৰাংচু/পানীমূৰ আৰু হাফলঙত পৰ্যটনৰ আন্তঃগাঁথনি উন্নয়ন, বাংলাগড়, বৰগাঁও, কামৰূপত পৰ্যটন সুবিধাৰ উন্নয়ন, নগাঁৱত হাহিলা বিল সংৰক্ষণ আৰু উন্নয়ন আৰু গোৱালপাৰা জিলাত একাধিক পৰ্যটন স্থানৰ উন্নয়নৰ দৰে কেইবাটাও পৰ্যটন আন্তঃগাঁথনিমূলক উন্নয়ন প্ৰকল্প গ্ৰহণ কৰিব।
- মই ইয়াৰ বাবে বিভাগটোলৈ ১০০.০২ কোটি টকা আবণ্টন দিছো।

**ৰূপান্তৰ আৰু উন্নয়ন বিভাগ ঃ *বহনক্ষম উন্নয়নৰ লক্ষ্য নিশ্চিতকৰণ***

- মহোদয়, ৰূপান্তৰ আৰু উন্নয়ন বিভাগে বহুসংখ্যক গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত আন বিভাগ আৰু এজেন্সীৰ সৈতে সমন্বয় ৰক্ষা কৰি আহিছে।
- অধ্যক্ষ মহোদয়, গাঁওসমূহক বহনক্ষম আৰু সামগ্ৰিক বিকাশৰ অধীনলৈ অনাৰ লক্ষ্যৰে এই বিভাগে আদৰ্শ গাঁও সৃষ্টিৰ বাবে 'অসম আদৰ্শ গ্ৰাম যোজনা' ৰূপায়ণ কৰি আছে।

- ৰাজ্যত আন্তঃগাঁথনিৰ ব্যৱধান দূৰ কৰাৰ বাবে 'প্ৰধান মন্ত্ৰীৰ উত্তৰ-পূৰ্বাঞ্চল বিকাশ পদক্ষেপ' (পি এম-ডিভাইন)ৰ অধীনত ১৮৩৪.৬৬ কোটি টকাৰে ১১ খন আঁচনিৰ প্ৰস্তাৱ লোৱা হৈছে।
- এই বছৰৰ বাজেটত মই এই বিভাগটোৰ বাবে ৬৪৫.৩৭ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

**পৰিবহণ বিভাগ ঃ**

***বহু আৰ্হিত্বৰ দিশত এটি পথ / ৰাজ্যৰ উন্নয়নৰ চালিকা শক্তি***

- অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ পৰিবহণ বিভাগ হৈছে অন্যতম ৰাজহ অৰ্জন কৰা বিভাগ, যাৰ প্ৰধান লক্ষ্য হৈছে পথ সুৰক্ষাৰ লগতে অভ্যন্তৰীণ জল পৰিবহণৰ ক্ষেত্ৰত যাত্ৰীবাহী ফেৰী আৰু মালবাহী জাহাজৰ সুৰক্ষা নিশ্চিত কৰা।
- জল পৰিবহণত উপযুক্ত পৰিকল্পনাৰে এটা ব্যৱসায়িক দৃষ্টিভংগী গ্ৰহণ কৰাৰ উদ্দেশ্যে চৰকাৰে Assam Inland Waterways Company Limited গঠন কৰাৰ বাবে যোৱা ২০২২ চনৰ ৩ মে'ত অনুষ্ঠিত কেবিনেট বৈঠকত অনুমোদন জনাইছে।
- পৰিবহণ বিভাগে ২০২২-২৩ বিত্তীয় বৰ্ষত (৩১ জানুৱাৰী ২০২৩ লৈ) ১০৪৪.৮৫ কোটি টকাৰ যান-বাহন ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে যিটো আগৰ বৰ্ষৰ একে সময়ৰ তুলনাত ৪৩.৫২ শতাংশ অধিক।
- তদুপৰি, আমাৰ চৰকাৰে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়লৈ নোযোৱাকৈ ঘৰতে অনলাইন যোগে সেৱা আগবঢ়োৱাৰ ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে ৪৫ টা এনে ধৰণৰ অনলাইন সেৱা মুকলি কৰা হৈছে। ইয়াৰে গাড়ী আৰু পথ অনুজ্ঞাপত্ৰৰ সৈতে জড়িত ২৬ টা সেৱা বাহন ছফ্‌টৱেৰৰ অধীনত আৰু গাড়ী চালনাৰ অনুজ্ঞাপত্ৰৰ সৈতে জড়িত ১৯ টা সেৱা সাৰথি ছফ্‌টৱেৰৰ অধীনত প্ৰদান কৰা হৈছে।
- অসম চৰকাৰ (৫১%) আৰু ৰে'ল মন্ত্ৰালয় (৪৯%) ৰ যৌথ উদ্যোগ "Assam Railway Infrastructure Development Co-

operation Limited” ২০২২ বৰ্ষৰ ৩ নৱেম্বৰত স্থাপন কৰা হৈছে আৰু Companies Act ৰ অধীনত পঞ্জীভুক্ত কৰা হৈছে।

- গুৱাহাটী ৰে'ল ষ্টেচনৰ ছেকেণ্ড এন্ট্ৰিৰ কাম হাতত লোৱা হৈছে।
- অসম ৰাজ্যিক পৰিবহণ নিগমৰ সম্পদৰাজী যেনে- ভূমি আদিক উন্নীত কৰি থকা হৈছে আৰু এই সম্পদসমূহক এক স্বচ্ছ প্ৰক্ৰিয়াৰ মাজেৰে ‘মনিটাইজড্’ কৰা হ’ব।
- বিভাগৰ দ্বাৰা উবেৰাইজেশ্চন আঁচনিখন চলাই থকা হ’ব। তদুপৰি, এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে যে অসম ৰাজ্যিক পৰিবহন নিগম বাছ চলাচলৰ ক্ষেত্ৰত ভৱিষ্যতে জড়িত নাথাকে কিন্তু এক ‘এগ্ৰেগেটৰ’ হিচাবে কাম কৰিব। অৰ্থাৎ নিগমে বৈদ্যুতিক বাছৰ বাহিৰে কোনো নতুন বাছ ক্ৰয় নকৰে।
- এই বিভাগৰ বাবে, এই বছৰৰ বাজেটত মই ৮১৯.৩১ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগ**

*ন্যায্য অংশৰ দিশত প্ৰয়াস*

- আমাৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ অধিকাৰ সুৰক্ষাৰ দিশত আমাৰ চৰকাৰৰ দায়বদ্ধতা অতুলনীয়। আমাৰ খিলঞ্জীয়া ভাই-ভনীসকলৰ সামগ্ৰিক উন্নয়নত গুৰুত্ব আৰোপ কৰি কেইবাটাও পদক্ষেপ লোৱা হৈছে। অনুসূচিত জনজাতিৰ দুখীয়া শিক্ষাৰ্থীৰ সহায়ৰ বাবে প্ৰি-মেট্ৰিক আৰু পোষ্ট মেট্ৰিক জলপানি প্ৰদান আমি অব্যাহত ৰাখিছো আৰু মেধাৱী শিক্ষাৰ্থীক বিশেষ উদ্‌গনি প্ৰদান কৰি থকা হৈছে।
- প্ৰধানমন্ত্ৰী আদি আদৰ্শ গ্ৰাম যোজনাৰ অধীনত আদৰ্শ গাঁৱলৈ ৰূপান্তৰৰ বাবে আমাৰ চৰকাৰে কমেও ৫০ শতাংশ জনজাতীয় লোক আৰু ৫০০ গৰাকী অনুসূচিত জনজাতিৰ জনসংখ্যা থকা ১৭০০ গাঁও চিনাক্ত কৰিছে।
- অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে সাতখন স্বায়ত্তশাসিত পৰিষদলৈ পৰ্যাপ্ত পুঁজি যোগান ধৰিছে আৰু আমি ২০২১-২২ বিত্তীয় বৰ্ষতকৈ এই বিত্তীয়

বৰ্ষত বাজেট আবণ্টন ১০ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱ দিছো। ইয়াৰ উপৰি ১১ খন উন্নয়ন পৰিষদলৈ বাজেট আবণ্টন ২০ শতাংশ বৃদ্ধিৰ বাবে আমাৰ চৰকাৰে প্ৰস্তাৱ দিছে।

- আমাৰ চৰকাৰে জনজাতি উপ-পৰিকল্পনাৰ অধীনত জনজাতীয় এলেকাৰ উন্নয়নৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰিছে।
- সেয়ে এই বিভাগলৈ মই ৬৭৫.৮৪ কোটি টকাৰ আবণ্টন দিলো।

**জলসম্পদ (বান নিয়ন্ত্ৰণ) বিভাগ ঃ**

***ৰাজ্যখনৰ শক্তি/ৰাজ্যৰ জলসম্পদ সম্ভাৱনীয়তাৰ সদব্যৱহাৰ***

- অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ বানপানী আৰু খহনীয়া সমস্যাক এক বহনক্ষম পদ্ধতিৰে মোকাবিলা কৰাৰ উদ্দেশ্যে জলসম্পদ বিভাগে বানপানী আৰু খহনীয়া ব্যৱস্থাপনা তথা আন্তঃগাঁথনি উন্নয়ন আঁচনিসমূহ গ্ৰহণ কৰিছে।
- ভাৰত চৰকাৰৰ জল শক্তি মন্ত্ৰালয়ে বানপানী ব্যৱস্থাপনা আৰু সীমান্ত এলেকা কাৰ্যসূচীৰ অধীনত চিৰাং জিলাত আই নদীৰ খহনীয়া প্ৰতিৰোধৰ বাবে এখন আঁচনিত অনুমোদন জনাইছে। ২০২২-২৩ বৰ্ষৰ বাবে বিভাগে নাবাৰ্ডৰ অধীনত ৪৯৯.৯৮ কোটি টকা ব্যয়সাপেক্ষ ৩৮ খন আঁচনি আৰু এছ অ' পি ডি-জি ৰ অধীনত ৫১৯.২৮ কোটি টকাৰ ২২ খন আঁচনি গ্ৰহণ কৰিছে।
- বিভাগে এছিয়ান ডেভেলপমেণ্ট বেংকৰ সৈতে "Climate Resilient Brahmaputra Integrated Flood and Riverbank Erosion Risk Management Project (CRBIFRERMP)" আঁচনিখনো প্ৰস্তাৱ কৰিছে। ২৪৬১.৭৮ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পসমূহে মূল ব্ৰহ্মপুত্ৰৰ বানপানী আৰু খহনীয়া ব্যৱস্থাপনাৰ লগতে ৯ টা জলসম্পদ সংমণ্ডলৰ অধীনৰ ৫ টা প্ৰকল্পক লক্ষ্য কৰি প্ৰস্তাৱ লৈছে।
- তদুপৰি, বিভাগটোৱে বানপানী ব্যৱস্থাপনা আৰু সীমান্ত এলেকা কাৰ্যসূচীৰ

অধীনত মুঠ ৮১৭.৩৪ কোটি টকা ব্যয়সাপেক্ষ ৯ খন আঁচনি কাৰ্যকৰী কৰাৰ বাবে প্ৰস্তুত কৰিছে আৰু এই আঁচনিকেইখন ভাৰত চৰকাৰৰ জল শক্তি মন্ত্ৰালয়ৰ অনুমোদনৰ পিছত গ্ৰহণ কৰা হ'ব।

- এই বাজেটত বিভাগটোৰ বাবে মই ১,৪৬৪.৯৮ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছো।

**সংখ্যালঘু কল্যাণ বিভাগ ঃ** ***সৰ্বাংগীণ বিকাশ/সৰ্বাংগীণ সমাজ নিৰ্মাণ***

- অধ্যক্ষ মহোদয়, মোৰ চৰকাৰে স্বাস্থ্য সেৱা, বিত্তীয় অন্তৰ্ভুক্তিমূলক শিক্ষা, জনসংখ্যা নিয়ন্ত্ৰণ, দক্ষতা বিকাশ, মহিলা সবলীকৰণ আৰু সাংস্কৃতিক সংৰক্ষণ ইত্যাদি ক্ষেত্ৰসমূহত অসমৰ খিলঞ্জীয়া অসমীয়া মুছলমান সম্প্ৰদায়, যেনে - গৰিয়া, মৰিয়া, দেশী, জলহা (চাহ বাগিচা সম্প্ৰদায়ৰ অন্তৰ্গত) আৰু চৈয়দ সম্প্ৰদায়ৰ লোকসকলৰ বিকাশ সাধনৰ বাবে তেনে লোকসকলক  চিনাক্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি এই ক্ষেত্ৰত অধিসূচনা জাৰি কৰা হৈছে। সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰমাণ পত্ৰ প্ৰদানৰ বাবে বিভাগে ২০২৩ বৰ্ষত কেবিনেটৰ দ্বাৰা অনুমোদনপ্ৰাপ্ত মানসম্পন্ন কাৰ্য পৰিচালনা বিধি (SOP) লাভ কৰিছে।
- তদুপৰি বিত্তীয় অন্তৰ্ভুক্তিকৰণ, স্বাস্থ্য সেৱা, শিক্ষা, দক্ষতা বিকাশ, সাংস্কৃতিক পৰিচয়, মহিলাৰ উত্তৰণ ইত্যাদিৰ লেখীয়া ক্ষেত্ৰসমূহত তেওঁলোকক সবল কৰি তোলাৰ বাবে ২০২১-২২ বিত্তীয় বৰ্ষত খিলঞ্জীয়া অসমীয়া মুছলমান সম্প্ৰদায়ৰ বুদ্ধিজীৱী আৰু নেতৃস্থানীয় নাগৰিকসকলৰ সৈতে চৰকাৰে "আলাপ-আলোচনা" নামৰ এক নতুন পদক্ষেপ গ্ৰহণ কৰিছে।
- মই ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছো যে ২০২২-২৩ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ "প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম (PMJVK)"ৰ অধীনত ৯ খন আই টি আই নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু এইকেইখন বিভিন্ন চৰকাৰী সংস্থাক অৰ্পণ কৰা হৈছে।
- মই এই বাজেটত এই বিভাগৰ বাবে ১৬২.৫০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ লৈছো।

**বড়োলেণ্ড কল্যাণ বিভাগ**

*স্বায়ত্ত শাসনৰ প্ৰতি সন্মান*

- অধ্যক্ষ মহোদয়, এই বিভাগে বড়োলেণ্ড ছুপাৰ ৫০ মিছন নামৰ আঁচনিখনৰ প্ৰস্তাৱ আগবঢ়াইছে, যাৰ জৰিয়তে বি টি আৰ এলেকাৰ অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰী আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলক সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।
- তদুপৰি, লোকনিৰ্মাণ আৰু জলসিঞ্চন বিভাগৰ দ্বাৰা ভালেসংখ্যক আন্তঃগাঁথনি প্ৰকল্পৰ প্ৰস্তাৱ লোৱা হৈছে।
- এই বিভাগে বিভিন্ন প্ৰকল্প যেনে— বড়োলেণ্ড স্ব-নিয়োজন যোজনা, বড়োলেণ্ড আত্মনিৰ্ভৰ যোজনা, বড়োলেণ্ড যুৱ বিকাশ, বড়োলেণ্ড হস্ততাঁত মিছন, বড়োলেণ্ড ৰেচম মিছন, দক্ষতা বিকাশ আৰু উদ্যমিতা মিছন, মিছন দুগ্ধধাৰা আদি গ্ৰহণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।
- এই বিভাগৰ বাবে মই ৩,৮৬৩.৭০ কোটি টকাৰ আবণ্টন দিছো।

**মহিলা আৰু শিশু উন্নয়ন**

*অন্ত্যোদয়াৰ অৰ্থে পোনপটীয়া লাভালাভৰ সুবিধা/ মহিলা আৰু শিশুৰ সৰ্বাংগীন বিকাশ*

- অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে ৰাজ্যখনৰ মহিলা আৰু শিশুসকলৰ সৰ্বাংগীণ বিকাশত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ বাবে শিশুৰ স্বাস্থ্য, গৰ্ভৱতী মহিলা আৰু স্তনপান কৰাই থকা মাতৃসকলৰ পৰিপুষ্টি যোগানৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰা অংগনবাড়ী কেন্দ্ৰসমূহৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে।
- আমি শিশুৰ বাবে উপযোগী সেৱা উপলব্ধ ১,০০০টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছোঁ।
- তদুপৰি, আমাৰ ৰাজ্যখনৰ শিশুসকলৰ সৰ্বাংগীণ বিকাশ আৰু উন্নয়নৰ

বাবে প্ৰয়োজনীয় আধুনিক সা-সুবিধাযুক্ত ৩,০০০ টা নতুন আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপনতো আমাৰ চৰকাৰে অনুমোদন দিছে।

- মহিলাৰ সৰ্বাংগীণ বিকাশৰ বাবে একক কেন্দ্ৰ (one stop centre), উজ্জ্বলা, স্বধাৰ, মহিলা শক্তি কেন্দ্ৰ ইত্যাদিৰ লেখীয়া বিভিন্ন আঁচনি ৰূপায়ণ কৰি থকা হৈছে।
- অধ্যক্ষ মহোদয়, সেয়েহে ২০২৩-২৪ বিত্তীয় বৰ্ষত এই বিভাগৰ বাবে মই ৩,০৪৯.৮৬ কোটি টকা ধাৰ্য কৰিছোঁ।

## বিত্ত বিভাগ

- অধ্যক্ষ মহোদয়, সম্পূৰ্ণ ক্ৰয় ব্যৱস্থা নিশ্চিত কৰা আৰু নিবিদাত অংশগ্ৰহণ কৰা ব্যক্তি তথা নাগৰিকসকলে যিকোনো ৰাজহুৱা ক্ৰয় সম্পৰ্কীয় তথ্য লাভ কৰাৰ বাবে এক একক কেন্দ্ৰীভূত মঞ্চ আগবঢ়াবলৈ ASPIRe প্ৰকল্পৰ অধীনত ৰাজ্যিক ৰাজহুৱা ক্ৰয় প'ৰ্টেল (SPPP) প্ৰস্তুত কৰা হৈছে। ২০২২ বৰ্ষৰ ২২ আগষ্টত মাননীয় মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক ৰাজহুৱা ক্ৰয় প'ৰ্টেলটো আৰম্ভ কৰিছিল।
- বিক্ৰীৰ প্ৰথম পৰ্যায় (First Point)ত ই-গভৰ্নেন্স সমাধান প্ৰক্ৰিয়াৰ যোগেদি আবকাৰী কৰ সংগ্ৰহ আৰু ই-গভৰ্নেন্স সমাধান প্ৰক্ৰিয়াৰ শুভাৰম্ভৰ ফলত ২০১৬ বৰ্ষত আবকাৰী ৰাজহ ৮৫০ কোটি টকাৰ পৰা ২০২২ বৰ্ষত ২,১৫০ কোটি টকালৈ বৃদ্ধি হৈছে আৰু এই বৃদ্ধিৰ হাৰ ৫ বছৰত ১৩৫ % (CAGR of 15 %)
- তদুপৰি, সক্ৰিয় ঋণ ব্যৱস্থাপনাৰ ফলত ৰাজ্যিক উন্নয়ন ঋণ (SDLs) লোৱাৰ ক্ষেত্ৰত ব্যয় হ্ৰাস হৈছে। (সুদৰ বাবদ ব্যয় হোৱা প্ৰায় ২১০ কোটি টকাৰ ধন ৰাহি হৈছে)।
- সেয়েহে এই বিভাগৰ বাবে বাজেটত মই ২৬,৬১০.৫৩ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ আগবঢ়াইছো।

## অংশ-II

(১) মাননীয় অধ্যক্ষ মহোদয়, মই উল্লেখ কৰিব বিচাৰো যে বিগত দুটা বছৰত চৰকাৰৰ ৰাজহ প্ৰাপ্তিৰ পৰিমাণ উল্লেখযোগ্য বৃদ্ধি হৈছে। ৰাজ্যৰ নিজস্ব উৎসৰ ৰাজহ বৃদ্ধিৰ পৰিমাণ-কৰাৰোপণ, আবকাৰী, বন, ভূমি ৰাজহ, পৰিবহণ ইত্যাদি সকলো ক্ষেত্ৰতে প্ৰতিফলিত হৈছে। অহা বৰ্ষটোত আমি প্ৰস্তাৱ কৰা কেতবোৰ পদক্ষেপ উল্লেখ কৰাটো সমীচীন হ'ব বুলি ভাবো—

**বাণিজ্যিক কৰ**

(২) অধ্যক্ষ মহোদয়, নবীকৰণযোগ্য শক্তি উৎপাদনৰ ওপৰত বিদ্যুৎ শুল্ক ৰেহাই আৰু কৃষি আয়কৰ ৰেহাই ব্যৱস্থা অব্যাহত ৰখা সম্পৰ্কীয় সিদ্ধান্তৰ কথা মই ইতিমধ্যে ঘোষণা কৰিছোঁ। আমাৰ চৰকাৰে কৰ সংগ্ৰহ আৰু কৰ ৰাজহ বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি শীৰ্ষ কাৰ্যালয়ত এটা জি এছ টি ইক'নোমিক ইনটেলিজেন্স ইউনিট (EIU) আৰু এটা উৎসৰ্গীকৃত জি এছ টি হিচাপ পৰীক্ষণ কোষ গঠন কৰিব। ইয়াৰ উপৰি কৰ সংগ্ৰহত উৎকৃষ্টতা প্ৰদৰ্শন কৰা ৰাজ্যসমূহলৈ অধ্যয়নমূলক ভ্ৰমণ আদিৰ জৰিয়তে বিষয়াসকলৰ সামৰ্থ্য বৃদ্ধি কৰি বিভাগক শক্তিশালী কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(৩) তদুপৰি মই আগন্তুক ৩ বছৰৰ বাবে কৃষি আয়কৰ ৰেহাই ব্যৱস্থা সম্প্ৰসাৰণৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

**আবকাৰী**

(৪) অধ্যক্ষ মহোদয়, আবকাৰী বিভাগে ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ২,২০০ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ২০২১-২২ বৰ্ষৰ একে সময়ছোৱাত ইয়াৰ পৰিমাণ আছিল ১,৬৭৪ কোটি টকা। এইক্ষেত্ৰত উল্লেখনীয় বৃদ্ধিৰ হাৰ হৈছে ৩১শতাংশ। মহোদয়, আমাৰ চৰকাৰে এলানি সংস্কাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে আৰু তাৰে কেইটামান মই উল্লেখ কৰিব বিচাৰিছোঁ—

(i) আমাৰ চৰকাৰে গ্ৰাহকক ভেজাল সুৰাৰ পৰা ৰক্ষা কৰিবলৈ, ৰাজ্যৰ ৰাজকোষৰ ৰাজহ বৃদ্ধি কৰিবলৈ আৰু চোৰাং সুৰা বিক্ৰীৰ জৰিয়তে হোৱা শুল্ক ফাকি ৰোধ কৰিবলৈ প্ৰতিটো সুৰাৰ বটলতে বিকৃত কৰিব নোৱাৰা উচ্চ সুৰক্ষামূলক হ'ল'গ্ৰাম লগোৱাৰ ব্যৱস্থা কৰিছে।

(ii) আই এম এফ এল—ৰ ওপৰত Ad-valorem levies ৰ যুক্তিসংগতকৰণ আৰু নতুন ব্ৰেণ্ড মুকলি।

(iii) অন্যান্য ৰাজ্যসমূহত বিক্ৰীৰ বাবে ৰখা সুৰাৰ অবৈধ সৰবৰাহ আৰু চোৰাং কাৰবাৰ ৰোধ কৰিবলৈ অনলাইন ট্ৰেনজিট পাছ মেকানিজিম প্ৰৱৰ্তন।

## পৰিবহণ বিভাগ

(৫) অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে "Vehicle Scrappage Policy of Assam, 2022" খন প্ৰৱৰ্তন কৰিছে। ইয়াৰ উদ্দেশ্য হ'ল ম্যাদ উকলা যান-বাহনসমূহ বিজ্ঞানসন্মতভাৱে ভঙা আৰু স্ক্ৰেপিং কৰাটো সুনিশ্চিত কৰা। এই উদ্দেশ্যৰে ৰঙিয়াত পূৰ্বাঞ্চল আৰু উত্তৰ-পূব ভাৰতৰ প্ৰথমটো Registered vehicle Scrapping Facility (RVSF) স্থাপন কৰিছে। এই পৱিত্ৰ সদনক মই জনাবলৈ পাই সুখী হৈছোঁ যে ১৫ বছৰীয়া পুৰণি চৰকাৰী বাহন স্ক্ৰেপিং কৰাটো বাধ্যতামূলক কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন দেশৰ ভিতৰতে প্ৰথমখন ৰাজ্য।

(৬) ১৫ বছৰৰ ওপৰৰ অনা-পৰিবহণ বাহন আৰু ১০ বছৰৰ ওপৰৰ পৰিবহণ বাহনৰ পঞ্জীয়ন নবীকৰণৰ বাবে পৰিৱেশজনিত ক্ষতিপূৰণ মাচুল আদায় কৰিবলৈ আমাৰ চৰকাৰে সেউজ কৰ আৰোপ কৰিছে।

## ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

(৭) মিছন বসুন্ধৰাৰ অধীনত দীৰ্ঘদিনে অমীমাংসিত হৈ থকা ভূমি সম্পৰ্কীয় বিষয়সমূহ নিৰ্ধাৰিত সময়ৰ ভিতৰত নিষ্পত্তি কৰাৰ লগতে আবদ্ধ হৈ থকা ভূমি মুকলি কৰা হৈছে। ইয়াৰ ফলত বিগত বৰ্ষসমূহত ৰাজহ

(পঞ্জীয়ন মাচুল, মোহৰ শুল্ক আৰু ভূমি ৰাজহ) সংগ্ৰহৰ ক্ষেত্ৰত উত্থান পৰিলক্ষিত হৈছে। যেনে— ২০২০-২১ বৰ্ষত ৩৯৭.৭৯ কোটি টকা, ২০২১-২২ বৰ্ষত ৬২৪.৩৪ কোটি টকা আৰু ২০২২-২৩ বৰ্ষত (১ মাৰ্চ, ২০২৩ লৈ) ৮৪৩.০৫ কোটি টকা। তদুপৰি আমি তলত উল্লেখ কৰা পদক্ষেপসমূহ গ্ৰহণৰ প্ৰস্তাৱ লৈছোঁ—

(i) ভূমি ৰাজহক অধিক ন্যায়সংগত কৰি তুলিবলৈ ভূমি ৰাজহৰ নিৰিখক মাগুলিক মূল্য নিৰূপণৰ সৈতে সংলগ্নকৰণ।

(ii) ভূমি ধাৰকসকলে স্ব-সেৱা হিচাপে তেওঁলোকৰ ভূমিৰ ডিজিটেলযুক্ত শুদ্ধ জিঅ'স্পেচিয়েল (Geospatial) মানচিত্ৰ যাতে লাভ কৰে, তাৰ বাবে সেৱা হিচাপে মানচিত্ৰ (Map) ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব।

(iii) ভূমি ৰাজহ অনলাইনযোগে প্ৰদান সহজসাধ্য কৰি ই-খাজনা আৱেদন সাৰ্বজনীন কৰা হ'ব।

(iv) সমগ্ৰ ৰাজ্যখনকে ডিজিটেল ষ্টাম্পিং আন্তঃগাঁথনিৰ প্ৰসাৰেৰে কায়িকভাৱে ন'ন-জুডিচিয়েল ষ্টাম্প বিক্ৰী কৰাটো বন্ধ কৰিবলৈ বিচৰা হৈছে।

(v) তদুপৰি, ৰাজ্যখনত চূড়ান্ত স্বত্ব পত্ৰ (Conclusive Titling) ৰ বাবে বিধিসন্মত কাঠামো গঠন কৰিবলৈ "Assam Title Guarantee Bill" প্ৰৱৰ্তন কৰা হ'ব।

## বন বিভাগ

(৮) ৰাজ্যখনলৈ প্লাইউড আৰু ভিনিৰ (Veneer) মিল, অগৰ কাঠ ইত্যাদিৰ লেখীয়া কাঠভিত্তিক উদ্যোগসমূহ ঘূৰাই আনিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এইক্ষেত্ৰত আমি অলপতে "Assam Wood Based

Industries (Promotion & Development) Rules, 2022 খন অধিসূচিত কৰিছোঁ। এই বিধিৰ অধীনত প্ৰচলিত নিয়মক বিধিব্যৱস্থা মুক্ত কৰিবলৈ আৰু ৰাজ্যখনত কাঠভিত্তিক উদ্যোগ স্থাপনৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তুলিবলৈ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত স্থানীয় নিয়োগৰ সুবিধা সৃষ্টি হ'ব।

(৯) বনজ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে অসম বন উন্নয়ন নিগম লিমিটেড স্থাপন কৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ বাবে পৰ্যাপ্ত পুঁজি যোগান ধৰা হ'ব।

**খনি আৰু খনিজাত সম্পদ**

**চূণশিল আৰু লোৰ আকৰৰ ই-নিলাম**

(১০) অধ্যক্ষ মহোদয়, ২০১৫ চনত সংশোধন কৰা হিচাপে খনি আৰু খনিজাত দ্ৰব্য (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন, ১৯৫৭ অনুসৰি আমি চূণশিল আৰু লোৰ আকৰৰ ই-নিলাম সম্পন্ন কৰিবলৈ প্ৰস্তাৱ কৰিলোঁ। এম এম ডি আৰ আইন প্ৰৱৰ্তন কৰাৰ পৰা ৰাজ্যখনৰ প্ৰধান খনিজাত দ্ৰব্যসমূহৰ ই-নিলাম কৰিবলৈ লোৱাটো এয়ে প্ৰথম। এই আইনত থকা নীতি-নিৰ্দেশনা আৰু প্ৰক্ৰিয়া অনুসৰি এই দ্ৰব্যসমূহৰ নিলাম নিকা, স্বচ্ছ আৰু প্ৰতিযোগিতামূলক প্ৰক্ৰিয়াৰে সম্পন্ন কৰা হ'ব। এই প্ৰক্ৰিয়া সম্পন্ন হ'লে ই ৰাজ্য চৰকাৰৰ বাবে ৰয়েল্টি, ডি এম এফ আৰু অন্যান্য বিধিসন্মত পৰিশোধৰ ৰূপত ১০, ০০০ কোটি টকাতকৈ অধিক ৰাজহ অৰ্জনত সহায় কৰিব।

# বাজেট প্ৰাক্কলন

২০২৩-২৪ বৰ্ষৰ বাজেট প্ৰাক্কলনত ৰাজ্যখনৰ একত্ৰীকৃত নিধিত মুঠ ১৩৯৪৪৩.৮৮ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰে ১১৪০৮৪.৬৯ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ২৫৩৫৯.১৯ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ মই তালিকা নং ১ত উল্লেখ কৰিছোঁ। ৰাজহুৱা শিতানত ১৮০২৯৮.৮৩ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০০ কোটি টকা যোগ হোৱাৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ৩২১৭৪২.৭১ কোটি টকা। ইয়াৰ বিপৰীতে ২০২৩-২৪ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ১৩৯৭৫৫.২৭ কোটি টকা বুলি অনুমান কৰা হৈছে; ইয়াৰে ৰাজহ শিতানত ১১১৩৩৬.৫৯ কোটি টকা, মূলধন শিতানত ২৮৪১৮.৬৮ কোটি টকা। ২০২৩-২৪ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰি অনুযায়ী ব্যয়সমূহৰ প্ৰাক্কলন তালিকা নং ২ত দেখুৱা হৈছে। ৰাজহুৱা শিতানত হোৱা ব্যয় ১৭৯৩২৬.৪৮ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০০ কোটি টকাৰে বছৰটোৰ সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হ'ব ৩২১০৮১.৭৫ কোটি টকা। লেনদেনৰ বাবদ আনুমানিক ৬৬০.৯৬ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণি ঘাটি ১৫৯৬.১৯ কোটি টকাৰ হিচাপ মিলালে ২০২৩-২৪ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ৯৩৫.২৩ কোটি টকা হ'বগৈ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত অসমৰ জনসাধাৰণৰ ওপৰত কোনো ধৰণৰ অতিৰিক্ত কৰৰ বোজা আৰোপ নকৰাকৈয়ে বাৰ্ষিক বিত্তীয় প্ৰতিবেদনৰ চানেকী উপস্থাপন কাৰ হৈছে। সেই অনুসৰি এই পৱিত্ৰ সদনৰ সন্মুখত মই বাজেট দাখিল কৰিছোঁ।

বাজেটখন শেষ কৰাৰ প্ৰাৰ্কমুহূৰ্তত আপোনালোক আটাইকে আগন্তুক ৰঙালী বিহুৰ ওলগ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। এই মাহৰ পিছতেই অসমীয়া নতুন বৰ্ষ আৰম্ভ হ'ব। ৰঙালীৰ ৰং আৰু নৱবৰ্ষৰ প্ৰতিটো মুহূৰ্ত আপোনালোক আটাইৰে সুন্দৰ হৈ পৰক। ইয়াকে কামনা কৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ভাষাৰেই সামৰিছোঁ—


সুন্দৰে যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে।

**Estimated of Inflows into the Consolidated Fund of the State during 2023-24**

(Rs. in Crore)

| Component | 2023-24 BE | % of Total against 2023-24 |
|---|---|---|
| State Tax Revenue | 30001.66 | 22 |
| Non-Tax Revenue | 7010.84 | 5 |
| Share of Central Taxes | 31950.89 | 23 |
| Centrally Sponsored Schemes | 31130.48 | 22 |
| Finance Commission Grants | 10186.39 | 7 |
| Other Transfer/Grants to States with Legislature | 3804.43 | 3 |
| Public Debt | 25052.31 | 18 |
| Recoveries of Loans & Advances | 306.88 | 0.2 |
| **Total** | **139443.88** | **100** |

**Where Rupee Comes From**



তালিকা - ৩

২০২৩-২০২৪ বৰ্ষৰ বাজেট একত্ৰীকৃত নিধি আৰু ৰাজহুৱা হিচাপৰ পৰা দ'বলগীয়া মঞ্জুৰী অনুসৰি আনুমানিক বিবৰণ

(টকাৰ হিচাপত)

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| C1 | লোকসেৱা আয়োগ | ৰাজহ | ০.০০ | ২৪৬৯৫২০০০.০০ | ২৪৬৯৫২০০০.০০ |
| | | মূলধন | ০.০০ | ১১২০০০০০.০০ | ১১২০০০০০.০০ |
| C2 | ৰাজ্যিক দুৰ্নকী | ৰাজহ | ০.০০ | ১০২২৪৭০০০.০০ | ১০২২৪৭০০০.০০ |
| | | মূলধন | ০.০০ | ৯০০০০০০০.০০ | ৯০০০০০০০.০০ |
| PD | ৰাজহুৱা ঋণ আৰু ঋণ সেৱা | ৰাজহ | ০.০০ | ১০৮১৫৩৬৬৯৮০০০.০০ | ১০৮১৫৩৬৬৯৮০০০.০০ |
| | | মূলধন | ০.০০ | ৪৪০৭০৮৯৪০০০.০০ | ৪৪০৭০৮৯৪০০০.০০ |
| ১ | ৰাজ্যিক বিধানমণ্ডল | ৰাজহ | ১২০৮৩২৩০০০.০০ | ১৪৫০০০০০.০০ | ১২২২৮২৩০০০.০০ |
| | | মূলধন | ১০৪৮৪০০০০০.০০ | ০.০০ | ১০৪৮৪০০০০০.০০ |
| ২ | মন্ত্ৰী পৰিষদ | ৰাজহ | ১৪১৩৫৫১০০০.০০ | ০.০০ | ১৪১৩৫৫১০০০.০০ |
| | | মূলধন | ২০০০০০০০.০০ | ০.০০ | ২০০০০০০০.০০ |
| ৩ | ন্যায় প্ৰশাসন | ৰাজহ | ৬২৩৩২১৮০০০.০০ | ১১৪১৮০৭০০০.০০ | ৭৩৭৫০২৫০০০.০০ |
| | | মূলধন | ১৩৩২০৫৩০০০.০০ | ৪০০০০০০০.০০ | ১৩৭২০৫৩০০০.০০ |
| ৪ | নিৰ্বাচন | ৰাজহ | ২২৩৩৬৬৭০০০.০০ | ০.০০ | ২২৩৩৬৬৭০০০.০০ |
| | | মূলধন | ১২৮২৬৫০০০.০০ | ০.০০ | ১২৮২৬৫০০০.০০ |
| ৫ | বিক্ৰীকৰ আৰু অন্যান্য কৰ | ৰাজহ | ৭৬৩৩২২৪৮০০০.০০ | ০.০০ | ৭৬৩৩২২৪৮০০০.০০ |
| | | মূলধন | ৭৪৩৫২৫৩০০০.০০ | ০.০০ | ৭৪৩৫২৫৩০০০.০০ |
| ৬ | ভূমি ৰাজহ | ৰাজহ | ৫৫৩০৮০২০০০.০০ | ০.০০ | ৫৫৩০৮০২০০০.০০ |
| | | মূলধন | ২০১২৫৪০০০.০০ | ০.০০ | ২০১২৫৪০০০.০০ |
| ৭ | ষ্টাম্প আৰু পঞ্জীয়ন | ৰাজহ | ৪২২৭৬৩০০০.০০ | ০.০০ | ৪২২৭৬৩০০০.০০ |
| | | মূলধন | ২৫৮২৭০০০.০০ | ০.০০ | ২৫৮২৭০০০.০০ |
| ৮ | ৰাজ্যিক আবকাৰী | ৰাজহ | ২৬৬৯৮৯২০০০.০০ | ০.০০ | ২৬৬৯৮৯২০০০.০০ |
| | | মূলধন | ২৫৮৮০০০০.০০ | ০.০০ | ২৫৮৮০০০০.০০ |
| ৯ | পৰিবহণ সেৱা | ৰাজহ | ৪৭১০৬৮৮০০০.০০ | ০.০০ | ৪৭১০৬৮৮০০০.০০ |
| | | মূলধন | ৩৪৮২৪৩৯০০০.০০ | ০.০০ | ৩৪৮২৪৩৯০০০.০০ |
| ১০ | অন্যান্য অৰ্থনৈতিক সেৱা | ৰাজহ | ৪০৩৪৪০০০.০০ | ০.০০ | ৪০৩৪৪০০০.০০ |
| ১১ | সাধাৰণ প্ৰশাসন (সচিবালয় আৰু সংলগ্ন কাৰ্যালয়সমূহ) | ৰাজহ | ১০৮৭১০৬৭০০০.০০ | ০.০০ | ১০৮৭১০৬৭০০০.০০ |
| | | মূলধন | ১২০৪১৫০০০.০০ | ০.০০ | ১২০৪১৫০০০.০০ |
| ১২ | সাধাৰণ প্ৰশাসন (জিলা আৰু মহকুমা) | ৰাজহ | ৫২৭৩৬২৩০০০.০০ | ০.০০ | ৫২৭৩৬২৩০০০.০০ |
| | | মূলধন | ১৩০০৩৫৪০০০.০০ | ০.০০ | ১৩০০৩৫৪০০০.০০ |
| ১৩ | কোষাগাৰ আৰু হিচাপ প্ৰশাসন | ৰাজহ | ১৩০০৭০৪০০০.০০ | ০.০০ | ১৩০০৭০৪০০০.০০ |
| | | মূলধন | ১৫৪৫৪৮০০০.০০ | ০.০০ | ১৫৪৫৪৮০০০.০০ |
| ১৪ | আৰক্ষী | ৰাজহ | ৭২২৮০৩৯২০০০.০০ | ৭২০০০০০০.০০ | ৭২৩৫২৩৯২০০০.০০ |
| | | মূলধন | ৪২১১১৬৫০০০.০০ | ০.০০ | ৪২১১১৬৫০০০.০০ |
| ১৫ | কাৰাগাৰ | ৰাজহ | ২৩৪০৮০০০০.০০ | ২০০০০০০০.০০ | ২৫৪০৮০০০০.০০ |
| | | মূলধন | ৭২৭৪২৫০০০.০০ | ০.০০ | ৭২৭৪২৫০০০.০০ |
| ১৬ | মুদ্ৰণ আৰু লেখন, তথ্য আৰু জনসংযোগ | ৰাজহ | ১৬২৬১২৪০০০.০০ | ০.০০ | ১৬২৬১২৪০০০.০০ |
| | | মূলধন | ৬১৫৪৫০০০.০০ | ০.০০ | ৬১৫৪৫০০০.০০ |
| ১৭ | প্ৰশাসনীয় আৰু কাৰ্যালয় ভৱন | ৰাজহ | ৪০৬৪২৬৬০০০.০০ | ০.০০ | ৪০৬৪২৬৬০০০.০০ |
| | | মূলধন | ৩৭৬৬৫৮১২০০০.০০ | ০.০০ | ৩৭৬৬৫৮১২০০০.০০ |
| ১৮ | অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা | ৰাজহ | ২২১৩৩৬৬০০০.০০ | ১০০০.০০ | ২২১৩৩৬৭০০০.০০ |
| | | মূলধন | ৫১৭৭৮৪০০০.০০ | ০.০০ | ৫১৭৭৮৪০০০.০০ |
| ১৯ | নিৰীক্ষণ আয়োগ আৰু অন্যান্য আৰু সামাজিক নিৰাপত্তা আৰু কল্যাণ (অতিৰিক্ত) | ৰাজহ | ২৮২৪৭৩৭০০০.০০ | ০.০০ | ২৮২৪৭৩৭০০০.০০ |
| | | মূলধন | ৮৮৮৭৪০০০.০০ | ০.০০ | ৮৮৮৭৪০০০.০০ |
| ২০ | অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী | ৰাজহ | ৩২৮৯৩৪৪০০০.০০ | ০.০০ | ৩২৮৯৩৪৪০০০.০০ |
| | | মূলধন | ১০৮২৯৬০০০.০০ | ০.০০ | ১০৮২৯৬০০০.০০ |
| ২১ | অতিথিশালা, চক্ৰকাৰী নিবাস | ৰাজহ | ৫৪১২৭১০০০.০০ | ০.০০ | ৫৪১২৭১০০০.০০ |
| | | মূলধন | ৫১২৬৩০০০.০০ | ০.০০ | ৫১২৬৩০০০.০০ |
| ২২ | প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ | ৰাজহ | ১৬৯৮৬৪০০০.০০ | ০.০০ | ১৬৯৮৬৪০০০.০০ |
| | | মূলধন | ৮২৮৯৬০০০.০০ | ০.০০ | ৮২৮৯৬০০০.০০ |
| ২৩ | পেঞ্চন আৰু অন্যান্য অৱসৰকালীন সুবিধাসমূহ | ৰাজহ | ১৬৬০৩৪১১৬০০০.০০ | ০.০০ | ১৬৬০৩৪১১৬০০০.০০ |
| ২৪ | সাহায্য সামগ্ৰী | ৰাজহ | ৯০০০০.০০ | ০.০০ | ৯০০০০.০০ |
| ২৫ | অন্যান্য সাধাৰণ সেৱা | ৰাজহ | ৭০১০২৭৩৫০০০.০০ | ০.০০ | ৭০১০২৭৩৫০০০.০০ |
| | | মূলধন | ৩১৪৫৫৩৮০০০.০০ | ০.০০ | ৩১৪৫৫৩৮০০০.০০ |
| ২৬ | উচ্চ শিক্ষা | ৰাজহ | ৩২০৪১৪০৬০০০.০০ | ০.০০ | ৩২০৪১৪০৬০০০.০০ |
| | | মূলধন | ১৬৮৬৬০৭০০০.০০ | ০.০০ | ১৬৮৬৬০৭০০০.০০ |
| ২৭ | কলা আৰু সংস্কৃতি | ৰাজহ | ১১১২০২০০০.০০ | ০.০০ | ১১১২০২০০০.০০ |
| | | মূলধন | ৯২১৭৯৩০০০.০০ | ০.০০ | ৯২১৭৯৩০০০.০০ |
| ২৮ | ৰাজ্যিক মহাফেজখানা | ৰাজহ | ৩০৮২১৮০০০.০০ | ০.০০ | ৩০৮২১৮০০০.০০ |
| | | মূলধন | ৫২৫১০০০.০০ | ০.০০ | ৫২৫১০০০.০০ |
| ২৯ | চিকিৎসা আৰু জনস্বাস্থ্য | ৰাজহ | ৬৩২৫৭৮১৪০০০.০০ | ১০৫০০০০০.০০ | ৬৩২৬৮৩১৪০০০.০০ |
| | | মূলধন | ৮০৩৩৪৫৬০০০.০০ | ০.০০ | ৮০৩৩৪৫৬০০০.০০ |
| ৩০ | পানীযোগান আৰু অনাময় | ৰাজহ | ৪৬০৫০৫১০০০.০০ | ১১৮২০০০০০.০০ | ৪৭২৩২৫১০০০.০০ |
| | | মূলধন | ১২৫৭৫৬৭৭০০০.০০ | ৮৩৮০০০.০০ | ১২৫৭৬৫১৫০০০.০০ |
| ৩১ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা (নগৰ আৰু গাঁও পৰিকল্পনা) | ৰাজহ | ১০১৭২৪৮৮০০০.০০ | ০.০০ | ১০১৭২৪৮৮০০০.০০ |
| | | মূলধন | ২২৩৪০০০০.০০ | ০.০০ | ২২৩৪০০০০.০০ |
| ৩২ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা (গৃহ নিৰ্মাণ) | ৰাজহ | ৬৬৯৯০০০০.০০ | ০.০০ | ৬৬৯৯০০০০.০০ |
| | | মূলধন | ৯০০০০০০.০০ | ০.০০ | ৯০০০০০০.০০ |
| ৩৩ | আৱাস গৃহ | ৰাজহ | ১৭২৮৮০০০.০০ | ০.০০ | ১৭২৮৮০০০.০০ |
| | | মূলধন | ৪৭০৩০০০.০০ | ০.০০ | ৪৭০৩০০০.০০ |
| ৩৪ | গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা (পৌৰ প্ৰশাসন) | ৰাজহ | ২১৮০১২১১০০০.০০ | ০.০০ | ২১৮০১২১১০০০.০০ |

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| [illegible] | [illegible] | মূলধন | ১৭৪৩১০০০.০০ | ০.০০ | ১৭৪৩১০০০.০০ |
| ৩৫ | দক্ষতা, নিয়োগ আৰু উদ্যমিতা | ৰাজহ | ১৪১০১৭৩০০০.০০ | ০.০০ | ১৪১০১৭৩০০০.০০ |
| | | মূলধন | ৯৪৪৮৫৮০০০.০০ | ০.০০ | ৯৪৪৮৫৮০০০.০০ |
| ৩৬ | শ্ৰমিক কল্যাণ | ৰাজহ | ১০৬৫০৯৯০০০.০০ | ০.০০ | ১০৬৫০৯৯০০০.০০ |
| | | মূলধন | ৮৮০৮২০০০.০০ | ০.০০ | ৮৮০৮২০০০.০০ |
| ৩৭ | খাদ্য, ভঁড়াল আৰু পণ্যাগাৰ | ৰাজহ | ৫৭৯৯৬১৬০০০.০০ | ০.০০ | ৫৭৯৯৬১৬০০০.০০ |
| | | মূলধন | ৩৪৫৪১০০০.০০ | ০.০০ | ৩৪৫৪১০০০.০০ |
| ৩৮ | জনজাতি পৰিক্ৰমা (ভৈয়াম) | ৰাজহ | ৮০৭৫৬৩৭০০০.০০ | ০.০০ | ৮০৭৫৬৩৭০০০.০০ |
| | | মূলধন | ২৯৭৬৬৯০০০০.০০ | ০.০০ | ২৯৭৬৬৯০০০০.০০ |
| ৩৯ | নাৰী আৰু শিশু কল্যাণ | ৰাজহ | ২৭৬২১১০৯০০০.০০ | ০.০০ | ২৭৬২১১০৯০০০.০০ |
| | | মূলধন | ২৮৭৭৫০৩০০০.০০ | ০.০০ | ২৮৭৭৫০৩০০০.০০ |
| ৪০ | সামাজিক ন্যায় আৰু সবলীকৰণ | ৰাজহ | ৪৭০৩৭৪১০০০.০০ | ০.০০ | ৪৭০৩৭৪১০০০.০০ |
| | | মূলধন | ৬৪৭৫২০০০০.০০ | ০.০০ | ৬৪৭৫২০০০০.০০ |
| ৪১ | প্ৰাকৃতিক দুৰ্যোগ | ৰাজহ | ১৪২৮৯৫৮১০০০.০০ | ০.০০ | ১৪২৮৯৫৮১০০০.০০ |
| | | মূলধন | ৭২০০০০০০.০০ | ০.০০ | ৭২০০০০০০.০০ |
| ৪২ | অন্যান্য সামাজিক সেৱাসমূহ (সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন) | ৰাজহ | ১৬১৯২৮৩০০০.০০ | ০.০০ | ১৬১৯২৮৩০০০.০০ |
| | | মূলধন | ৫৮১৪০০০.০০ | ০.০০ | ৫৮১৪০০০.০০ |
| ৪৩ | সমবায় | ৰাজহ | ১৩৬২২৪২০০০.০০ | ০.০০ | ১৩৬২২৪২০০০.০০ |
| | | মূলধন | ৮২৬৯৪৫০০০.০০ | ০.০০ | ৮২৬৯৪৫০০০.০০ |
| ৪৪ | উত্তৰ পূব পৰিষদ আঁচনি | ৰাজহ | ৯০০০০০০.০০ | ০.০০ | ৯০০০০০০.০০ |
| | | মূলধন | ৩৮৭০৪৫০০০.০০ | ০.০০ | ৩৮৭০৪৫০০০.০০ |
| ৪৫ | লোকপিয়ল, জৰীপ আৰু পৰিসংখ্যা | ৰাজহ | ৫১৫২৯০০০০.০০ | ০.০০ | ৫১৫২৯০০০০.০০ |
| | | মূলধন | ৩১৮৭৬০০০.০০ | ০.০০ | ৩১৮৭৬০০০.০০ |
| ৪৬ | ওজন আৰু জোখমাপ | ৰাজহ | ২৫৮০৯১০০০.০০ | ০.০০ | ২৫৮০৯১০০০.০০ |
| | | মূলধন | ৫৭০৯০০০.০০ | ০.০০ | ৫৭০৯০০০.০০ |
| ৪৭ | বাণিজ্যিক উপদেষ্টা | ৰাজহ | ১৮৬৬৭০০০.০০ | ০.০০ | ১৮৬৬৭০০০.০০ |
| ৪৮ | কৃষি | ৰাজহ | ১৯০৫৯১৭৫০০০.০০ | ০.০০ | ১৯০৫৯১৭৫০০০.০০ |
| | | মূলধন | ১৭১১৫৮৭০০০.০০ | ০.০০ | ১৭১১৫৮৭০০০.০০ |
| ৪৯ | জলসিঞ্চন | ৰাজহ | ৬০৯৬৭৩৯০০০.০০ | ০.০০ | ৬০৯৬৭৩৯০০০.০০ |
| | | মূলধন | ৪২৩২০৫৪০০০.০০ | ০.০০ | ৪২৩২০৫৪০০০.০০ |
| ৫০ | অন্যান্য বিশেষ এলেকা আঁচনি (সীমা সুৰক্ষা আৰু উন্নয়ন) | ৰাজহ | ৩৪৮২০০০০.০০ | ০.০০ | ৩৪৮২০০০০.০০ |
| | | মূলধন | ৪৩৩৭৫৬০০০.০০ | ০.০০ | ৪৩৩৭৫৬০০০.০০ |
| ৫১ | ভূমি আৰু জল সংৰক্ষণ | ৰাজহ | ১৩৮৫৫৫৫০০০.০০ | ০.০০ | ১৩৮৫৫৫৫০০০.০০ |
| | | মূলধন | ৪৪০৭৩৯০০০.০০ | ০.০০ | ৪৪০৭৩৯০০০.০০ |
| ৫২ | পশুধন আৰু পশুপালন | ৰাজহ | ৪৭৭০৭৯৯০০০.০০ | ০.০০ | ৪৭৭০৭৯৯০০০.০০ |
| | | মূলধন | ৮৪৫৩৩০০০০.০০ | ০.০০ | ৮৪৫৩৩০০০০.০০ |
| ৫৩ | দুগ্ধ উন্নয়ন | ৰাজহ | ৪৫৭২৪৮০০০.০০ | ০.০০ | ৪৫৭২৪৮০০০.০০ |
| | | মূলধন | ১৩৯১৫২০০০.০০ | ০.০০ | ১৩৯১৫২০০০.০০ |
| ৫৪ | মীনমহল | ৰাজহ | ১১৬৮১৪৭০০০.০০ | ০.০০ | ১১৬৮১৪৭০০০.০০ |
| | | মূলধন | ৫৮২১৩৮০০০.০০ | ০.০০ | ৫৮২১৩৮০০০.০০ |
| ৫৫ | পৰিৱেশ আৰু বন | ৰাজহ | ৯৭২০২৬৪০০০.০০ | ০.০০ | ৯৭২০২৬৪০০০.০০ |
| | | মূলধন | ৮৪৬৭৫০০০০.০০ | ০.০০ | ৮৪৬৭৫০০০০.০০ |
| ৫৬ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (পঞ্চায়ত) | ৰাজহ | ২৭৯৮৯৮২৩০০০.০০ | ৩৬৭৯৮০০০.০০ | ২৮০২৬৬২১০০০.০০ |
| | | মূলধন | ৮১০০০০০০.০০ | ৭৫০০০০০.০০ | ৮৮৫০০০০০.০০ |
| ৫৭ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (গ্ৰামোন্নয়ন) | ৰাজহ | ৮৭৩৬৮৭৪৫০০০.০০ | ০.০০ | ৮৭৩৬৮৭৪৫০০০.০০ |
| ৫৮ | উদ্যোগ আৰু বাণিজ্য | ৰাজহ | ৪২৯২৯৩৬০০০.০০ | ০.০০ | ৪২৯২৯৩৬০০০.০০ |
| | | মূলধন | ৩০৭৩৭৩১০০০.০০ | ০.০০ | ৩০৭৩৭৩১০০০.০০ |
| ৫৯ | ৰেচম আৰু বয়ন | ৰাজহ | ৩৫৩৮৯৯৯০০০.০০ | ০.০০ | ৩৫৩৮৯৯৯০০০.০০ |
| | | মূলধন | ২৩৮৫৭৩০০০.০০ | ০.০০ | ২৩৮৫৭৩০০০.০০ |
| ৬০ | কুটিৰ শিল্প | ৰাজহ | ৭৫৪৮২৯০০০.০০ | ০.০০ | ৭৫৪৮২৯০০০.০০ |
| ৬১ | খনি আৰু খনিজ দ্ৰব্য | ৰাজহ | ১৯৪৮৮০০০০.০০ | ০.০০ | ১৯৪৮৮০০০০.০০ |
| | | মূলধন | ৫১৭৬৫০০০.০০ | ০.০০ | ৫১৭৬৫০০০.০০ |
| ৬২ | শক্তি (বিদ্যুৎ) | ৰাজহ | ৭৮২০৮৭০০০০.০০ | ০.০০ | ৭৮২০৮৭০০০০.০০ |
| | | মূলধন | ৭৬৮৮৮৯৮০০০.০০ | ০.০০ | ৭৬৮৮৮৯৮০০০.০০ |
| ৬৩ | জলসম্পদ | ৰাজহ | ৩৯০৬৪৫০০০০.০০ | ০.০০ | ৩৯০৬৪৫০০০০.০০ |
| | | মূলধন | ১০৭৪৩৩৬৬০০০.০০ | ০.০০ | ১০৭৪৩৩৬৬০০০.০০ |
| ৬৪ | পথ আৰু দলং | ৰাজহ | ১৪৯৬৯৯৪১০০০.০০ | ০.০০ | ১৪৯৬৯৯৪১০০০.০০ |
| | | মূলধন | ১০৭৮৪৩২০৪০০০.০০ | ০.০০ | ১০৭৮৪৩২০৪০০০.০০ |
| ৬৫ | পৰ্যটন | ৰাজহ | ৪২০৭৫৯০০০.০০ | ০.০০ | ৪২০৭৫৯০০০.০০ |
| | | মূলধন | ৫৭৯৫১৫০০০.০০ | ০.০০ | ৫৭৯৫১৫০০০.০০ |
| ৬৬ | স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ সংস্থাসমূহলৈ ক্ষতিপূৰণ | ৰাজহ | ১০০২৭৬৫০০০০.০০ | ০.০০ | ১০০২৭৬৫০০০০.০০ |
| ৬৭ | উদ্যান শস্য | ৰাজহ | ৮৩৩০৯০০০০.০০ | ০.০০ | ৮৩৩০৯০০০০.০০ |
| | | মূলধন | ১৩৫৫৩০০০.০০ | ০.০০ | ১৩৫৫৩০০০.০০ |
| ৬৮ | চৰকাৰী চাকৰিয়াললৈ ঋণ, অগ্ৰিম ইত্যাদি | মূলধন | ০.০০ | ০.০০ | ১০০০০০.০০ |
| ৬৯ | বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন | ৰাজহ | ৪৮৩৫৫৪০০০.০০ | ০.০০ | ৪৮৩৫৫৪০০০.০০ |
| | | মূলধন | ৭৪৭২৪৬০০০.০০ | ০.০০ | ৭৪৭২৪৬০০০.০০ |
| ৭০ | পাৰ্বত্য অঞ্চল | ৰাজহ | ৬২০৮৫০০০.০০ | ০.০০ | ৬২০৮৫০০০.০০ |
| | | মূলধন | ১৭৯৭৮০০০.০০ | ০.০০ | ১৭৯৭৮০০০.০০ |
| ৭১ | বিদ্যালয় শিক্ষা | ৰাজহ | ১৫৪৯৮০৪৮৬০০০.০০ | ০.০০ | ১৫৪৯৮০৪৮৬০০০.০০ |
| | | মূলধন | ৬১১৯১৫৫০০০.০০ | ০.০০ | ৬১১৯১৫৫০০০.০০ |
| ৭২ | সামাজিক নিৰাপত্তা আৰু কল্যাণ (সাহায্য আৰু পুনৰ সংস্থাপন) | ৰাজহ | ১৭১১৩০০০০.০০ | ০.০০ | ১৭১১৩০০০০.০০ |
| [illegible] | [illegible] | ৰাজহ | ৪৪০৭৫০৩০০০.০০ | ০.০০ | ৪৪০৭৫০৩০০০.০০ |

| মঞ্জুৰী নং/ বিনিয়োজন | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য | মুঠ |
|---|---|---|---|---|---|
| [illegible] | [illegible] | মূলধন | ৩৫১৮৫৯৫০০০.০০ | ০.০০ | ৩৫১৮৫৯৫০০০.০০ |
| ৭৪ | ক্ৰীড়া আৰু যুৱ কল্যাণ | ৰাজহ | ১৯৪৫৪৩০০০০.০০ | ০.০০ | ১৯৪৫৪৩০০০০.০০ |
| | | মূলধন | ৬২৮৩৬১০০০.০০ | ০.০০ | ৬২৮৩৬১০০০.০০ |
| ৭৫ | তথ্য আৰু প্ৰযুক্তি | ৰাজহ | ১১৮৭৯৬৬০০০.০০ | ০.০০ | ১১৮৭৯৬৬০০০.০০ |
| | | মূলধন | ২৫৭০০০০.০০ | ০.০০ | ২৫৭০০০০.০০ |
| ৭৬ | কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ | ৰাজহ | ১২৫৩১৫১৪০০০.০০ | ০.০০ | ১২৫৩১৫১৪০০০.০০ |
| | | মূলধন | ১০০০০০০০০.০০ | ০.০০ | ১০০০০০০০০.০০ |
| ৭৭ | ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ | ৰাজহ | ২৮৬৫২৯৪০০০.০০ | ০.০০ | ২৮৬৫২৯৪০০০.০০ |
| | | মূলধন | ১০০০০০০০০.০০ | ০.০০ | ১০০০০০০০০.০০ |
| ৭৮ | বড়োলেণ্ড টেৰিট'ৰিয়েল অঞ্চল | ৰাজহ | ৩৮৫২২০২৮০০০.০০ | ০.০০ | ৩৮৫২২০২৮০০০.০০ |
| ৭৯ | বড়োভূমি কল্যাণ | মূলধন | ০.০০ | ০.০০ | ৪৫০০০০০০.০০ |
| ৮০ | খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি | ৰাজহ | ৬৩৬১০৮০০০.০০ | ০.০০ | ৬৩৬১০৮০০০.০০ |
| | | মূলধন | ১১৬৪২২০০০.০০ | ০.০০ | ১১৬৪২২০০০.০০ |
| | **মুঠ** | **ৰাজহ** | **১০০৩৫৩১৭০০০০০.০০** | **১০৬৮৩৪২১০০০০.০০** | **১১১৩৩৬৫৫২১০০০০.০০** |
| | | **মূলধন** | **২৪০০৮২৫৫৩০০০.০০** | **৪৪১০৪৪৩২০০০.০০** | **২৮৪১৮৬৭৮৫০০০.০০** |
| | **মঞ্জুৰী মুঠ** | | **১২৪৩৬১৪০৫৩০০০.০০** | **১৫২৫৩৮৬৪৭০০০.০০** | **১৩৯৭৫৫২৬৬৫০০০.০০** |

২০২৩

অসম চৰকাৰী ছপাশালত মুদ্রিত
গুৱাহাটী-২১